# নৱজ্যোতি মহাবিদ্যালয় আলোচনী

চতুৰ্থ বছৰ ১৯৮৩-৮৪ চতুৰ্থ সংখ্যা

NABAJYOTI COLLEGE LIBRARY
Estd-1971
Dist: Kamrup,
(Assam)
P.O. KALGACHIA

NABAJYOTI COLLEGE
KALGACHIA
ESTD 1971
LEARN, LABOUR & SERVE

তত্ত্বাবধায়ক : প্ৰৱক্তা ঘনশ্যাম ভৰালী

সম্পাদক : ৰুস্তম আলী

NABAJYOTI COLLEGE LIBRARY
Estd-1971
Distt. Kamrup, (Assam)

# নৱজ্যোতি মহাবিদ্যালয় আলোচনী

নৱজ্যোতি মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ বছৰেকীয়া প্ৰকাশ
১৯৮৩ / ৮৪ চন।

ঃ চতুৰ্থ বছৰ　　১৯৮৩-৮৪　　ঃ চতুৰ্থ সংখ্যা

**তত্বাৱধায়ক—**
প্ৰবক্তা ঘনশ্যাম ভৰালী।

**সম্পাদক—**
ৰুস্তম আলী।

# নৱজ্যোতি মহাবিদ্যালয় আলোচনী

নৱজ্যোতি মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ বছৰেকীয়া প্ৰকাশ

১৯৮৩ / ৮৪ চন

## ★ সম্পাদনা সমিতি ★

অধ্যক্ষ—আব্দুছ ছাত্তাৰ আহমেদ। (সভাপতি,

উপাধ্যক্ষ—মোজাম্মেল হুচেইন। (উপ-সভাপতি)

প্ৰবক্তা—ঘনশ্যাম ভড়ালী। (তত্ত্বাৱধায়ক)

—মোঃ ৰুস্তম আলী। ( সম্পাদক )

## ★ সদস্য বৃন্দ ★

প্ৰৱক্তা—লম্বিত কোঁৱৰ।

প্ৰবক্তা—জি, এম্, মোক্তাদিৰ।

তাজউদ্দিন আহমেদ।

আব্দুৰ ৰহিম আহমেদ।

আব্দুল মাজেদ আহমেদ।

নেওয়াজুল হক।

খন্দকাৰ মিচ জুবেদা।

● ৰেটুপাত ( কলেজৰ প্ৰতীক )

পৰিকল্পনা—এ, এছ, আহমেদ ( অধ্যক্ষ )

অঙ্কণ—জি, ভড়ালী ( তত্ত্বাৱধায়ক )

● অংগ সজ্জা-পৰিকল্পনা –

মোঃ ৰুস্তম আলী ( সম্পাদক )

● মুদ্ৰালিখক—পূৰ্ব্বাঞ্চল প্ৰিন্টাৰ্চ, (সৰভোগ)

চিত্ৰাঙ্কণ—ব্লক শ্ৰীগুৰু প্ৰেছ ( গুৱাহাটী )


**কৃতজ্ঞতা স্বীকাৰ—**

আলোচনী সম্পাদনা সমিতি, নৱজ্যোতি মহাবিদ্যালয়ৰ সমূহ অধ্যাপক অধ্যাপিকা মণ্ডলী, লেখক-লেখিকা সকল, অফিছ কৰ্মচাৰী বৃন্দ, ছাত্ৰ একতা সভাৰ সমূহ সদস্য/সদস্যাবৃন্দ আৰু বহতো বন্ধুবৰ্গ আৰু 'পূৰ্ব্বাঞ্চল প্ৰিন্টাৰ্চ'ৰ মালিক আৰু কৰ্মচাৰীবৃন্দ।



**Prof. J. M. Choudhury,** M. Sc  
D. I. C. Ph.D. LOND.  
Vice-Chancellor  
GAUHATI UNIVERSITY

Phone : No.- 88412  
Res.-88408  
GAUHATI—781014  
( India )


19 November 84


Nabajyoti College, Kalgachia
Estd. 1971
(Assam)


# MESSAGE

*I am happy to learn that the Students' Union of Nabajyoti College, Kalgachia is bringing out their college magazine very shortly.*

*I hope the magazine will be able to give ample opportunity to the student community to develop their literary talent besides highlighting various activities of the college.*

*I hope the magazine will receive appreciation from all concerned*

( J. M. Choudhury )  
Vice-Chancellor

# ॥ শ্ৰদ্ধা-তৰ্পণ ॥



আন্তৰিক শ্ৰদ্ধাঞ্জলি নিবেদিছো আমাৰ মাজত নথকা সেইসকল মহান ব্যক্তিৰ মহান আত্মালৈ যি সকলে নৱ-জ্যোতি মহাবিদ্যালয়ৰ স্বপ্ন দেখিছিল আৰু তাক বাস্তৱত ৰূপায়িত কৰিবলৈ আপ্ৰাণ চেষ্টা কৰিছিল। সেয়েহে, যাৰ স্মৃতি মহাবিদ্যালয়ৰ প্ৰতিডাল দুবৰিত আজিও গঁঠা আছে যাৰ মহানুভৱতাৰ দীৰ্ঘমান স্বাক্ষৰ এই মহাবিদ্যালয়ৰ বুকুত উজ্বলে সেইসকল 'সু-পুৰুষ' মৰহুম আতাউৰ ৰহমান চাহাব, মৰহুম মুছলেমুদ্দিন চাহাব, মৰহুম আঃ কাদেৰ ( খাবু ) চাহাব, মৰহুম ইমান আলী মণ্ডল চাহাবলৈ যাঁচিলো শ্ৰদ্ধাৰ্ঘ ভকতি ভাবেৰে।

লগতে, আশীষ আৰু সক্ৰিয় সহযোগ কামনা কৰি কৃতজ্ঞতা জ্ঞাপন কৰিছো সেইসকল মহৎ ব্যক্তিলৈ যি সকলে নৱজ্যোতি মহাবিদ্যালয়খনক উজ্জ্বল কৰাত সহায়-সহযোগিতাৰে আপ্ৰাণ চেষ্টা কৰি আছে, যি সকলৰ পবিত্ৰ অন্তৰে মহাবিদ্যালয়খনৰ উত্তৰোত্তৰ উন্নতি ও উজ্জ্বল কামনা কৰে, আৰু যি সকলৰ মহান অন্তৰে ভাল পায় উঠি অহা হেজাৰ-বিজাৰ ছাত্ৰ-ছাত্ৰীৰ উজ্জ্বল ভৱিষ্যৎ·········।

তাং— ৭/১১/৮৪ ইং

আঃ ছাত্তাৰ আহমেদ
অধ্যক্ষ, নৱজ্যোতি মহাবিদ্যালয়, কলগাছিয়া

# সূচীপত্ৰ


সম্পাদকীয় — ॥ ২

পাৰ্শ্বজ্যোতি — " মহাবিদ্যালয় সপ্তাহ "


## কবিতা


● বন্দনা—মিচ ৰমেলা খাতুন ॥ ৩
● জীৱন—মিছ মমতাজ খাতুন ॥ ৪
● জনমভূমি—আব্দুল হামিদ ॥ ৫
● জান্নাত—তাইজুদ্দিন আহমেদ ॥ ৬
● চেতনা—সামেশ উদ্দিন আহমেদ ॥ ৬
● অসীম—মঃ আয়ুব খান ॥ ৭
● এটি সামান্য তুলিকাৰ আশা—গিয়াস উদ্দিন আহমেদ ॥ ৭
● স্বদেশপ্ৰেম—আব্দুল জুব্বাৰ ॥ ৮
★ প্ৰিয়তমা—ৰোস্তম আলী আহমেদ । ৯
★ সময়ৰ গতি—মিচ্ হামিদা খাতুন ॥ ১০
★ মৰহা অতীত—খন্দকাৰ মিচ জুবেদা ॥ ১১
★ উপলব্ধি —আব্দুল কালাম আজাদ ॥ ১২
★ তুমি কবি—আব্দুল মাজেদ আহমেদ ॥ ১৩-১৪
★ অতিথি—ছায়েদুৰ ৰহমান ॥ ১৫-১৬


## গল্প


★ সাহস —আব্দুল খালেক আহমেদ ॥ ১
● কালৰ সোঁতত—মিচ্ সাজিদা খাতুন ॥ ৫
★ অতিলোভ, লোভে পাপ, পাপে মৃত্যু—কুৰবান আলী আহমেদ ॥ ৯
★ পঙ্কিল পৃথিৱী—আয়নাল হক ॥ ১২


## প্ৰবন্ধ


★ সাম্প্ৰদায়িকতা কি ? অধ্যাপক, খন্দকাৰ আব্দুল গফুৰ ॥ ১৫

★ কবিতা আৰু ৰাজনীতি — মহম্মদ কাজী আলতাফ হুছেইন ॥ ১৯
★ প্ৰ'টিন মানুহৰ বাবে অপৰিহাৰ্য্য বস্তু — আব্দুৰ ৰহিম ॥ ২১
ৰস ৰচনা ঃ
★ পৰীক্ষাৰ মহিমা — আবুবাক্কাৰ ছিদ্দিক ॥ ২৬
ইংৰাজী বিভাগ ঃ ( ENGLISH )
★ Mr. Examination — Abu Bakkar Siddique ॥ 1
★ College Improvement from a New Dimension — Principal A. S. Ahmed ॥ 2
● The Role of a Citizen in a Democratic State of India — Miss Rausanara Akhtar ॥ 6
● The Role of a Guardian in Education — Md Mozammel Hussain ॥ 9
★ বিভিন্ন বিভাগৰ সম্পাদকীয় প্ৰতিবেদন ঃ



## ॥ উচৰ্গা ॥

দেহান্ত ঘটিলে হবা মোতেই বিলয়'—

মহানুভৱতাৰ পৰম অধিকাৰী যি সকল ব্যক্তিয়ে এইখন মহাবিদ্যালয় প্ৰতিষ্ঠাপন কৰাৰ কাৰণে আপ্ৰাণ চেষ্টাৰে মৃত্যুক সাৱটি ললে, যি সকলৰ সমাধিত নিশা এ-আকাশ তৰাই উচুপে আৰু প্ৰকৃতি হয় বিনিদ্ৰা সেই সকলৰ পবিত্ৰ স্মৃতিত এই সংখ্যা আলোচনী উচৰ্গা কৰা হ'ল।

—সম্পাদক



পদুলিতে থাচিলো প্ৰয়াত প্ৰধান মন্ত্ৰী শ্ৰীমতী ইন্দিৰা গান্ধীলৈ আমাৰ আন্তৰিক শ্ৰদ্ধাঞ্জলি।



# সম্পাদকীয়

আজি অত বছৰে ভাৰত তথা অসম দেশৰ জনসাধাৰণক সাংবিধান প্ৰদত্ত প্ৰাপ্যৰ পৰা বঞ্চিত কৰাৰ এক জলন্ত উদ্‌গীৰণ। দেশৰ ৰাজনৈতিক, অৰ্থনৈতিক আৰু সামাজিক সংকটে গৈ এটা সাধাৰণ সংকটৰ সন্মুখীন হৈছে, তেনে স্থলত "সমাজবাদ" বনাম "গান্ধীবাদ"ৰ ধোৱা তুলি হৈ চৈ কৰিলেও কোনো ফল নধৰিব। গতিকে এই সংকট দূৰ কৰিবলৈ হলে উঠি অহা নতুন পুৰুষে দলীয় স্বাৰ্থ তথা ব্যক্তিগত স্বাৰ্থত নিহিত নহৈ সমগ্ৰ দেশৰ জনসাধাৰণক শোষণৰ পৰা মুক্ত কৰিবলৈ দৃঢ় পন লব লাগিব। সেয়েহে নতুন পুৰুষে জনসাধাৰণৰ বিশ্বাস আৰু সহযোগিতা আদায় কৰি দেশ খনৰ মৌলিক নীতি তথা গণতান্ত্ৰিক মৰ্য্যদা সুনিশ্চিত কৰিবলৈ দৃঢ় পদক্ষেপেৰে আগবাঢ়ি অহাৰ সময় হৈছে। নতুন পুৰুষেই ভাৰতৰ ভাগ্য নিয়ন্ত্ৰণ কৰি জনসাধাৰণৰ স্বাৰ্থ ৰক্ষা কৰিব লাগিব। সকলো জাতিৰ স্বাভাবিক প্ৰক্ৰিয়াৰ বৃহৎ প্ৰাচীৰ ভাঙি দি সেই জাতিবোৰৰ আত্ম নিয়ন্ত্ৰণৰ অধিকাৰ সাব্যস্ত কৰিব লাগিব। সাম্প্ৰদায়িক কাৰ্য্যকলাপ বন্ধ কৰিব লাগিব। মূল্য বৃদ্ধি নিয়ন্ত্ৰণ কৰি দেশৰ 'গণতন্ত্ৰ' আৰু সমাজবাদক পূৰ্ণ পৰ্য্যায়ত স্বীকৃতি দিব লাগিব। অন্যথা দলীয় তথা ব্যক্তিগত স্বাৰ্থত নিহিত নেতাসকলৰ তথা কথিত 'গণতন্ত্ৰ' আৰু 'সমাজবাদ' ভাৰতবৰ্ষত জীয়াই ৰখাটো দুৰূহ কাম হৈ পৰিব পাৰে।

★ মোৰ দুআষাৰ—

মোৰ প্ৰতিবেদনৰ আৰম্ভণিতে অসম মাতৃৰ অস্তিত্ব ৰক্ষাৰ নামত চলা আন্দোলনৰ হিংসাৰ কবলত প্ৰাণাহুতি দিয়া বীৰ শ্বহীদ সকলৈ গভীৰ শ্ৰদ্ধাঞ্জলি আৰু শোক সন্তপ্ত পৰিয়াল বৰ্গলৈ সমবেদনা জ্ঞাপন কৰিছোঁ। ইং ১৯৮৩-৮৪ চনৰ ছাত্ৰ একতা সভাৰ নিৰ্ব্বাচনত যি সকল ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীয়ে অসীম ত্যাগ, কষ্ট আৰু উৎসাহ উদ্দীপনাৰে জীৱনৰ প্ৰগতিৰ পথত— মোক যোগ্য বুলি বিবেচনা কৰি পশ্চিম বৰপেটা এলেকাৰ ভাষা সাহিত্যৰ প্ৰাণ কেন্দ্ৰ নৱজ্যোতি মহাবিদ্যালয়ৰ আলোচনী সম্পাদকৰ পদবীৰ ভাৰ অৰ্পণ কৰি সাহিত্য সেৱাৰ যি সুযোগ সুবিধা দিছিল তাৰ বাবে সমূহ ছাত্ৰ-ছাত্ৰীলৈ মোৰ আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

সম্পাদক হিচাবে ছাত্ৰ-ছাত্ৰীৰ কাৰণে কিমান খিনি কৰিব পাৰিছিলো সেই মন্তব্য দিয়াৰ কিঞ্চিৎমানো হাবিয়াস অধিকাৰ মোৰ নাই। এষাৰ কথাই মুক্ত কণ্ঠে কব পাৰো যে চেষ্টাৰ ত্ৰুটি কেতিয়াও কৰা নাছিলো।

★ আলোচনী প্ৰসঙ্গত—

নিজৰ জাতিক সভ্যতাৰ পিনে এখোজ আগবঢ়াই নিয়াৰ একমাত্ৰ স্থল হৈছে লিখনী। লিখনিৰ জৰিয়তে সাহিত্যৰ সৃষ্টি হয়। সাহিত্য অবিহনে কোনো জাতিয়েই সভ্যতাৰ উচ্চ জখলাত উঠিব পৰা নাই। বাস্তৱমুখী চিন্তা আৰু প্ৰকৃত সাধনা অবিহনে উপযুক্ত সাহিত্য সৃষ্টি কৰা টান। নৱজ্যোতি মহাবিদ্যালয়ৰ "চতুৰ্থ সংখ্যা" আলোচনী খনৰ সৰ্ব্বতোপ্ৰকাৰ উন্নতিৰ কথা মলয়া বতাহ জাকে মোৰ কাণত বিৰ্ বিৰ্ কৈ কয় গৈছিল। দাতাই দিলেও বিধাতাই নিদিয়াৰ দৰে হ'ল। আশানুৰূপ সহাৰি ছাত্ৰ ছাত্ৰীৰ তৰফৰ পৰা পোৱা নগল।

যিবিলাক সম্ভাৰ (Article) মোৰ হাতত পৰিছিল তাৰে ভিতৰত কিছুমান (Article) সম্ভাৰ মহাবিদ্যালয় আলোচনীত প্ৰকাশ কৰা তেনেই লাজৰ কথা। ইয়াৰোপৰি যি সকলে নিজৰ দক্ষতাক সুপ্ত ৰাখি লাজকুৰীয়া মনোভাৱ লৈ আগবাঢ়ি আহিব নোখোজে তেওঁলোকে যাতে নিজক প্ৰতিভা বিকাশৰ মানসেৰে দক্ষতা প্ৰকাশ কৰাৰ আশা বুকুত বান্ধি লৈ কৰ্ম পথত আগবাঢ়ি আহে। "ঘহোঁতে ঘহোঁতে শিলো ক্ষয় যায়"। সেইবাবে ছাত্ৰ-ছাত্ৰী সকলক নিৰাশ নহৈ, দুগুণ উৎসাহেৰে প্ৰগতিৰ বাটত আগুৱাই যাবলৈ অনুৰোধ জনাইছোঁ। নিশ্চয় তেওঁলোকৰ আজিৰ সৃজনা প্ৰতিভাই কাইলৈ যথোচিত মৰ্য্যদা পাবই। জাতিক বিভিন্ন দিশত প্ৰতিফলিত কৰিবলৈ লাগে উপযুক্ত লিখনী— সেয়েহে প্ৰতিজন উঠি অহা ন-লিখাকলৈ জাতি গঠনৰ বাবে কাতৰ কণ্ঠে আহ্বান জনালোঁ।

মৰুভূমিৰ মৰিচিকাৰ দৰে আমাৰ নৱজ্যোতি মহাবিদ্যালয়ৰ জ্যোতি কঢ়িয়াই নিব পৰা বা বিনাশ কৰিব পৰা দুই এজন নথকা নহয় নিজক পাহৰি যোৱা মানে বেইমানী কৰাহে হব; সেয়েহে কলেজ সপ্তাহৰ বিভিন্ন ধৰণৰ সাহিত্যিক মূলক প্ৰতিযোগিতাত বিজয়ী হৈ Best literary man হিচাবে পৰিগণিত হৈ সুখ্যাতিৰে কলেজৰ Running shield অৰ্জন কৰা প্ৰিয় বন্ধু তাজউদ্দিন আহমেদৰ নাম মোৰ সম্পাদকীয় প্ৰতিবেদনত চিৰ দিনেই জিলিকি থাকিব। প্ৰাচীৰ পত্ৰিকাৰ কবিতা প্ৰতিযোগিতাত প্ৰথম স্থান অধিকাৰ কৰিব পৰা নাছিল যদিও দ্বিতীয় স্থানৰ শোভাবৰ্দ্ধণ

কৰিছিল চেনেহৰ আঃ মাজেদ আহমেদ, তেওঁলৈও মোৰ শলাগৰ শৰাই আগবঢ়ালোঁ।

★ শ্ৰদ্ধাঞ্জলি নিবেদন—

মোৰ কাৰ্য্য কাল ছোৱাত ভালে কেইজন দেশহিতৈষী স্বনামধন্য, প্ৰথিত যশা লোকৰ দেহাৱসান ঘটে। বিশেষকৈ আমাৰ কলেজৰ পৃষ্ঠপোষক ইন্তাজ মৌজাদাৰ (বালাগাওঁ) আঃ হামিদ খাঁন (বালা পাথাৰ) আৰু প্ৰয়াত প্ৰধান মন্ত্ৰী ইন্দিৰা গান্ধী। এওঁলোক আটাইৰে আত্মাৰ সদগতিৰ অৰ্থে আমি অশ্ৰু অঞ্জলিৰে আল্লাহৰ ওচৰত প্ৰাৰ্থনা জনাইছোঁ।

★ কৃতজ্ঞতা স্বীকাৰ—

অধ্যক্ষ আঃ ছাত্তাৰ আহমেদ. উপাধ্যক্ষ এম মোজাম্মেল হচেইন. আঃ কাদেৰ (দিগজানী) মৌজাদাৰ আঃ হামিদ [বালাগাওঁ] অধ্যাপক ইচমাইল হুচেইন, অধ্যাপক নুৰ আলম হক, অধ্যাপক ললিত কোঁৱৰ, অধ্যাপক গোলাম মোহম্মদ মোক্তাদিৰ, অধ্যাপক মতিয়াৰ ৰহমান চাহাবলৈ মোৰ আন্তৰিক শ্ৰদ্ধা নিবেদন কৰিলো। তেখেত সকলৰ সহায় সহযোগ সদুপদেশ মই আজীৱন নেপাহৰোঁ।

আমাৰ মহাবিদ্যালয়ৰ ৪ৰ্থ সংখ্যা আলোচনী খন প্ৰকাশৰ বাবে যি সকল ছাত্ৰ-ছাত্ৰী তথা অধ্যাপক-অধ্যাপিকাই গল্প কবিতা প্ৰবন্ধাদিৰে সহায় সহযোগ কৰিলে তেওঁলোকলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো। বিভিন্ন ধৰণৰ সদুপদেশ, সৎপৰামৰ্শ, অকৃত্ৰিম উৎসাহ উদ্দীপনা আৰু সৎ আদৰ্শেৰে মোৰ প্ৰতিটো পদক্ষেপতেই আগবঢ়াই দিয়া ভাবে আলোচনী বিভাগৰ ভাৰপ্ৰাপ্ত অধ্যাপক ঘনশ্যাম ভৰালী দেৱলৈ মোৰ কৃতজ্ঞতাৰ শৰাই আগবঢ়ালো আৰু সম্পাদনা সমিতিৰ প্ৰত্যেক জন সক্ৰিয় সদস্যৰ ওচৰত মই ব্যক্তিগত ভাবে চিৰকৃতজ্ঞ হৈ থাকিম।

★ তেওঁলোকৰ ওচৰত মই চিৰঋণী —

আঃ হক (প্ৰাঃ সাঃ স) খোৰশেদ আলম [প্ৰাঃ ছাঃ] আবু বাকাৰ ছিদ্দিক, তাজুদ্দিন, কাজী, ৰহিম, আৰশাদ, খালেক, ছবুৰ, সামেজ, সাজেদ, চেনেহীৰ বান্ধৱী ৰৌশনাৰা, হাফিজা, ছাহেৰা, মমতাজ, ৰিক্তা, সাহেদা, ৰেজিয়া, অমেলা, আঞ্জু, মালেকা, আনোৱাৰা, মাহমুদা, আছেয়া, আৰু ভনটী—ফৰিদালৈ মোৰ আন্তৰিক মৰম, চেনেহ শুভেচ্ছা জ্ঞাপন কৰিলোঁ। এখেত সকলৰ সাহায্য আৰু উপদেশৰ বাবে মই ব্যক্তিগত ভাবে চিৰঋণী।

★ ভুল ত্ৰুটিৰ বাবে ক্ষমা প্ৰাৰ্থনা—

সদৌ শেষত সুদূৰ বৰপেটা পশ্চিম অঞ্চলত অৱস্থিত একেবাৰে পিছপৰা এই অঞ্চলৰ উচ্চ শিক্ষাৰ প্ৰাণ কেন্দ্ৰ স্বৰূপ এই মহাবিদ্যালয় স্থাপন কাৰী মহান ব্যক্তি সকললৈ মোৰ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰি, বিভিন্ন অঞ্চলৰ পৰা অহা সকলো ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱীকে জ্যোতিৰ জ্যোতি আৰু বাভাৰ আভাক জ্যোতিষ্মান কৰাৰ আদৰ্শৰে অনুপ্ৰাণিত হবলৈ আহ্বান জনাই মোৰ কাৰ্য্যকালত অজানিতে কৰি অহা ভুল-ত্ৰুটিৰ বাবে আটাইৰে ওচৰত ক্ষমা বিচাৰি মই মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

জয়তু নৱজ্যোতি মহাবিদ্যালয় ছাত্ৰ একতা সভা।

জয়তু নৱজ্যোতি মহাবিদ্যালয়।

বোস্তম আলী আহমেদ
সম্পাদক, আলোচনী বিভাগ।

বিঃ দ্ৰঃ— যি সকলৰ লিখনী এই সংখ্যা আলোচনীত ঠাইৰ অভাৱত প্ৰকাশ কৰিব পৰা নগ'ল সেই সকলৰ ওচৰত কৰযোৰে ক্ষমা প্ৰাৰ্থনা মাগিছোঁ। [—সম্পাদক]



# "মহাবিদ্যালয় সপ্তাহ"

পাশ্বজ্যোতি

যোৱা ইংৰাজী (১৯৮৩—৮৪ চন) ১৫ তাৰিখ ৰবিবাৰৰ পৰা বেচ উলাহ-উদ্দীপনাৰে আমাৰ মহাবিদ্যালয়ৰ চতুৰ্দশ বাৰ্ষিকী মহাবিদ্যালয় সপ্তাহ পালন কৰা হয়। এই বছৰেকীয়া উৎসাহ কিমান বেচি তীব্ৰ আছিল তাৰ উদাহৰণ তলৰ কলমৰ পৰা জানিব পৰা যাব।

১। আমাৰ এজন আঁতৰত থকা শিক্ষাগুৰুৱে মহাবিদ্যালয় সপ্তাহ আৰম্ভ হোৱাৰ দ্বিতীয় দিনৰ পৰাই কিছুদিনৰ বাবে নিজা ঘৰৰ পৰা আঁতৰি কলেজৰ ওচৰে পাজৰেই বাহৰ পাতি থাকিবলৈ লয়। তৃতীয় দিনৰ পৰা অন্য এজন শিক্ষাগুৰুৱেও তাকে কৰিলে। চতুৰ্থ দিনৰ পৰা অন্য এজন শিক্ষাগুৰুৱেও উৎসাহেৰে কলগাছিয়াতে বাহৰ পাতি মহাবিদ্যালয় সপ্তাহৰ উৎসাহ উদ্দীপনাত যোগ দিয়ে।

২। সপ্তাহটোৰ আটাইতকৈ সুখী মানুহ জন আছিল কলেজ কেণ্টিনৰ মালিকজন। দিনে ৰাতিয়ে মালিকৰ ব্যস্ততাৰ সীমা নাছিল। বেচ বিক্ৰী বাৰ্তা চলিছিল। পিছে মালিকজনে বোধহয় বাকীৰ বাবেও নতুন বহীৰ ব্যৱস্থা কৰি লব লগা হৈছিল।

৩। মহাবিদ্যালয় সপ্তাহ চলি থাকোতেই এদিন কলেজৰ আগেদি যোৱা বাছ এখনৰ পৰিচালকে মুকলি পথাৰত (কলেজৰ) ভগা মঞ্চৰ খুটা কেইটা দেখি কৈ উঠিছিল— "কথা কি? Stage ভাগি গ'ল College week শেষ হোৱাই নাই।" বতৰৰ কথা বোধহয় তেওঁ পাহৰি পেলাইছিল কথাষাৰ কওঁতে।

৪। কলেজৰ অধ্যক্ষদেৱে নিজৰ ব্যস্ততাৰ মাজতো খেলা ধূলা, সংগীত প্ৰতিযোগিতা আদি উপভোগ কৰি ছাত্ৰ-ছাত্ৰীক উৎসাহ যোগাবলৈ এৰা নাছিল। আনকি এবাৰ বেড মিণ্টন খেল চাই থাকোতেও "অফিচিয়েল লেটাৰ" এখনৰো শ্ৰুতলিপি দি থকা দেখা গৈছিল। এনেদৰে নিজা দায়িত্ব পালনৰ লগে লগে প্ৰতিযোগিসকলকো উৎসাহ যোগাই গৈছিল।

৫। এদিন সন্ধ্যা নাট প্ৰতিযোগিতাৰ বিচাৰক আছিল অথচ নাটৰ প্ৰতিযোগী দল সমূহৰ কোনো নাছিল।

৬। ছাত্ৰ-জিৰণী কোঠাৰ সম্পাদকজনে মহাবিদ্যালয় সপ্তাহৰ মাজত প্ৰকৃততে একে দায়িত্ব পালন কৰিব লগা হোৱা নাছিল। এবাৰ সেই সম্পাদিকজনে ছাত্ৰ জিৰণী কোঠাৰ বাবে প্ৰয়োজনীয় বস্তু সমূহৰ তালিকা এখন লৈ সেই বিভাগৰ তত্ত্বাৱধায়ক শিক্ষকজনৰ সতে আলোচনা কৰি থকাহে দেখা গৈছিল।

৭। সংগীত প্ৰতিযোগিতাত এজন প্ৰতিযোগীয়ে নিজৰ সংগীত পৰিবেশন কৰাৰ আগতে কৈছিল—"মই ভাচলতে গান গাব নাজানো তথাপি গাওঁ।" – মন্তব্য ?

৮। তৰ্ক প্ৰতিযোগিতাত এজন প্ৰতিযোগীয়ে বিষয়বস্তুৰ সপক্ষে আৰু বিপক্ষেই কৈ পেলাইছিল। বোধহয় তেওঁ নিজকে নিৰ্দলীয় বুলি ভাবি লৈছিল।

৯। "মহাবিদ্যালয় সপ্তাহ" উপলক্ষে কেউফালে জ্বলা লাইট আৰী দিয়া হৈছিল যদিও, বেচি কেইদিনেই লাইট বোৰৰ পোহৰ বোলা বস্তুটোৰেই দেখা পোৱা নগৈছিল।

১০। ষ্টেজ, লাইট, চকী, টেবুল, দুৱাৰ, খিৰিকি খোলা-মেলা সকলোখিনিৰ দায়িত্ব কলেজৰ এজন চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰীয়ে অনবৰতে বহন কৰি ফুৰিছিল বিনা প্ৰতিবাদে আনকি সকলো সময়তে মুখত এটা হাঁহি লৈয়ে।

★★★





# কবিতা ★ কবিতা ★ কবিতা বিভাগ

"হে নতুন যুগৰ কবিসকল··· ··· ··· ···তোমালোকে কব লাগিব আমি নতুন যুগৰ পূজাৰী, আমাৰ জল্পনা-কল্পনা ··· ··· ··· ফুলৰ চুপহি আৰু পখিলাৰ পাতত সীমাবদ্ধ নহয়। আমাৰ কবিতাৰ ভেটি জনগণৰ নিবিড়তম ভাব অনুভূতিৰ ওপৰত প্ৰতিষ্ঠিত। আমাৰ কবিতাৰ সেয়েহে পৰিধি নাই, অসীম অনন্ত এই যাত্ৰা। চিৰ প্ৰবাহমান জনজীৱনৰ সতে, ই উজাই গৈ থাকিব আগলৈ আৰু আগলৈ।


— হৰি বৰকাকতি

★★★★

# ঃ বন্দনা ঃ

মিচ্ ৰমেলা খাতুন
( ২ য় বাৰ্ষিক ) স্নাতক মহলা ।

হে নৱজ্যোতি মহাবিদ্যালয়
ভাৰতৰ পুব প্ৰান্তৰত জিলিকিছা তুমি এটি উজ্জ্বল ৰত্ন হৈ
তোমাৰ বুকুত জিলিকিছে আজি অলেখ জ্ঞানৰ বন্তি।
নিদ্ৰানাশ বেদনাৰ শলিতাহীনৰ তুমিয়েইতো আশাৰ কৰণি
তুমিয়েতো আশাৰ কৰণি
তুমি মোৰ অসম মাতৃৰ
আলো আলোড়িত ধৰিত্ৰী মাতা
আন্ধাৰ কক্ষৰ লক্ষ্য ভ্ৰষ্ট পথিকৰ
পুত্ৰ বধ বুলি বুকুত সাৱটি
চকুলোৰ টোপাল আঁচলেৰে মচি
দেখুৱাই আছা তুমি আমাক দিগন্ত প্ৰসাৰী উজ্জ্বল বন্তি
দিগন্ত প্ৰসাৰী উজ্জ্বল বন্তি ॥
হে মাতৃ !
শংখ দবাৰ তালে তালে যুৱক-যুৱতী বন্তি উঠক উজলি
অসমী আই হওঁক পোহৰ শান্তিত ।
কৃষ্ণা আঁউসীত হওঁক আজি সুমহান ভবিষ্যত দীপ-দ্বিপাৱলী
সুমহান ভৱিষ্যত দীপ-দ্বিপাৱলী ॥



# জীৱন ঃঃ

মিছ মমতাজ খাতুন
বি, এ, ১ ম বাৰ্ষিক।

মানৱী জীৱন হেনো মানুহ স্বৰূপ
মিছা কোলাহল মাথো ধৰাৰ বুকুত।
এই আছে এই নাই এয়ে তাৰ ৰূপ
কিযে মায়া কি যে তোৰ ভালপোৱা ?
নিস্তব্ধ ৰজনীৰ
অন্ধকাৰ ভেদ কৰি
এটি মাত্র হুমনিয়াহ
গুছি গ'ল সকলোকে পাহৰি।
কিমান তোৰ যে অভিমান,
কিমান যে ভোগ বিলাস
আত্ম অহঙ্কাৰ;
বাৰিষাত উপচি পৰা
নৈৰ কোলাহল,
সিহতো এবাৰ হৈ যায় বিলীন।
হেৰা! হেৰা! হে মানৱ সকল,
ভাবিছা! ভৱা নাই;
ভাবিবৰ সময় আছে জানো ?
সেয়েহে ছন্তালি অহংকাৰ
মিছাই নকৰিবি ক্ষয়।
নাথাকে নৃত্যকাৰ নৰ্ত্তকী সকল
মাত্র এটি বাৰ্ত্তাবাহী দূত
লৈ আছা বাৰ্ত্তা জগতৰ।
আকাশ বতাহে তোৰ গাবহি গান
সেই সুৰ সেই তাল
সেই তোৰ প্ৰাণ।
গগন চুম্বী থকা হিমালয়
তাৰ সেই উচ্চ শিখৰ,
মানৱেই কৰিলে জয়,
ধৰাৰ বুকুত সিও আজি নাই।
দিল্লীৰ বাদছাহ ছাহজাহানে গঢ়িলে
ভূবন বিজয়ী মমতাজ মহল
সিও গুচি গ'ল।
আৰু কোন ?
নেপোলিয়ন ? নাই সিও আজি নাই।
পাৰস্য বীৰ ৰুস্তম সিও গুচি গ'ল!
তেন্তে! কোন গুহাত ?
কি মায়াৰ জালত হৈছা বন্দী
ওহ! তোৰ ইচ্ছা নাইনে বাৰু ?
সেই সকলৰ দৰে
তইও এদিন
লগ এৰি যাবিহি গুচি।





# ॥ জনম ভূমি ॥

আব্দুল হামিদ
পি-ইউ (বিজ্ঞান)
২য় বাৰ্ষিক

লুইত পৰীয়া
আই মোৰ অসমী
অপৰূপা তুমি হোৱা
তোমাৰ চৰণত
ভকতি কৰিছোঁ
হাঁহিবে আকোঁৱালী লোৱা।
লভিলো জনম আইমাতৃ
তোমাৰ বুকু উজলাই,
মহামিলনৰ মহা অমৃত
তোমাৰ বুকুতে পাই —
আমি আগবাঢ়ি যাম —
বিজয়ৰ বীণখনি বাই।
হাজাৰ সাহস বুকুত আমাৰ
মুখত জাতীয় গীত
সেই গীতৰ লহৰে লহৰে
উঠলি উঠিব চিত,
আমি আগবাঢ়ি যাম
বিজয়ৰ বীণখনি বাই।
আই মোক নেপাহৰিবা
পদতলে দিবা ঠাই
চেনেহী আই মোৰ দুখীয়া পজাঁ
আমিয়েই গঢ়িম তোমাক
মুকুতাৰ সজা,
আমি আগবাঢ়ি যাম —
বিজয়ৰ বীণখনি বাই।
তোমাৰ করুণাতে মেলিছো দুচকু
জনমৰ আদিম পুৱাত
যাবগই লাগিব
তোমাৰ বুকুতেই —
জীৱনৰ বিয়লি বেলাত
থাকো যেন আজীৱন
তোমাৰ চৰণ ধৰিয়াই —
আমি আগবাঢ়ি যাম
বিজয়ৰ বীণখনি বাই।
স্বৰ্ণ গহনা আছে তোমাৰ মুখত
দুখ-শোক পাহৰিম চাই
তোমাৰ চৰণত প্ৰণতি কৰিছোঁ
পাওঁ যেন অকণি ঠাই —
আমি আগবাঢ়ি যাম
বিজয়ৰ বীণখনি বাই॥ :★::★:

# কবিতা

## ঃ জান্নাত ঃ

● তাইজুদ্দিন আহমেদ
স্নাতক মহলা ১ম বাৰ্ষিক

তোমাৰেই বুকুত
জীৱন ধৰিছিলো—
আক্ৰান্ত হৈছিলো
প্ৰবৃত্তিৰ ৰোষত—
পৰিণামত—
প্ৰচণ্ড অভিশাপ ।
নিপতিত হলো
বহুত দূৰৈত……… ।
প্ৰশ্ন মোৰ—
আকৌ
আকোৱালি নলবা,
নিদিবা জানো স্থান ?
ত্যাগি সৰ্বদোষ
নেৰিবা জানো অভিমান ?
বিচাৰো সদায়
তোমাৰ বুকুতে—
হ'ম বিলীন,
তুমিয়ে মোৰ
শান্তি নিকেতন ।
(তোমাৰ) মৰমৰ বাঞ্চাতেই—
( মোৰ ) আত্মাৰ আস্ফালন,
সেই বাবেই—
এই অবিৰত সংগ্ৰাম ।
যদি………………
তেন্তে এয়া—
( মোৰ ) কিহৰ অভিযান ? ? ? ●

## !! চেতনা !!

● গামেশ উদ্দিন আহমেদ
পি-ইউ (কলা) ২য় বাৰ্ষিক

এদিন আহিছা দুদিন থাকিবা
এই বিশ্ব জগতত
মায়াৰ জালত পৰি নাথাকিবা
মগ্ন হোৱা ঈশ্বৰৰ কামত ।
মাটিৰ মানুহ মাটিতে যাবাগৈ
ওলটি আহিবা আকৌ
মিছা বুলি অহঙ্কাৰ নকৰিবা
দোষ নিদিবা কাকো ।
যেতিয়া তুমি ঈশ্বৰৰ তালৈ যাবা
কৰিবা বহুতো প্ৰশ্ন,
তেতিয়া তুমি কি উত্তৰ দিবা
মৰিবা যে বিষণ্ণয়ত ।
সময় থাকোতে ঈশ্বৰৰ নাম লোৱা
নৰব কোনো দুখ
দিনে নিশাই সুখত থাকিবা
মনতে কিমান সুখ ।
লোভ মোহ মায়া পাহৰি যোৱা
লোৱা ঈশ্বৰৰ নাম,
তাৰ ফল পৰজনমত পাবা
সফল হব কাম ॥ ●



## ॥ অসীম ॥

★ মঃ আয়ুব খাঁন
পি-ইউ (বিজ্ঞান) দ্বিতীয় বাৰ্ষিক

জ্ঞান অতি উচ্চ বস্তু
হিমালয় সম,
লোভ অতি বেয়া বস্তু
নৰকৰ যম ।
ধৈৰ্য্য অতি সাৰ বস্তু
সংসাৰ হাটত,
জ্ঞান বলে উপাৰ্জ্জিত (অৰ্জ্জাতুমি)
প্ৰয়োজন হাতত ।
পাপ হৈছে এনে বস্তু
অগ্নিৰ সমান,
দহি দহি শেষে ৰয়
ছাই অলপমান ।
অনুতাপ হৈছে নদীৰ দৰে
কৰে খহনীয়া,
নকৈ আকৌ স্থাপন কৰি
কৰে মোহনীয়া ।
এলাহ হৈছে মৰুৰ দৰে
নাই মৰুদ্যান,
সুন্দৰ জীৱন পঙ্গু কৰে
যেন নিছা পান ।
ক্ৰন্দন অতি বেয়া বস্তু
আয়ুস কৰে নাশ,
ক্ৰোধ হৈছে তাতো মাৰাত্মক
কৰে সৰ্ব্বনাশ ।
অহংকাৰ পতনৰ মূল উপাদান
আগ্নেয়গিৰিত স্থান,
চুৰি কাৰ্য ঘৃণাযোগ্য
আত্মহত্যা মান ।
ক্ষমা এটি এনে বস্তু
কল্পতৰু সম,
যোগ্য জনে পাব পাৰে
বিধিৰ নিয়ম । ※::※

## এটি সামান্য তুলিকাৰ আশা


● গিয়াস উদ্দিন আহমেদ
পি, ইউ, দ্বিতীয় বাৰ্ষিক (কলা)

ভাবিছো মনত জ্ঞান বিকাশৰে পৰা
আঁকিম ফুলৰ ছবি জেউতিৰে ভৰা ।
যিটো ফুলৰ সৌৰভত মুগ্ধ হৈ অতি
আগবাঢ়ি আহিব নিৰোৎসাহী জাতি ।
সেই আশাতে, কিমান যে ঘূৰিছোঁ পথ
চহৰত বাট-ঘাট আৰু নিৰ্জ্জনত ।
বিচাৰি নেপাওঁ কতো তুলিকাৰ ৰং
কেনেকৈ আঁকিম হায় ! সেই ফুলথুপি ?
ধুনীয়া তুলিকা আছে ৰং নাই য'ত
দুধাৰী চকুলো ৰঙৰ বিনিময়ত ।
ৰং বিচাৰিয়েই বেলি যাবৰ হ'ল,
হৃদয়ৰ আশা মোৰ আশা হৈয়ে ৰ'ল ।
যদিও হৈছে বেলি আছে অলপ আৰু
সহায় প্ৰভু ! ফুল আঁকিব যেন পাৰোঁ ।



# ॥ স্বদেশ প্ৰেম ॥

আব্দুল জুকাব
পি-ইউ, ( কলা ) ২য় বাৰ্ষিক



স্বাধীন দেশৰ শিশু বীৰ আমি
স্বাধীন আমাৰ মন,
আত্মবলিদানে ৰাখিম আমি
নিজৰ দেশৰ মান।
লক্ষ্য আমাৰ আকাশ লংঘা
উন্নত আমাৰ শিৰ,
বাহুত আমাৰ অসীম শকতি
কৰ্মত হম বীৰ।
অজ্ঞান এন্ধাৰ আঁতৰাম আমি
জ্বলাই জ্ঞানৰ বন্তি,
দীন দৰিদ্ৰৰ দুখ দূৰ কৰি
স্থাপিম দেশৰ শান্তি।
ন্যায়ৰ পথত কদাপি নকৰোঁ
চলোতে কালৈকো ভয়,
চৰিত্ৰ বলেৰে অসীম সাহসেৰে
জগত কৰিম জয়।
ধৈৰ্যই আমাৰ ৰক্ষা কৱচ
সত্যই আমাৰ বল,
বিবেক আমাৰ পথ পৰিদৰ্শক
লভিম লক্ষ্য স্থল।
মানুহৰ সেৱাই ধৰ্ম আমাৰ
কৰ্মই আমাৰ ধ্যান,
প্ৰাণ পণ কৰি ৰাখিম নিশ্চয়
জনম ভূমিৰ মান।





# প্ৰিয়তমা

★ ৰোস্তম আলী আহ্‌মেদ
স্নাতক ২য় মহলা (সন্মান)

কোন দূৰত প্ৰিয়তমা
আছা সপোন ৰচি,
আশাৰ সপোন মোৰ
কৰা পূৰ্ণ কৰা দূৰ
তোমাৰ আশাত মই
বাগিছাত আছোঁ ৰই
কিন্তু ক'ত তুমি আছা
নিদিবানে মোক দেখা ?

তুমি অবিহনে প্ৰাণত মোৰ
আশাৰ সোণোৱালী ৰেখা,
যাব ধৰিছে মাৰ
সচাঁনে প্ৰিয়তমা তোমাৰ লগত,
মোৰ চিনাকি (জীৱনৰ) আদিম পুৱাৰ ?
পুৱাৰ হেঙুলীয়া ৰহন,
দেখা যায় হিৰণ-জিৰণ
তুমিয়েই আশাৰ প্ৰদীপ
তুমিয়েই জোনাক সন্ধিয়াৰ
সপ্ত দীপ পাৰ হৈ
দেখা দিবা নিতৌ সন্ধিয়াত।

যেতিয়া গগন দেখা দিয়ে
সূৰুয অগনি বৰণৰ;
তেতিয়াই মনত পৰে
অকল শৰীয়া জীৱনৰ।
গুছাবানে প্ৰিয়তমা
অন্তৰৰ অনন্ত বেদনা ?
ভাৱিব পৰা তুমি
অলৰ অচৰ এই জীৱন
নাজানানে আনৰ দাস আমি
যেতিয়াই আদেশ হব,
দিন বেলি মাৰ যাব,
খন্তেকীয়া মিলন হেতু
ভাবিছোঁ সাৰ্থক জীৱন
নহলে যে পূৰ নহব,
মোৰ আশাৰ সপোন।

## সময়ৰ গতি

মিচ্ হামিদা খাতুন
১ম বাৰ্ষিক-পি, ইউ ( কলা )

★ এদিন দুদিন কৰি দিন যায়
ইপিনে সিপিনে ঘূৰোতেই;
অতীত গুজৰি যায় নেপাই ঘূৰাই দুনাই
অমূল্য মানৱ জীৱনত।
কাৰোবাৰ সুকৰ্মত কাৰোবাৰ কুকৰ্মত
এনেদৰে দিনবোৰ যায়;
কোনোৱে কৰিছে যুঁজ কোনোৱে পাতিছে ঘোৰ
কোনোৱে ৰাখিছে ধৰ্ম বজায়।
ভৱসাগৰৰ মাজে কোনে কত মায়া সাজে
কোনে কাক আছে বাট চাই;
প্ৰিয়াৰ মুখলৈ চাই সময় নাওঁ বাই
হাঁহিটি মাৰিছে কোনোবাই।
সিন্ধুত নামিছে কোনো শৃঙ্গত উঠিছে কোনো
সহস্ৰ খেলি আছে ভূমিত;
কতজনে নানা শোকে কিমানে বিলৰ হকে
কোটি জনে পৰিছে মৃত্যুত।
কঠিন কৰ্মত পৰি জীৱন দিওঁ এৰি
কেতিয়া মই কলৈ যাও
সুখ-দুখ ক্ৰোধ মনে সময় পেলাও প্ৰাণে
একো মই গমকে নেপাও।
ধৰ্ম কৰ্ম অন্তত পূৰ্ব্ব জীৱন স্তৰত
যাবলৈ কৰো হাবিলাস
নিয়তিৰ কলমেৰে যিবোৰ লিখিছে মোৰ
সিবোৰে কৰিছে আজি বাস।
কতজন বৃদ্ধলোকে ল'ৰালি কালৰ হকে
কতবাৰ কান্দিছে বিনাই
দুৰ্ব্বল বুকুত মধুৰ প্ৰবল ধুমুহা বলে
গাব বুলি প্ৰাণৰ আশাত।
সময়ক ব্যৰ্থ কৰি ইপথে সিপথে ঘূৰি
সময় কৰিলো বহুত ওৰ
নিমিলিল কোনো দিনে অতীত জীৱনবোৰ
সাৰ্থক নহব প্ৰাণ মোৰ।



## মৰহা অতীত

খন্দকাৰ মিচ্ জুবেদা।
পি-ইউ, ( কলা ) ১ম বাৰ্ষিক

★ এয়া, জীৱন্ত চেতনাত
মই শুই আছোঁ ... ...
সোণময়ী অতীতে মোক
ৰিঙিয়াইছে স্বপ্নালু আবেশেৰে ... ...
পথাৰৰ ধূলিত মোৰ ল'ৰালিৰ গোন্ধ
সেউজী ফাৰ্ণগছৰ আঁৰত
তোমাৰ ছাঁ।
মধুময় ফুলনিত তুমি ভোমোৰাৰ
গুঞ্জন আৰু
উজাগৰী নিশাৰ
সুখ-দুখ বেদনাৰে মিশ্ৰিত দিবা স্বপ্নবোৰে
এটোপাল নিয়ৰৰ দৰে গতি পৰে
মোৰ অজানিতে
হৃদয়ত বাজি থকা চেতাৰৰ
পঞ্চম ৰাগিনী আজি স্তব্ধ,
বেদনাৰ বোজাক প্ৰশান্ত সমান
সাহসেৰে ঠেলি তুমি দিছিলা
সুখৰ কণ্ঠমালা
আৰু আজি সেই মালাৰ তাঁৰ ছিঙি
অতীত হে যোৱা মাথো
ৰিঙিয়াই থাকা... ...
ৰিঙিয়াই থাকা
মৰহা ফুল আৰু নুমাই যোৱা
এটি ধূপকাঠি হৈ ... ... ।

( প্ৰাচীৰ পত্ৰিকা 'কণ্ঠস্বৰ'ত প্ৰকাশিত )

# ★ উপলব্ধি

আব্দুল কালাম আজাদ
বিজ্ঞান শাখা
পি, ইউ, দ্বিতীয় বাৰ্ষিক

মোৰ অনুভূতি জুইত পুৰি
ধোৱাঁহে দিকবলয়ত লীন হ'ল।
ছাই হৈ মাটি হয়;
আবেগ মোৰ বৰফ হৈ গলে,
জুবিৰ সোঁতত বৈ যায়।
বিন্দুচিন্তা মোৰ শূণ্যৰ পৰিধিত ঘূৰে।
অসম্পূৰ্ণ কল্পনাৰে অসীম সীমাৰেখাই
কুণ্ডলী সাজে জীৱন চাকনৈয়াৰ;
সচাঁ বাস্তৱতাক আপ্ৰাণ চেষ্টাৰে
মৃত্যুৰ মুখলৈ মই ঠেলি দিলো
বেদনাক্লিষ্ট মনে নীৰৱে উচুপে
অন্তৰৰ গুপুত কোণত;
ডাৱৰ উচ্ছল তৰঙ্গ মিলিযায়
সাগৰৰ দুৰ্জেয় লহৰত।
বাকৰুদ্ধ ব্যথিত মোৰ প্ৰাণে
চলায় সমাগত দিনৰ প্ৰস্তুতি;
জীয়াই থকাৰ দুৰ্ব্বাৰ হেপাহেৰে?



# তুমি কবি

★ আব্দুল মাজেদ আহমেদ।
পি-ইউ (কলা) ১ম বাৰ্ষিক।

সেউজী ধৰাত গগনে গগনে
জীৱনৰ পলে পলে কবি তুমি,
বহাগী পেপাঁটি বজাই ফুৰিছিলা
তোমাৰ আপোন ৰূপ পাহৰি।
উৰি ফুৰিছিল হালধী বেশেৰে
নাচনী-মৰমী মইনা কেতেকী;
ধৰিছিল ভূৱন-ভুলোৱা সুৰেৰে
যেন তুমিও ধৰিছা ই সুৰ।

পাহাৰে পৰ্বতে আগুৰি ধৰিছে
শস্য-শ্যামলা ই মাতৃৰ কোলাত;
নৈ-জান, জুৰিয়ে কুলু-কুলু সুৰেৰে
মৰম যাচিছে কবি তোমাক।
"কবি তুমি" সকলোৰে মৰমৰ
ৰচিছিলা তুমি গীত ন-কবিতা;
গাঁথিছিলা মালা তগৰ শেৱালীৰ
মৰমৰ ই অতি আদৰৰ।

সন্ধিয়াত ৰূপালী জোনাক চাই
মিছা মায়াৰ পুতুল দেখুৱাই;
নতুন কোমল হৃদয়ৰ কোণত
কেঁচা তেজেৰে ছবি আকিছিলা।
তুমি কাল্পনিক তুমি চিত্ৰকাৰ
তুমি নব-জীৱনৰ বহুৰূপী;
তুমি হোৱা অন্তৰৰ কুৎসিৎ নিৰ্মম
আশাবাদী জীৱন জগতৰ।

কবি তুমি হোৱা লতা, তৰু-তৃণ
তুমি বালি-মাটিৰ তপত মৰু;
তুমি আকাশ, পাতাল, বসুন্ধৰা
তুমি চন্দ্ৰ, সূৰ্য, গ্ৰহ তৰা।

তুমি নৰ্ত্তকী তুমি মায়া পূজাৰী
কবি তুমি পুণ্যৰ বাহক হোৱা;
বাস্তৱ জীৱনৰ সুন্দৰ ৰহস্য
পূৰ্ণাঙ্গ জীৱন তুমি পোৱা।

[ কলেজ সপ্তাহত "কবিতা প্ৰতিযোগিতাত" পুৰস্কাৰ প্ৰাপ্ত আৰু প্ৰাচীৰ পত্ৰিকা "কণ্ঠস্বৰত" প্ৰকাশিত ]

"মানৱৰ অন্তৰত থাপি মানৱক
নিৰীহৰ ওপৰত কৰি অনাচাৰ,
ভাষা কিয়, পাওঁ যদি ইন্দ্ৰিত্ব ইন্দ্ৰৰ
নাই তাত সুখ-শান্তি গৌৰৱ আমাৰ।"

— গীতিকাৰ ৺মিত্ৰদেৱ মহন্ত।



# অতিথি

★ ছায়েদুৰ ৰহমান।
পি-ইউ ( কলা ) ২ য় বাৰ্ষিক।

দেখিও নেদেখা কিয়হে পৃথিবী
বিচাৰিছোঁ তোমাৰ পজাঁৰ ঠাই অকনি,
বুজিও নুবুজা কিয়হে পূজাৰী
কেনি যাওঁ নিজান এন্ধাৰ ৰাতি।

যিফালে চাওঁ মাথো দেখা পাওঁ
নিতাল নিস্তব্ধত মোৰেহে গতি,
দূৰণীৰ পৰাই চকুত পৰিল হায়,
জল জল কৰিছে অকনি উজ্জ্বল চাকি।
উপজিল ৰিক্ত হৃদয়ত নতুন আশা,
বান্ধিলো মনৰ মাজত অসংখ্য ভাষা।
ভাবিলো এই অসহায় অতিথিক বিধাতাই
মিলাব নিশ্চয় অকনি আশ্ৰয়ৰ ঠাই।
ভাবিলো সীমাহীন কষ্টৰ ফলত,
আশ্ৰয় পাম কাৰোবাৰ মৰমী কোলাত।
ভাবি ভাবি পালোহি তোমাৰ পজাঁ;
দিয়াহে অকনি ঠাই তোমাৰ কাষত
ৰাতিটোৰ শেষতেই পামগৈ নিজৰ ঘৰত
কিয়হে গৃহিণী কৰিছা মিছা গৌৰৱ
অস্থায়ী পজাঁৰ দুদিনীয়া আনন্দৰ মোহত।
কাৰো কৰিছোঁ দিয়াহে অকনি ঠাই
বিশ্ৰামত শান্তি লওঁ ৰাতিটো কটাই।
ভাবিছানে তোমাৰ সুন্দৰ পঁজাই,
আজীৱন ৰহন সানি ৰাখিবা সজাই।
ভাবিছা পঁজাৰ জল-থল পোহৰে
চিৰদিন থাকিব জেউতি চৰাই।
ভাবিছা পজাঁৰ সৌন্দৰ্যত মুগ্ধ হ'ই

আশ্ৰয় বিচাৰি আহিব বহু বাটৰুৱাই।
মিছা ভাৱনা ভাবিছা কিয়হে সোণাই
দুদিনীয়া বিশ্বৰ অকনো ভৰষা নাই।
দিয়াহে নিৰাশ্ৰয় অতিথিক অকনি ঠাই
সকলো কালৰ সোঁতত নিৰৱে উটুৱাই।
খন্তেকীয়া মোহত যিমানেই নিদিয়া বহণ
মিছাতেই ভাবি আছা মাথো অনৰ্থক ভাৱনা।
চোৱাহে পূজাৰী এবাৰ চকু মেলি
নিৰুপায় পথিকে মাগিছে ঠাই প্ৰধানি।
কৰাহে দয়া সকলো বিদ্বেষ গুচাই
নহলে যে জীয়াই থকাৰ কোনো উপায় নাই।

—★★—





# গল্প আৰু প্ৰবন্ধৰ শিতান

NABAJYOTI COLLEGE
KALGACHIA
ESTD 1971
LEARN, LABOUR & SERVE

● দৃষ্টি-ভঙ্গী ●

আজিৰ যিটো পুৰস্কাৰ, সেইটো কাইলৈ পৰিণত হ'ব পাৰে নিন্দাত। সন্মান আৰু অসন্মানৰ বৰণ সলনি হয়, বৰণ সলনি নহয় কেৱল নিজৰ ৰক্তৰ। সৃষ্টিশীল লেখক জনপ্ৰিয় হ'বলৈ গ'লে, তাৰ ভীষণ পৰিণামৰ বিষয়েও তেওঁ সতৰ্ক হৈ থাকিব লাগিব।

( অমৃতা প্ৰীতম )

# নৱজ্যোতি মহাবিদ্যালয় আলোচনী

কথা কৱিতা,

# ঃঃ সাহস ঃঃ

● আব্দুল খালেক আহমেদ
প্ৰাক্‌বিশ্ববিদ্যালয় ২য় বাৰ্ষিক (ক'লা)

যুদ্ধ ক্ষেত্ৰত নিচেই সামান্য বস্তুৰ সহায়েও জয়ৰ বাট সুচল কৰি দিয়ে। আৰু মানৱ জাতিৰ অনাগত ভৱিষ্যত উজ্জ্বল কৰি দিয়ে।

মই এজন জীৱন যুজাৰু কিন্তু জীৱন যুজত অকৃতকাৰ্য্য হৈ পৰাজয় গ্লানি লৈ আশাহত অন্তৰত ঘৰতে মন মাৰি বহি আছো। এটা অবুজ বেদনাই মোৰ গোটেই হৃদয় খনক আৱৰি ধৰিছে। কি কৰিম! কিঁ নকৰিম! একো থিৰাং কৰিব পৰা নাই। কেৱল আকাশ পাতাল ভাবি আছো। হঠাৎ 'ভাৱে' আহি মোক কলে— "চিন্তা কৰি লাভ নাই, যুজৰ সাজেৰে আকৌ ওলোৱা।" ভাৱৰ কথাত মোৰ সম্বিত ফিৰি আহিল। বহাৰ পৰা উঠি মই অস্ত্ৰ-শস্ত্ৰ আৰু 'কবজ' আদি লৈ তৎক্ষণাত যুদ্ধ ক্ষেত্ৰলৈ বুলি খোজ ললো।

যুদ্ধ ক্ষেত্ৰৰ পদূলিমুখ পাইয়ে দেখিলো এজন হৃষ্ট-পুষ্ট সুস্থ সৱল ডেকাই দুৱাৰৰ হুক বন্ধ কৰি দুৱাৰৰ সন্মুখত থিয় হৈ আছে। ডেকাজন মোৰ পূৰ্ব্ব পৰিচিত; নাম 'হতাশ'। সৌ সৰু কালৰে পৰা তেওঁ মোৰ পৰম শত্ৰু। সৰু কালত কৰিবলৈ ওলোৱা মোৰ সকলো কামতে সি বাধা দিছিল। কিন্তু ব্যাৰ্থ হৈছিল। কাৰণ তেতিয়া তাৰ শক্তি মোৰ শক্তিৰ তুলনাত নিচেই সামান্য আছিল।

লাহে লাহে মই তাৰ কাষ চাপি গলো আৰু চকু ৰঙা কৰি কলো—" দুৱাৰ এৰি দে, মই ভিতৰত প্ৰবেশ কৰিম।"

তেওঁ ক'লে—" নাই কোনো লাভ নাই, তুমি আকৌ পৰাজয় হ'বাঃ গতিকে তুমি উভতি যোৱা।"

তাৰ কথাত মোৰ খঙৰ আৱধি নোহোৱা হ'ল। সৌ সৰু কালৰ দৰে আজিয়ো সি মোৰ কামত বাধা দিব? মই ভীষণ খঙেৰে ক'লো—" দুৱাৰ এৰি দে, নহলে বিপদ হব।"

সি মোৰ ফালে চাই এটা তাচ্ছিল্যৰ হাঁহি মাৰি ক'লে—" তোমাৰ খং দেখি মই ভয় নকৰো, তুমি আৰু মোৰ লগত নোৱাৰা।"

ভীষণ গৰ্জন কৰি মই তাক আক্ৰমণ কৰিলো। সিয়ো প্ৰতি আক্ৰমণ কৰিলে মোক। দুয়ো দুয়োকে বগৰাই দিলো। কিন্তু শেষত মোৰেই পৰাজয় হ'ল। মোৰ পৰাজয় হোৱা দেখি দুৱাৰৰ আৰৰ পৰা আৰু

এজন ডেকা ওলাই আহি মোৰ কালে কেৰাহিকৈ চালে আৰু ইতিকিংৰ সুৰত ক'লে— " কিহে বন্ধু ! আজি নোৱাৰিলা দেখোন । "

ডেকাজন ' হতাশৰ ' নলে গলে লগা বন্ধুঃ নাম ' নিৰাশ '

সকলো তিৰস্কাৰ সকলো ইতিকিং নিৰৱে সহ্য কৰি বিফল মনোৰথ হৈ ঘৰলৈ বুলি উভতি খোজ ললো । কিন্তু অলপ দূৰ যোৱাৰ পিছত আগৰ ' ভাবে ' মোক ক'লে—"পৰাজয় হল যেতিয়া এই কলংকিত মুখ আৰু কাক দেখুৱাবি ? তই জীয়াই থাকি লাভ নাই, আত্মহত্যা কৰ । "

' ভাৱ'ৰ কথামতেই মই পুনৰ সৈন্য-বাহিনীত সোমাবলৈ থিৰাং কৰিছিলো আৰু এতিয়া সেই ' ভাৱ'ৰ কথাকেই সাৰোগত কৰি আত্মহত্যাকে মোৰ জীৱনৰ শেষ অৱলম্বন বুলি ভাবি ব্ৰহ্মপুত্ৰৰ পাৰলৈ গতি সলালো ।

মই বেজাৰ মনেৰে তললৈ মূৰ কৰি অকলে অকলে আলিবাটেদি গৈ আছো । এটা গভীৰ দুখৰ আশংকাই মোৰ হৃদয় মন আৱৰি ধৰিছে । বিফলতাত মোৰ দেহাক্লান্ত শ্ৰান্ত আৰু কেনিও চাবৰ মন যোৱা নাই । এনেদৰে গৈ থকা অৱস্থাত কোনোবাই মোৰ হৃদয় স্পৰ্শ কৰা যেন অনুমান হ'ল । মই মূৰ তুলি চালো; দেখিলো মোৰ সন্মুখত এজন সু-স্বাস্থ্যৱান, সুস্থ সবল ডেকাই মোক আগভেটি থিয় হৈ আছে । মই তেওঁৰ পিনে চাই শুধিলো—" আপুনি কোন ? কিয় মোক আগভেটা দিছে ? মোৰ সময় নাই, মোক যাবলৈ দিয়ক । "

তেওঁ ক'লে—" মোৰ পৰিচয় পিছতো লব পাৰিবা, আগতে কোৱা তোমাৰ কি হৈছে ? তুমি ক'লৈ আৰু কিয় গৈ আছা ? "

নাই, মোৰ কি হৈছে তাৰ আপুনি তত্ ধৰিব নোৱাৰিব, আৰু পাৰিলেই বা কি কৰিব ! " মই ক'লো ।

" যিমান দূৰ সম্ভৱ তোমাৰ কাৰ্য্যত সহায় কৰিম; কোৱা তোমাৰ কি হৈছে ? " তেওঁ ক'লে ।

" নাই নাই মোৰ কাৰ্য্যত আপুনি সহায় কৰিব নোৱাৰিব, বাদ দিয়ক সেইবোৰ বাজে কথা, মোক যাবলৈ দিয়ক । " অলপ খঙেৰেই মই ক'লো ।

" তুমি কবষ্ট লাগিব, নহলে বাট এৰি নিদিও " বুলি কৈ তেওঁ দৃঢ় সংকল্প বদ্ধ হ'ল । মই ভাৱিলো তেওঁক সকলো কথা বিৱৰি কোৱাৰ বাহিৰে আৰু বিকল্প উপায় নাই । গতিকে প্ৰথমৰ পৰা শেষলৈ সকলো কথা তেওঁৰ ওচৰত বিৱৰি ক'লো । অলপ পৰ ৰৈ তেওঁ মোক আকৌ সুধিলে—" তুমি যাবলৈ আহিছিলা ক'লৈ ? " মই ক'লো —"মৰিবলৈ" ।

গভীৰ সুৰত তেওঁৰ মুখৰ পৰা উচ্ছাৰিত হ'ল " মূৰ্খ " । জগতৰ প্ৰত্যেকজন বিফল মনোৰথী সৈনিকে শুনিবলৈ পালে তেওঁৰ সেই গাম্ভীৰ্য্যপূৰ্ণ কণ্ঠস্বৰ ।

অলপ সময় নিৰৱ । মই বুজি পালো তেওঁ যেন কিবা-কিবি চিন্তা কৰি আছে । তাৰ পিছত তেওঁ আকৌ প্ৰশ্ন কৰিলে— " তোমাক মৰিবলৈ দিহা দিছিল কোনে ? " ভাৱে "

" তেওঁ আৰু ডাঙৰ মূৰ্খ " ।



এইবাৰ মই প্ৰতিবাদ কৰি ক'লো— " নহয় তেওঁ মূৰ্খ নহয়; কাৰণ প্ৰথমে তেওঁ মোক সৈনিক হবলৈ পৰামৰ্শ দিছিল । " ' শুনা তেন্তে 'ভাব' সদায় মানুহৰ অৱস্থাৰ লগত থাকে আৰু অৱস্থা বুজি মানুহক, ইটো সিটো কৰিবলৈ পৰামৰ্শ দিয়ে কিন্তু তাৰ পৰামৰ্শ ভুলনে শুদ্ধ সেইটো বিচাৰ কৰাৰ শক্তি তাৰ নাই । গতিকে 'ভাৱ'ৰ পৰামৰ্শ মতে সকলো সময়ত চলা উচিত নহয় । "

এজন বিজ্ঞ পণ্ডিতৰ দৰে তেওঁ কৈ গ'ল । মই ভয়ে ভয়ে তাক সুধিলো—" আপুনি কোন ? আপোনাক যে চিনিব পৰা নাই । " " পিছতো চিনিব পাৰিবা, ব'লা এতিয়া । ' ' কলৈ ? ' " তুমি এৰি অহা সেই যুদ্ধক্ষেত্ৰৰ সিংহদ্বাৰলৈ " । নাই-নাই মোৰ ভয় লাগে··· সিহঁতক চাই মোৰ বিৰাট ভয় লাগে । ' ' মই থাকোতে তোমাৰ কোনো ভয় নাই, আহা মোৰ পিছে পিছে ' " সিহঁত দুজন; আপুনি অকলে সিহঁতৰ লগত নোৱাৰিব । " " তোমাৰ সৈতে আমিও দুজন, আহা বুলি কৈছো মোৰ পিছে পিছে, আহি থাকা তৰ্ক নকৰিবা । "

মই আৰু দ্বিৰুক্তি নকৰি সভয়ে তেওঁৰ পিছে পিছে গৈ থাকিলো ।

অলপ পৰ যোৱাৰ পাছত আমাৰ চকুত পৰিল মধ্যাহ্ন ৰদত চিকমিকাই থকা যুদ্ধ-ক্ষেত্ৰৰ ৰূপালী ৰঙৰ গেট খন । চাওঁতে চাওঁতে আমি গৈ পদূলিমুখ পালোহি ।

এইবাৰ আমাক দুজনক দেখি হতাশে ভয়তে দুৰু দুৰুকৈ কপিব ধৰিছে । তেওঁৰ মুখত অকণমানি অকণমানি ঘামৰ টোপালে ভুমুকি মাৰিলে । মোৰ লগত থকা বাহু-বলী বীৰজনে লাহে লাহে হতাশৰ কাষ চাপিল আৰু গম্ভীৰ সুৰত ক'লে—" দুৱাৰ এৰি দিয়া আমি ভিতৰত প্ৰবেশ কৰিম । "

" নাই, ভিতৰত প্ৰবেশ কৰিব নালাগে, আমি দুৱাৰ এৰি নিদিও; য'ৰ মানুহ তলৈ গুচি যোৱা । "

' হতাশ'ৰ কথা শেষ নৌহওতেই এটি বিকট চিঞৰ মাৰি বলিষ্ঠ ডেকাজনে তেওঁক আক্ৰমণ কৰিলে । এই ভয়ঙ্কৰ দৃশ্য দেখি ' নিৰাশা'ই ভয়তে দূৰৰ পৰাই পলাই গল । ইতিমধ্যে মহাবীৰ জনে ' হতাশ 'ক ডিঙিত চেপি মাৰি পেলালে আৰু ভৰিৰে গছকি হতাশাৰ সিংহ দুৱাৰ ভাঙি পেলালে । তাৰ পিছত মহাবলী বীৰজনে মোৰ হাতত ধৰি পোনছাটেই ভিতৰত সোমাই পৰিল । সোমাই পেলাই দেখিবলৈ পালো, মোৰ দৰে বহুতো বন্ধুৱে যুদ্ধৰ প্ৰশিক্ষণ লৈ আছে, তেওঁলোকৰ আগৰ অৱস্থাৰ পুনৰাবৃত্তি কৰি আছে । বহুতো সহৃদয় সেনানায়কে যুদ্ধ বিদ্যা শিকাই আছে । ন যুঁজাৰু সকলৰ মাজত বহুতো সৈনিক আছে যি সকলে প্ৰথমে মোৰ দৰে জীৱন যুজত পৰাজয় হৈছিল । বিশেষ সূত্ৰত জানিব পাৰিলো যে, সেই বন্ধু সকলকো এইজনা বীৰেই পুনৰ ভৰ্ত্তি কৰাই দিছে ।

বীৰ জনৰ অসীম বীৰত্ব আৰু মনৰ তেজ দেখি মই হতভম্ব হৈ তেওঁক আঠু কাঢ়ি সেৱা কৰিলো আৰু সভয়ে সুধিলো—" হে

মহাবীৰ, এতিয়া অনুগ্ৰহ কৰি কওঁকচোন আপোনাৰ পৰিচয়।"

বীৰজনে মিচিকিয়া হাঁহি এটা মাৰি ক'লে—" ও ইমান সময় মই মোৰ পৰিচয় দিবলৈ পাহৰিছিলোয়ে, মোৰনাম ' সাহস '।"

" কি ! আপুনি সাহস ?"

" হয় ময়েই সাহস।"

মই ব্যাতিব্যস্ত হৈ ' সাহস'ক আকৌ প্ৰনাম জনালো। তেওঁ মোক দুহাতেৰে তুলি ধৰিলে আৰু ক'লে—" তুমি এতিয়া তোমাৰ কৰ্ত্তব্যত ব্ৰতি হোৱা, মই এতিয়া আহো।"

" নাই ! নাই ! আপুনি নাযাব, মোক এৰি আপুনি কলৈ'কো নাযাব, আপুনি গলে ' নিৰাশা'ই মোক আকৌ আক্ৰমণ কৰিব, কাৰণ ' হতাশ'ৰ হে মৃত্যু হৈছে, ' নিৰাশ' এতিয়াও জীয়াই আছে।" " ও তাৰ মানে তুমি ভয় কৰিছা; ঠিক আছে মই অইন এজনীক তোমাৰ চিৰ লগৰীয়া কৰি থৈ যাওঁ।"

" কোন সেইজনী ?"

" মোৰ ভনী।"

" আপোনাৰ ভনী ?"

" এৰা মোৰ ভনী।"

" তাই ক'ত আছে ?"

" তোমাৰ ওচৰতে আছে।"

" মোৰ ওচৰতে আছে ক'তা মইতো তাইক দেখা নাই।" এনেতে এজনী নৱবিকাশিত যৌৱন উচ্ছলা গাভৰু ছোৱালী আহি মোৰ কাষত থিয় হ'ল। তাই মোৰ কাষ চাপি অহাৰ লগে লগে সাহসে হাতৰ ইঙ্গিতেৰে মোক ক'লে—" এইজনীয়েই মোৰ ভনী।"

" একি ! এইজনী দেখোন উদ্যম তাইক মই বহু বাৰ দেখিছো, এনেকি তাইক প্ৰাণেৰে সৈতে ভাল পাবও খুজিছো। কিন্তু ' হতাশ' আৰু ' নিৰাশাই ' মোক বাৰে বাৰে বাধা দিছিল।" আবেগপূৰ্ণ কণ্ঠত মই সাহসক ক'লো।

" এতিয়া আৰু ভয় নাই, এতিয়া ' হতাশ ' মৰিল ' নিৰাশ ' পলাল। গতিকে আজিৰ পৰা তুমি মোৰ এই আজলী ভনী জনী উদ্যমক তোমাৰ হৃদয়ৰ শীৰ্ষস্থানত ঠাই দিবা, তাইৰ উজ্বল ৰূপ ৰাশিয়ে তোমাৰ মনৰ অন্ধকাৰ দূৰ কৰিব, তোমাৰ জীৱন যুজৰ তীক্ষ্ণ চুৰিকা হৈ তোমাক যুদ্ধ ক্ষেত্ৰত সহায় কৰিব আৰু তোমাৰ অনাগত ভৱিষ্যতৰ অন্ধকাৰ বাট পোহৰ কৰি তোমাক সমুখলৈ আগুৱাই লৈ যাব। বন্ধু ! এতিয়া মই আহিলো — — — ।

বি— — দা— — — য়।"

মই আৰু মোৰ প্ৰাণৰ উদ্যমে ' সাহস' যোৱা ফালে অলপ পৰ চাই থাকিলো; তাৰ পিছত নৱবিকাশিত যৌৱন উচ্ছলা মোৰ প্ৰাণৰ নৱ উদ্যমক আবেগত বুকুৰ মাজত সাৱটি ধৰি চুমা খাবলৈ আৰম্ভ কৰিলো।

স— — মা— — প্ত। ●●



# “কালৰ সোঁতত”



★ মিচঃ সাজিদা খাতুন
বি, এ, ১ ম বাৰ্ষিক

.............. ডাক্তৰে কলে, ৰোগীৰ অৱস্থা কেনেকুৱা যেন লাগিছে। পাৰিলে সোনকালে গুৱাহাটীলৈ ৰোগীক লৈ যোৱাই যেন ভাল হব, দাস। পলম নকৰি দাসে তৎক্ষণাত গাড়ী অনালে আৰু ৰোগীক কেচুৱাৰ সৈতে গুৱাহাটীৰ হাসপাতাললৈ লৈ গ'ল। তাত থকা ডাক্তৰ নাথে ৰোগীৰ চিকিৎসাৰ ভাৰ ললে। চিকিৎসা আৰম্ভ হ'ল। প্ৰথম দিনৰ পিছৰ পৰাই ৰোগীৰ অৱস্থা অলপ ভালৰ ফালে গতি কৰিলে। সিদিনা দুপৰীয়া আকৌ ৰোগী অজ্ঞান হৈ পৰিল। ডাক্তৰ আহিল, তৎক্ষণাত ৰোগীক বেজি দিলে। ৰোগীৰ অৱস্থা ক্ৰমাৎ বেয়া হৈ হে আহিবলৈ ধৰিলে। ডাক্তৰে বহুতো চেষ্টা কৰিলে, কিন্তু কোনো মতেই চিকিৎসাত ফল নধৰিল। তেতিয়া ৰাতি প্ৰায় দহ টা। মালতীয়ে অতি কষ্টৰে দীপক দীপক স্বামী স্বামী বুলি মাত দি শেষ নিশ্বাস ত্যাগ কৰিলে। দাসে কেচুৱা টিক কোলাত লৈ মালতী, মালতী বুলি বহুতো চিঞৰিলে। দাস স্ত্ৰীৰ মৃত্যু শোকত বিহ্বল হৈ পৰিল। পিচ দিনা শ-দেহৰ অন্ত্যেষ্টিক্ৰিয়া সমাধা কৰি দাস কেচুৱাটি লৈ

নিজৰ গাওঁলৈ গুচি আহিল। খবৰ পাইয়ে আত্মীয় স্বজন আহিল আৰু দুখ কৰিলে। কেচুৱাটিৰ কান্দোনত দাসে সদায় চকুলো টুকে। ওচৰ চুবুৰীয়া আৰু বন্ধু বান্ধৱীহঁতে দাসক বুজনি দিলে। দাসৰ যদিও অলপ ধৈৰ্য্য আছিল, তথাপিও তেওঁৰ মৰমৰ পত্নীক মনত পেলাই ৰাতিৰ এন্ধাৰত চকুলো টুকে। কি হব নিয়তিৰ বিধান। এনেকৈ কেচুৱাটি লৈ দাসৰ জীৱন অতিবাহিত হৈ থাকিল।

কেতিয়াবা লৰাটোৰ কান্দোনত দাসে নিজৰ মূৰত আকাশ ভাঙি পৰা যেন অনুভৱ কৰে। আত্মীয় স্বজনে মাজে সময়ে খবৰ ললেও এতিয়া সেয়া কমিবলৈ ধৰিলে। সকলোৰে কৰ্ত্তব্য আছে। গৃহস্থী থকা দাসৰ মনে মনে নানা কল্পনা আহি পৰে। লৰাৰ চেনেহ সনা মুখলৈ চাই সকলো দুখ, বেদনা পাহৰি যায় দাসে। ইফালে দীপক দিনে দিনে ডাঙৰ হৈ আহিবলৈ ধৰিলে। মাতৃহীনা লৰা, সংসাৰত অভাৱ নেথাকিলেও সি হয়তো সিমান শান্তি নেপাইছিল। তেওঁ যেন অকল শৰীয়া অনুভৱ কৰিছিল। লগ বিলাকৰ সকলোৰে আই আছে। দীপকৰ আই নাই। সি অকল শৰীয়া। কেতিয়াবা সি ভাবি থাকে। এনেকৈ সৰুৰে পৰা দেউতাকৰ লগত থাকি ঘৰৰ সাধাৰণ কাম-কাজবোৰ কৰিছিল দীপকে। সৰুৰে পৰা দীপক ওচৰত থকা বিদ্যালয়লৈ পঢ়িবলৈ গৈছিল। চোকা আৰু মেধাবী শক্তিৰ দীপকক সকলোৱে মৰম কৰিছিল। জানিবৰ কাৰণে দীপকৰ আগ্ৰহ আছিল যথেষ্ট। সি নানা ধৰণৰ প্ৰশ্ন সুধিছিল শিক্ষকক। স্পষ্ট মাত, আৰু সৰল মনেৰে বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী তথা শিক্ষক সকলক এক আন্তৰিক ভাৱেৰে বান্ধি পেলাইছিল দীপকে। তেওঁৰ চৰিত্ৰত সকলোৱে মুগ্ধ। তেওঁ সকলোৰে অতি প্ৰিয়। মুঠতে গাওঁৰে হওঁক বা বিদ্যালয়ৰে হওঁক কোনেও তেওঁক মৰম নকৰি নোৱাৰিছিল।

ইফালে দাসৰ বন্ধু বিনোদ দাসৰ স্ত্ৰীয়ে তাইৰ নিজৰ লৰা যেন ভাৱি মৰম কৰিছিল দীপকক। দীপকেও মাহী মাহী বুলি নিজৰ আইৰ নিচিনাই ভাল পাইছিল বিনোদ দাসৰ স্ত্ৰীক। বিনোদ দাসৰ স্ত্ৰী, ৰীনাৰ মাক। কেচুৱা ৰীনা, বিনোদ দাস আৰু তাইৰ মাক মাত্ৰ সৰু এটি পৰিয়াল। বিনোদ দাস বিদ্যালয়ৰ এজন শিক্ষক। বিনোদ দাস এজন সমাজ প্ৰেমী মানুহ আছিল। দীপকৰ দেউতাক ৰমেন দাস বিনোদ দাসৰ পুৰণি বন্ধু। স্কুলীয়া জীৱনত দুয়ো একেলগে পঢ়িছিল। ইফালে লিখা-পঢ়াত চোকা দীপকে এইবাৰ প্ৰৱেশিকা পৰীক্ষা দিয়াৰ বাবে সাজু হ'ল। তাৰিখ মতে পৰীক্ষা আৰম্ভ হ'ল। সকলোৰে পৰা আশীৰ্ব্বাদলৈ পৰীক্ষা দি আহিল দীপকে। পৰীক্ষা দিয়াৰ পিছত অলপ জিৰণী পালে দীপকে। ইফালে দীপকে মাহীৰ কথাত ৰীনাৰ পঢ়া চোৱা-চিতা আৰম্ভ কৰিলে।

ৰীনা ৭ম মান শ্ৰেণীৰ ছাত্ৰী। পিতৃ-মাতৃৰ একমাত্ৰ আশাৰ প্ৰদীপ ৰীনা। তাই স্কুলত পঢ়ে। মাক দেউতাকে ভাবি থাকে। ভাৱি থাকে ছোৱালীজনী ডাঙৰ হলে পৰক দিব লাগিব। তাইক বাদে মাকৰ আৰু



কোনো সন্তান নাই। সেয়ে তেওঁলোকৰ চিন্তা। সেয়ে তেওঁলোকৰ দীপকৰ প্ৰতি মৰম আৰু বেচি হৈহে আহিল। তেওঁলোকৰ সমুখত দীপক আৰু ৰীনা দুটি ফুল। বিনোদ দাস আৰু ৰীনাৰ মাকে এইদৰে ভাৱি থাকে।

এনেতে হঠাৎ এদিন প্ৰৱেশিক্ষা পৰীক্ষাৰ ফলাফল ঘোষণা হ'ল। বোৰ্ডে দীপকক অসমৰ ভিতৰত প্ৰথম স্থান পাই উত্তীৰ্ণ হোৱা বুলি ঘোষণা কৰিলে। খবৰ পাই সকলোৱে আনন্দত আত্মহাৰা হ'ল। দীপকৰ লগৰীয়া, শিক্ষক আৰু গাওঁৰ সকলোৱে ৰমেন দাসৰ ঘৰত আজি এক আনন্দ উল্লাসৰ কোলাহলেৰে মুখৰিত কৰি পেলালে। ৰীনা আৰু তাইৰ মাকেও বহুতো আনন্দ লভিলে। শিক্ষক সকল আৰু মূৰব্বীয়াল সকলে নানাজনে নানা ধৰণৰ আলোচনাৰে দীপকৰ প্ৰশংসা কৰিলে। বিনোদ দাসেও নানা ৰকমৰ অভিমত ৰাখিলে। ৰাতি বহুতো হোৱাৰ পিছত তেওঁলোক সকলোৱে ঘৰাঘৰি গ'ল। সকলো যোৱাৰ পিচত ৰমেন দাসে নানা কথা চিন্তা কৰি থাকোঁতে তেওঁৰ স্ত্ৰী মালতীক মনত পৰি চকুলো টুকি মনৰ অকলিতে নিদ্ৰাত অভিভূত হৈ পৰে। দীপকো টোপনি যায়।

পিচ ফালৰ পৰা দীপক দা বুলি মাত শুনি দীপকে ফিৰি চাই ৰীনাক দেখা পাই কলে, কি কোৱা ৰীনা—

আয়ে তোমাক যাব কৈছে দীপক দা। কিয় যাব কৈছে ৰীনা—

কিয় যাব কৈছে মই নেজানো। মাত্ৰ আয়ে কলে, তোৰ দীপক দাক লৈ আহিবি। যোৱা নোযোৱা তোমাৰ ইচ্ছা। মাত্ৰ আইৰ কথাহে তোমাক কলোঁ। এই বুলি ৰীনাই হাঁহি মাৰি দীপকৰ ফালে চাই ৰলে, দীপক ৰীনাৰ হাত ধৰি হাঁহিলে। তাৰ পিচত দুয়ো খোঁজ ললে ৰীনাৰ ঘৰ অভিমুখে।

হঠাৎ দীপকে কলে, মাহীয়ে মোক মৰম কৰেনে ৰীনা ?

মৰম ! কি কোৱা দীপক দা। তুমি নুবুজা নেকি ? আয়ে যে তোমাৰ কথাই সদায় কৈ থাকে।

তেন্তে, তুমি ! তুমি মোক ভাল পোৱানে ? ৰীনা—

তোমাক কিয় ভাল পাম দীপক দা। তোমাক ভাল নাপাওঁ মৰমহে কৰোঁ।

ও, মৰম কৰা। ভাল পোৱা আৰু মৰম একে বস্তু ৰীনা। এই বুলি দীপকে হাঁহিলে। তেন্তে তুমি মোক সদায় মৰম কৰিবানে ?

তোমাক মৰম নকৰিলে কাক মৰম কৰিম দীপক দা। তুমি মোক মৰম নকৰানেকি ? দীপক দা—

মৰম কৰো বুলিহে সুধিলো ৰীনা। এই দৰে দুয়ো কথা পাতি পাতি ৰীনাৰ ঘৰ পালে।

শব্দ পাই ৰীনাৰ মাকে ওলাই আহিল। আহা বাবা দীপক আহা ! আহা ! তোৰ দাদাক বহিবলৈ দে ৰীনা।

আজি দুই দিন তোমাক দেখা নাই দীপক—এই দুই দিন বন্ধু বান্ধৱৰ লগত ঘূৰি ফুৰিছিলোঁ মাহী—

তোমালোকে অলপ বহা মই চাহ কৰি আনি আছোঁ। ৰীনাৰ মাকে কলে—ৰীনা আৰু দীপক দুয়ো তেওঁলোকৰ আলোচনা হৈ থাকোঁতে মাকে তিলৰ পিঠা আৰু চাহ লৈ আহিল। দুয়ো চাহ পিঠা খালে।

কেইদিন পিচত দীপক গুৱাহাটীত ইঞ্জিনিয়াৰিং কলেজত পঢ়িবলৈ গ'ল। আশা আৰু দুখেৰে দেউতা, মাহী, ৰীনা আৰু তাইৰ দেউতাকে মৰমেৰে বিদায় দিলে। দীপকে কলেজত অধ্যয়ন আৰম্ভ কৰিলে। বহুদিন হল সি ঘৰৰ পৰা আৰু ৰীনাক এৰি আহিছে। হঠাৎ এদিন ঘৰৰ পৰা টেলিগ্ৰাফ এটা পালে দীপকে। টেলিগ্ৰাফ খুলিচাই দেখে, এতিয়াই ঘৰত যাব লাগে।

অধ্যক্ষৰ পৰা বিদায় লৈ ঘৰলৈ ৰাওনা হ'ল দীপক। তেওঁৰ মনত নানা চিন্তাই আৱৰি ধৰিলে। কাৰনো কি হ'ল। এনেতে ট্ৰেইন আহি ষ্টেচনত ৰ'ল। গাড়ীৰ পৰা নামি ঘৰলৈ খোজ ললে।

প্ৰথমে দীপকে ৰীনাহঁতৰ ঘৰ পালে। ঘৰত সোমাই দেখে কোনেও নাই। উদাস মনেৰে দীপকে আকৌ খোজ ললে নিজৰ ঘৰৰ ফালে। এইদৰে ঘৰ পালে। ঘৰত সোমাই দীপকে দেউতাকক অজ্ঞান অৱস্থাত বিচনাত পৰি থকা দেখা পালে। ওচৰত বহি আছিল ৰীনা আৰু তাইৰ মাকে। লগতে আৰু বহুতোকো দেখা পালে। দীপকে পিতাকৰ ওচৰলৈ গৈ দেউতা দেউতা বুলি মাতিলে।

দীপকৰ মাত শুনি কোন কোন আহিছা? মই আহিছোঁ দেউতা। মই আহিছোঁ। বাপ মোৰ! কলিজাৰ ধন মোৰ। তুই আহিছ আহা বাপ। তোৰ কাৰণেই ইমান সময় মোক ভগৱানে ৰাখিছে। মাতৃহীন বাছা মোৰ। কিমান আশা কৰি তোক লালন পালন কৰিছিলোঁ। কিন্তু মই চাই যাব নোৱাৰিলোঁ। মই চাই যাব নোৱাৰিলোঁ। ৰীনাৰ মা তোমাৰ হাতত মোৰ দীপকৰ ভাৰ থাকিল। মোৰ আৰু সময় নাই সময় নাই। স—ম—য় না—ই বুলি কৈ দীপকৰ দেউতাকে শেষ নিশ্বাস কাঢ়িলে। দীপক, ৰীনা আৰু সকলোৱে কান্দিলে। কি হব নিয়তিৰ খেলা বুজা বৰ টান। ইমান দিন দীপক মাতৃহীন আছিল। এতিয়া দীপক পিতৃ-মাতৃ হীন। তেওঁৰ কোনো নাই।

পিচদিনা শ দেহৰ অন্ত্যেষ্টি ক্ৰিয়া সমাধা কৰি সকলোৱে ঘৰলৈ আহিল। দীপকক বহুতো বুজালে। একেবাৰে ভাঙি পৰিছে দীপক। অশ্ৰুজলত নেত্ৰ যুগল ভাঁহি উঠে তাৰ। হৃদয়ত নানা চিন্তা, নানা দুঃখ নানা ভাৱনা, কোনে আজি তেওঁৰ এই মনৰ দুখৰ অৱসান ঘটাব। এই সকলো দুখ বেদনা, দুখ যাতনা সকলো নিয়তিৰ বিধান। সকলো নিয়তিৰ বিধান। ●●





" আসনত" শ্ৰেষ্ঠ প্ৰতিযোগী
আঃ আউৱাল ভুঞা




বছৰৰ শ্ৰেষ্ঠ সাহিত্য প্ৰতিযোগী
তাজউদ্দিন আহমেদ।



" মিঃ নৱজ্যোতি "
মোঃ মাহমুদুৰ ৰহমান খান।

নৱজ্যোতি মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ কাৰ্য্যকৰী সমিতিৰ সদস্য বৃন্দ আৰু কৰ্ম্মচাৰী বৃন্দ। (ইং ১৯৮৩-৮৪)





# অতি লোভ, লোভে পাপ, পাপে মৃত্যু ।

● কুৰবান আলী আহমেদ
প্ৰাক্‌বিশ্ববিদ্যালয় প্ৰথম বাৰ্ষিক (কলা)

এয়া হ'ল আৰব দেশৰ কাহিনী। এসময়ত আৰব দেশত দুজন নলে-গলে লগা বন্ধু আছিল। এজনৰ নাম আছিল হাদি আৰু আনজনৰ নাম আছিল জাফৰ। কাল-ক্ৰমত হাদিৰ অৱস্থা একেবাৰে শোচনীয় হৈ পৰিল আৰু জাফৰৰ অৱস্থা দিনক দিনে ভালৰ ফালে আহিবলৈ ধৰিলে। এদিনাখন হাদিয়ে সহায় বিচাৰি পুৰণা বন্ধু জাফৰৰ ওচৰলৈ গ'ল। জাফৰে হাদিক সহায় কৰিব দূৰৰ কথা তেওঁৰ ওচৰতহে সংসাৰৰ নানান অভাৱ অভিযোগৰ কথা বৰ্ণাবলৈ ধৰিলে। নিৰাশ হৈ হাদিয়ে ঘৰলৈ উলটিল। ঘৰত আহি তেওঁ পানীৰ ব্যৱসায় কৰিবলৈ ধৰিলে। ওৰেদিনে হাদিয়ে মৰুভূমিৰ মাজে মাজে পানী লাগে, পানী লাগে বুলি চিঞৰি ফুৰিছিল; আৰু পানী বিক্ৰিকৰি যি পাইছিল তাৰেই তেওঁৰ পৰিয়ালটো কোনো ৰকমে পোহপাল দিছিল। যিদিনা হাদিয়ে পানী বেচিব পৰা নাছিল সিদিনা তেওঁৰ পৰিয়াল লঘোনেই থাকিবলগীয়া হৈছিল। তেওঁ পইচাৰ বাবে কাৰো ওচৰত জোৰ জুলুম কৰা নাছিল আৰু পইচা নথকা বহুতকে তেওঁ এনেয়ে পানী খুৱাইছিল। এদিনাখন হাদিয়ে পানী লাগে, পানী লাগে বুলি চিঞৰি মৰুভূমিৰ মাজে মাজে ঘূৰি ফুৰি থাকোতে এনেতে তেওঁ এজন বুঢ়া মানুহক লগ পাইছিল। মানুহজন

খুব তৃষ্ণাতুৰ আছিল। তেওঁৰ গাত বগা পোচাক আৰু মূৰত পাগুৰী আছিল। মানুহ জনে হাদিৰ ওচৰত পানী বিচাৰিছিল; কিন্তু তেওঁৰ ওচৰত যে ফুটা কড়ি এটাও নাই তাকো কৈছিল। হাদিয়ে বুঢ়া মানুহজনক পানী খুৱাইছিল। বুঢ়া মানুহজন হাদিৰ ব্যৱহাৰত সন্তুষ্ট হৈছিল আৰু তেওঁক এটা পাত্ৰ দিছিল আৰু এই পাত্ৰৰে কেনেকৈ টকা তৈয়াৰ কৰিব পাৰি তাৰ সকলো কৌশল হাদিক শিকাই দিছিল। হাদিয়ে মানুহজনৰ নাম সোধাত তেওঁৰ নাম পীৰ গিয়াছুদ্দিন বুলি কৈ অন্তৰ্ধান হৈছিল। দুখীয়া হাদিয়ে খুব আনন্দমনেৰে ঘৰলৈ উলটিল আৰু তেওঁৰ ঘৈনীয়েকক লগত লৈ ৰাতি টকা তৈয়াৰ কৰা আৰম্ভ কৰিলে। অতি সোনকালে হাদিৰ অৱস্থাৰ পৰিবৰ্ত্তণ ঘটিল। জুপুৰী পঁজা ৰাজ অট্টালিকাত পৰিণত হ'ল। এই খবৰ ধন লোভী জাফৰৰ কানত পৰিল। অতি-সোনকালে জাফৰে হাদিৰ ঘৰলৈ আহিল আৰু কেনেকৈ তেওঁ ইমান ধনী হ'ল তাক জানিবলৈ ব্যাকুল হৈ পৰিল। সৰলমনা হাদিয়ে বন্ধুৰ আগত সকলো ভাঙি পাতি কলে। কথাবোৰ শুনি জাফৰ আচৰিত হ'ল আৰু কেনেকৈ সেই যন্ত্ৰটো আত্মসাৎ কৰিব পাৰে তাৰ বাবে চেষ্টা কৰিবলৈ ধৰিলে।

এদিনাখন হাদিয়ে যেতিয়া টোপনীত লালকাল হৈ পৰিল তেতিয়া তেওঁৰ টকা বনোৱা যন্ত্ৰটো জাফৰে মনে মনে লৈ আহিল। জাফৰে টকা বনোৱাত লাগিল, কিন্তু এনেতে এটা ঘোষণা পোৱা গ'ল যে টকাবোৰ অচল। জাফৰে ৰাজ অট্টালিকাৰ যি সপোন দেখিছিল সেয়া মনতে মাৰ গ'ল।

জাফৰে কিন্তু ধনী হোৱাৰ লোভ এৰিব নোৱাৰিলে। তেওঁ হাদিৰ দৰে মৰুভূমিৰ মাজে মাজে পানী বেচিবৈল আৰম্ভ কৰিলে আৰু সেই পীৰজনক বিচাৰিবলৈ ধৰিলে। এনেতে তেওঁ এদিন হাদিয়ে কোৱাৰ লগত মিল থকা অপৰূপ চেহেৰাৰ এজন মানুহক লগ পালে। হাদিক কোৱাৰ দৰে এই মানুহজনে জাফৰৰ ওচৰতো পানী বিচাৰিছিল। জাফৰে আনন্দ মনেৰে পানী দিছিল। পানী খাই মানুহজনে জাফৰক কৈছিল তোমাক কি লাগে। ধনলোভী জাফৰে কৈছিল মই এজন দুখীয়া মানুহ। গতিকে মোৰ ভৱিষ্যত সুখৰ বাবে ধনৰ প্ৰয়োজন। তেতিয়া মানুহজনে জাফৰক মাতিলৈ পাহাৰৰ ফালে আগবাঢ়িল। অলপ দূৰ যোৱাৰ পাছত সাতোটা বোজাই উট দেখা পালে। মানুহজনে কলে যে এই উটবোৰৰ পিঠিত হীৰা, মুকুতা আদি মূল্যবান পদাৰ্থৰে বোজাই কৰা আছে। ইয়াৰে যিকোনো চাৰিটা উট তুমি লৈ যোৱা। আনন্দমনেৰে জাফৰে বোজাই উট চাৰিটা লৈ ঘৰলৈ আগবাঢ়িল। অলপ দূৰ যোৱাৰ পিছত জাফৰে ভাবিলে মানুহজনৰ ওচৰত আৰু দুটা উট বিচাৰিলে কিজানি দিলেহেতেন। ধনলোভী জাফৰ আৰু আগবাঢ়িব নোৱাৰিলে। তেওঁ সেই মানুহ জনৰ ওচৰলৈ আকৌ গ'ল। জাফৰে কলে আপুনি এজন সাধু মানুহ ইমান ধনৰে আপুনি কি কৰিব? গতিকে ইয়াৰ পৰা আৰু দুটা উট মোক দি দিয়ক। সাধু মানুহজনে একো নেমাতি কৈছিল, আচ্ছা তুমি আৰু দুটা উট লৈ যোৱা। উটবোৰ লৈ জাফৰ আকৌ অলপ দূৰ আগবাঢ়িল। তেওঁৰ মনত আকৌ খেলি-মেলি লাগিল। তেওঁ মনে মনে ভাবিলে অৱশিষ্ট উটটো যদি তেওঁ সাধুৰ পৰা বিচাৰিলেহেঁতেন তেওঁ বোধহয় সেইটোও পালেহেঁতেন। জাফৰে একইঞ্চিও আগবাঢ়িব নোৱাৰিলে। তেওঁ নিৰ্লজ্জভাৱে সাধুৰ ওচৰলৈ আকৌ গ'ল আৰু কলে আপুনি এজন তপস্বী মানুহ। আপোনাৰতো কোনো ধন সোণৰ প্ৰয়োজন নাই। ইয়াৰোপৰি আপোনাৰ এই ধন সোণ পহৰা দিব কোনে। আপোনাৰ এই ধন কোনোবাই চুৰ কৰিও লৈ যাব পাৰে। গতিকে অৱশিষ্ট উটটোও মোক দি দিয়ক। সাধুজনে তেতিয়া কেৱল হাঁহিছিল আৰু কৈছিল, ঠিক আছে লৈ যোৱা। উট সাতোটা লৈ জাফৰ আনন্দমনেৰে বহুদূৰ বাট অতিক্ৰম কৰাৰ পিছত মনত আকৌ খেলিমেলি লাগিল। তেওঁ ভাবিলে এই ধন সোণবোৰ সাধুজনে ক'ৰ পৰা সংগ্ৰহ কৰিছে তাক যদি জানিব পাৰিলোহেঁতেন তেওঁ বোধহয় পৃথিৱী বিখ্যাত ধনী হব পাৰিব। ধনলোভী জাফৰ সেই সাধু জনৰ কাষ চাপিলগৈ। সাধুজনৰ কাষ চাপি জাফৰে কৰুণভাৱে কৈছিল আপুনি এজন তপস্বী মানুহ। কি ভাগ্যৰ ফেৰত যেন আপোনাক লগ পাইছোঁ। ভৱিষ্যতে আপোনাক লগ আৰু পাম নে নাই তাক ঈশ্বৰেহে জানে। মোক দিয়া ধন সোণবোৰ যদি শেষ হৈ যায় তেতিয়া আপোনাক ক'ত পাম? গতিকে আপুনি যদি এই ধন সোণবোৰ ক'ত পোৱা যায় তাক দেখাই দিলেহেতেন তেন্তে মোৰ অভাৱ হলেই তাৰ পৰা লৈ আহিব পাৰিলোহেঁতেন। জাফৰৰ কথা শুনি সাধু জনে হাঁহিছিল আৰু কৈছিল আচ্ছা মোৰ পিছে পিছে ব'লা। সাধু আৰু জাফৰে আগবাঢ়ি গৈ পাহাৰৰ ভিতৰ সোমাল শেষত তেওঁলোকে চাৰিওফালে পাহাৰে বেষ্টিত এডোখৰ খোলা ঠাই পালে। সেই খোলা ঠাইডোখৰ অতিক্ৰম কৰি শেষত তেওঁলোকে এটা গহ্বৰত সোমাল। জাফৰে গহ্বৰটো দেখি চমকি উঠিল। কাৰণ গহ্বৰটো হীৰা, মণি মুকুতাৰে পৰিপূৰ্ণ আছিল। গহ্বৰটো দেখুৱাই দি সাধুজন অন্তৰ্ধান হ'ল। জাফৰে গহ্বৰৰ পৰা মণি মুকুতাবোৰ গোটাবলৈ ধৰিলে। তেওঁৰ কিন্তু কোনোফালে লক্ষ্য নাছিল। তেওঁৰ মাত্ৰ এটাই লক্ষ্য আছিল তেওঁ কেনেকৈ পৃথিৱী বিখ্যাত ধনী হব পাৰে। জাফৰৰ কোনো ফালেই লক্ষ্য নাছিল। তেওঁ হীৰা মুকুতাবোৰ খান্দি খান্দি গহ্বৰৰ ভিতৰ ফালে সোমাই গৈছিল। তেওঁ গমেই পোৱা নাছিল যে, তেওঁৰ মূৰৰ ওপৰৰ ফালে প্ৰকাণ্ড শিলৰ টুকুৰা আগবাঢ়ি আহিছিল। তেওঁ কেৱল পাহাৰ খান্দি হীৰা, মুকুতা, সোণ আদি বুটলিছিল। প্ৰকাণ্ড শিলৰ টুকুৰা আগবাঢ়ি আহি হঠাতে জাফৰৰ ওপৰত পৰি গ'ল। ধনলোভী জাফৰৰ প্ৰাণ বায়ু কেনেকৈ উৰি গ'ল কোনেও গমকে নেপালে। তেওঁ পৃথিৱী বিখ্যাত ধনী হোৱাৰ যি সপোন দেখিছিল সেয়া মনতে মাৰ গ'ল। সেয়ে মনীষী সকলে কৈছে—"অতি লোভ, লোভে পাপ, পাপে মৃত্যু। ●●●



# ॥ পঙ্কিল পৃথিৱী ॥

● আয়মাল হক
স্নাতক, ২য় বাৰ্ষিক (কলা)

বহুৰাতি লৈকে তাইৰ টোপনি অহা নাছিল। বাহিৰত সিম সিমকৈ ৰৰষুণ দি আছিল। টিন ঘৰৰ পৰা বৰষুণৰ টোপাল বিলাকে ৰাতিৰ নীৰৱতা খিনি ভাঙি দিছিল। সৰু ডিম্ লাইটৰ পোহৰত বহল বিছনা খনত দিপালী বৰুৱাই ওপৰমুৱা হৈ শুই আছিল। আজি বহুদিন ধৰি তাই উজাগৰে কটাবলগীয়া হৈছে। তাতে তাইৰ গিৰিয়েক ইঞ্জিনিয়াৰ গপেছ বৰুৱা গুৱাহাটী মহানগৰীলৈ এসপ্তাহৰ বাবে অফিচত গৈছে। আজিৰ সৈতে মাত্ৰ তিনিটা দিন পাৰ হৈছে। দিলীপৰ পৰা পোৱা চিঠিখনে তাইক টোপনিৰ আমেজকনৰ পৰা বঞ্চিত কৰিলে। তাইৰ স্মৃতিৰ মনিকোঠাত বাৰে বাৰে প্ৰতিধ্বনিত হৈছিল "মোৰ বুকুৰ কলিজাৰ আমঠু কলীয়া কেঁচা তেজৰ ৰঙেৰে; জীৱনৰ তুলিকাৰে এখন ছবি আঁকি থৈছো তুমি চাবাহি দিপালী! তাই জানো সেইখন কাৰ ছবি চাবলৈ যাব পাৰিব? পাৰিব জানো তাই?? যাৰ জীৱনটোক তাই গপেছৰ মাজলৈ ঠেলি দিলে। যিটি জীৱনক পংগু কৰি পেলালে যাৰ জীৱনৰ সৰ্বস্ব কাঢ়ি আনিলে, সেই জীৱনৰ তুলিকাৰে অঁকা সেই জীৱনৰ কলিজাৰ ৰঙা তেজেৰে বোলোৱা সেই ছবিখন তাই জানো চাবলৈ যাব পাৰিব? কেতিয়াও নহয়। সেইবোৰ কেতিয়াবাই বিস্মৃতিৰ গৰ্ভত হেৰাই গৈছে। ভাবি ভাবি তাই বাগৰি পৰিল। এটা সময়ত তাই বিছনাৰ পৰা উঠি সৰু ড্ৰয়াৰটো খুলি চিঠি খন উলিয়াই এবাৰ আকৌ পঢ়িবৰ যত্ন কৰিলে। তাই লাহে লাহে বিছনা খনৰ কাষলৈ আহি বিছনাত পৰি চিঠিখন পঢ়িব ধৰিলে। দিলীপে লিখিছে—

"দিপালী"!

মৰম লবা। নলবাৰী জেলৰ সাত নম্বৰ কয়দী কমৰ পৰা লিখিছো। আন একো নিলিখো; মাত্ৰ তোমাৰ বিস্মৃতিৰ গৰ্ভত হেৰাই যোৱা দিলীপ নামৰ এটা পথভ্ৰষ্টৰ জীৱনৰ এটি চুটি গল্প লিখিছো।

বহু দিনৰ আগৰ কথা। মা আৰু দেউতাই ভনীজনী আৰু মোক পৃথিৱীত অকল শৰীয়া কৰি এৰি থৈ যোৱাৰ পিছত মই আৰু ভনী দুয়ো ভৱানীপুৰৰ পৰা শকুনকুছিলৈ গৈছিলো। ইয়াত আমাৰ মাটি বাৰী একো নাছিল। দেউতাৰ চাকৰিৰ ধনেৰে আমাৰ সৰু পৰিয়ালটো জীয়াই আছিলো। এদিনৰ অগা-পিছাকৈ মা আৰু দেউতাই চুইচাইদ কৰিলে। সেয়া দেউতা আৰু মাৰ মাজত হোৱা পাৰিবাৰিক অশান্তিৰ ফল। মই ভৱানীপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰা প্ৰৱেশিক্ষা পাছ কৰি শকুনকুছিত চাকৰি বিচাৰিলো কিন্তু নাপালো। উপায় নাপাই টিউচন কৰা টকাৰে নলবাৰী মহাবিদ্যালয়ত নাম ভৰ্ত্তি কৰিলো। এদিন অকস্মাতে তোমাৰ দেউতাৰাৰ লগত চিনাকি হলো আৰু তোমাৰ ঘৰত তোমাক পঢ়ুৱাৰ ভাৰ পৰিল মোৰ ওপৰত। তোমালোকৰ দৰে এটা সম্ভ্ৰান্ত পৰিয়ালত আৰু তোমাৰ দৰে এজনী ধুনীয়া ছোৱালীক টিউচন কৰাৰ কথা ভাবি মনতে গৰ্ভবোধ কৰিছিলো। খুব আনন্দ লাগিছিল। থাকিবলৈ কোনো সুবিধা নথকাত তোমালোকৰে এটি ভাৰাঘৰত মই আৰু মোৰ ভনীজনী জীৱন কটাইছিলো। তোমাৰ মনত আছে নিশ্চয়।

গতানুগতিক ভাবেই দিন বিলাক কাটি গৈছিল। এদিন তোমাৰ পৰা ভাল পোৱাৰ আহ্বান পালো। সেই আহ্বান উপেক্ষা কৰাৰ ক্ষমতা মোৰ নাছিল এদিন তোমাৰ মিছা ৰহণ সনা মৰমৰ মাজত অকৃত্ৰিম ভাল পোৱা বুলি নিজকে উঠাই দিলো। প্ৰথম প্ৰেমৰ আমেজ খিনি আৰু ৰঙীন যৌৱনৰ ৰং-চঙীয়া দিনবিলাকৰ কল্পনাতীত আনন্দৰ মাজত মই বুৰ গৈছিলো। এদিন তুমি প্ৰৱেশিক্ষা পাছ কৰি কলেজীয়া মুক্ত জীৱনৰ পৰিধিবিহীন আকাশত মুক্ত বিহংগৰ পাতনি মেলিলা। আৰু মই বি-এ পাছ কৰিয়েই চাকৰিৰ সন্ধানত চাকৰিৰ বজাৰলৈ ওলাই গৈছিলো। কিন্তু যিখন দেশৰ শিক্ষাৰ মানদণ্ডক টকাৰ মাধ্যমেৰে নিৰ্ণয় কৰা হয় সেইখন দেশত মোৰ দৰে দৰিদ্ৰতাৰ চেপাত প্ৰপিড়ীত হোৱা মানুহৰ চাকৰিৰ সংস্থান নাই। জীয়াই থকাৰ সংগ্ৰামত লিপ্ত থাকোতে হঠাতে এদিন অভাৱনীয় আৰু কল্পনাতীত ভাবে তোমাৰ বিয়া হৈ গল, যোৰহাটৰ এজন ইঞ্জিনিয়াৰৰ লগত। ইয়াৰ ফলত মই ওলালো এখন পংকিল পৃথিৱীত জীৱনৰ ওপৰত চৰম প্ৰতিশোধ লবলৈ।

আৰম্ভ হ'ল মোৰ মদ খোৱা, ডকাইতি এটি গতিহীন লক্ষ্যভ্ৰষ্ট বিভিষীকাময় উশৃংখল জীৱন।

ভনীজনীয়ে আৰম্ভ কৰিলে বেশ্যাবৃত্তি। ঘৃণা নকৰিবা দীপা! এয়া আমাৰ এক আখ্যাত গলিৰ কুখ্যাত জীৱন। জীৱনৰ মাজৰ পৰা

মহাজীৱনলৈ গতি কৰাৰ অধিকাৰ আমাৰ নাই। জীৱনৰ ওপৰত প্ৰতিশোধ লোৱাটো অৱশ্যে মুৰ্খামি তথাপি ইয়াকে গ্ৰহণ কৰিলো। এই জীৱন তোমালোকৰ পৰা বহু আতৰত। মদ অবিহনে মই জীয়াই থাকিব নোৱাৰা হলো। সেই মদৰ নিছাতেই কলিজাৰ আমঠু কলীয়া কেঁচা তেজৰ ৰঙেৰে, জীৱনৰ তুলিকাৰে তোমাৰ এখন জীয়া ছবি আঁকি থৈছো মোৰ মনত। কেতিয়াবা চাবাহি দীপালী! পঢ়ি আমনি নাপাবা। আশা ৰাখিছো গল্পৰ শেষ হোৱাও পঢ়িবা। মোৰ এই জীৱনৰ দায়ী কোন কব নোৱাৰো। হ'য়তো মই, হ'য়তো তুমি নতুবা নিয়তি। এদিন বহুৰাতি মই ঘৰলৈ আহিছিলো আনদিনা মই ঘৰলৈ হয়তো নাহো। গলি বিলাকতে মদ খাই, জুৱা খেলি বা অচিনাকিৰ টকাৰ সন্ধানত ওৰে নিশাটো কটাও। এদিন ঘৰলৈ আহি কি দেখিলো জানানে? মোৰ কিন্তু তোমাৰ ওচৰত কবলৈ লাজ লাগিছে। তথাপি কও শুনা—সেইদিনা এখন বিছনাত মোৰ ভনী উলঙ্গ অৱস্থাত শুই আছে। আৰু ভনীৰ ওপৰত তাণ্ডৱ নৃত্য চলাইছে, কেইজন মান নগৰ বিখ্যাত লোকে। খিৰিকিৰ ফাকেদি বহু সময় চাই আছিলো। সিমান সময়লৈকে মই সহ্য কৰি আছিলো। মনতে ভাবিছিলো ভনী যেতিয়া অন্তঃসত্বা হব তেতিয়া সেই নৱাগত জীৱনক গ্ৰহণ কৰিবলৈ সিহঁত নৰপশু কেইটা জানো আগবাঢ়ি আহিব? ভনীৰ পতিত জীৱনৰ স্বাক্ষৰ জানো সিহতে বহণ কৰিব? ভদ্ৰ সমাজে জানো ভনীৰ সঁচা কাহিনীৰ স্বীকৃতি দিব? নিদিয়ে।

এবাৰ শুনিলো ভনীয়ে সিহঁতৰ অত্যাচাৰ সহ্য কৰিব নোৱাৰি আৰ্ত্তনাদ কৰি উঠিছে আৰু মই পাগলৰ দৰে দুৱাৰ ভাঙি ভিতৰত সোমাই গলো। মোৰ হাতৰ ছুৰীখন শূণ্য আকাশত, সৰু লেমটোৰ কম পোহৰত চিকমিকাই উঠিল। মোৰ হাতৰ মুঠি ব্ৰজৰ দৰে কঠিন হৈ গৈছিল। এটা সময়ত ছুৰীখন সিহঁত দুটাৰ কলিজাৰ মাজেদি পাৰ হৈ গল। সিহঁত দুটা মাটিত বাগৰি পৰিল। সেই সময়ত মনত এটা কথাই ভাবিছিলো দিপালী। মোক জেলত নিয়াৰ পাছত মোৰ ভনীৰ দায়িত্ব কোনে লব দিপালী? তুমি কব পাৰিবা? নোৱাৰা। ময়ো নোৱাৰো সেয়ে হাতৰ ছুৰীখন ভনীৰ দুই স্তনৰ মাজত হেচি ধৰিলো। "ককাইদেউ" বুলি মোক সাৱটি ধৰিলে। তাই সেঁহাই সেঁহাই কৈছিল, "ককাইদেউ"! মই দায়ী নহয়। দায়ী তই। দায়ী সিহঁত। অকলশৰীয়া এজনী গাভৰু ছোৱালী জানো এই পৃথীত নিৰাপদে থাকিব পাৰে?

তাই আৰু কথা কব নোৱাৰিলে। নিস্প্ৰাণ দেহাটি পৰি থাকিল। বুকুৰেদি তেজ বৰলৈ ধৰিলে। পুলিছে মোক এৰেষ্ট কৰিলে আৰু মোক জেললৈ লৈ গ'ল। কালিলৈ মোক গুৱাহাটীলৈ চালান দিব। খুউব সম্ভৱ মোৰ ফাঁচি হব। চাবলৈ আহিবা। গল্পটি শেষ কৰিলো। জেলৰ ঘণ্টাটোত ৰাতিৰ চকীদাৰজনে এক বজাৰ কোব মাৰিলে। বিদায়!

ইতি—

'দিলীপ'

চিঠিখন পঢ়ি শেষ হোৱাৰ লগে লগে বীনা বৰুৱা কান্দি কান্দি বিছনাত বাগৰি পৰিল। এখন চিঠি শেষ হ'ল আৰু এটা জীৱনে পংকিলতাৰ পৰা মুক্তিৰ দিশলৈ গতি কৰিলে।

★★



# সাম্প্ৰদায়িকতা কি?

## সাম্প্ৰদায়িকতাক কি ভাৱে নিৰ্ম্মূল কৰিব পৰা যায়।

অধ্যাপক, খন্দকাৰ আব্দুল গফুৰ এম, এ।
( ৰাজনীতি বিজ্ঞান বিভাগ )

সাম্প্ৰদায়িকতা বা Communalism, মানুহৰ সংকীৰ্ণ ধ্যান ধাৰণা আৰু ঠেক চিন্তা ধাৰাৰ পৰা উদ্ভুত এক উগ্ৰ অনুভূতি। চিন্তাশীল জগতত এই ঠেক ভাৱনাই জন্ম দিয়ে জাতীয়তাবাদৰ ( Nationalism ); তাৰ পিছত জন্ম হয় সাম্প্ৰদায়িকতাবাদ আৰু স্বাৰ্থবাদৰ ( Selfism )।

এতিয়া স্বাভাৱিকতে আমাৰ মনত প্ৰশ্ন উদিত হয় উক্ত উগ্ৰ অনুভূতিনো কি? ধৰি লওঁ 'ক' আৰু 'খ' দুখন স্বাধীন ৰাষ্ট্ৰ। দুয়োখন স্বাধীন ৰাষ্ট্ৰই কিবা কাৰণবশতঃ যুদ্ধত লিপ্ত হ'ল। 'ক' ৰাষ্ট্ৰখনে 'খ' ৰাষ্ট্ৰৰ সামৰিক ঘাটিবোৰ এটাৰ পিছত এটাকৈ দখল কৰিব ধৰিলে, তেতিয়া 'ক' ৰাষ্ট্ৰৰ নাগৰিক সকলৰ মন গৰ্বেৰে ভৰি পৰিব। আনহাতে 'খ' ৰাষ্ট্ৰৰ নাগৰিকৰ মন লাজ অপমানত জৰ্জ্জৰিত হব। এই ধৰণৰ অনুভূতিৰ নাম দেশাত্মবোধ বা Patriofism। এই দেশাত্মবোধেই জন্ম দিয়ে জাতীয়তাবাদৰ।

দেখা যায় এজন মানুহে নিজকে বেছি ভালপায়। তাৰ পিছতহে পৰিয়ালৰ আন সদস্য, বংশ, গোত্ৰ, তাৰপিছত ভালপায় একে আদৰ্শত মিলা সম্প্ৰদায়, তেওঁৰ অঞ্চল, তাৰপিছতহে তেওঁৰ দেশ। এই ঘনিষ্ঠ প্ৰীতিৰ এনাজৰীডাল সকলো মানুহৰ মাজতেই বিৰাজমান। এই প্ৰীতি থকাটো অৱশ্যে সন্তোষজনক কিন্তু ইয়াৰ অতিৰিক্ত হোৱাটো ক্ষতিকাৰকো।

এই ক্ষেত্ৰত ৰাছিয়াৰ উদাহৰণ দিব পাৰি। আজি বহুদিনৰ পৰা ৰাছিয়ান কাৰ্মালে সৈন্য সামন্ত সহকাৰে আফগানিস্থানত সোমাই আফগান সকলক মাৰি কাটি অন্যায়ভাৱে ঠাই দখল কৰিছে। এই ক্ষেত্ৰত ৰাছিয়ান দেশৰ জনসাধাৰণে গৰ্ব্ব অনুভৱ কৰিব, আনন্দ কৰিব কিন্তু ই বিশ্ব ভ্ৰাতৃত্বৰ হেঙাৰ স্বৰূপ। কাৰণ এই গৰ্ব্বই জাতীয়তাবাদৰ উগ্ৰ অনুভূতিকহে সূচায়, যিটো বিশ্ব মানৱতাবাদৰ পৰিপন্থী। এই অৱস্থাত ভাল বেয়া বা ন্যায় অন্যায় আদি বিচাৰৰ ক্ষমতা লোপ পায়। ঠিক তেনেকৈ বিদেশীক বিচাৰৰ কাঠগড়াত থিয় কৰাই পাহৰি যায় বিদেশীও আমাৰ দৰেই মানুহ। ধৰ্ম্মৰ ক্ষেত্ৰতো এক ধৰ্ম্ম সম্প্ৰদায়ে অইন ধৰ্মাৱলম্বী মানুহক ঘিণ কৰে,

ভাষাৰ ক্ষেত্ৰতো একেই ভাৱ দেখা যায়। জাতিৰ ক্ষেত্ৰতো দেখা পাওঁ এটা জাতিয়ে অইন জাতিক সদায় তলতীয়া কৰিবলৈ ইচ্ছা কৰে। ইয়াৰ ফলত আঞ্চলিক সংঘৰ্ষবোৰ সংঘটিত হয় আমাৰ সমাজত। এই অন্ধ-বিশ্বাসে মানুহক কৰি তোলে সংকীৰ্ণ, অন্তৰত বাঁহ লয় উদগ্ৰ অনুভূতিয়ে আৰু সৃষ্টি হয় সাম্প্ৰদায়িকতাবাদ।

সাম্প্ৰদায়িকতাই সমাজত ঘৃণনীয় অধ্যায় ৰচনা কৰে। মানুহে নিজৰ মাজতে বিভেদ সৃষ্টি কৰি মানবতাবাদক ভৰিৰে হেচুকি পশু-বাদক স্বাগত জনাইছে। সভ্যযুগৰ মানুহে এতিয়াও এইবোৰৰ পৰা মুক্ত হব পৰা নাই। ফলত বগা কলাৰ সংঘৰ্ষ, প্ৰোটেষ্টান, কেথলিক সংঘৰ্ষ, আৰ্য্য-অনাৰ্য্য সংঘৰ্ষ, হিন্দু-মুছলমান সংঘৰ্ষ, বৰ্ণহিন্দু-হৰিজন সংঘৰ্ষ, চিয়া-চুন্নীৰ সংঘৰ্ষ, বঙালী-অবঙালীৰ সংঘৰ্ষ, অসমীয়া অনা-অসমীয়াৰ সংঘৰ্ষ, কমিউনিষ্ট-অকমিউনিষ্টৰ সংঘৰ্ষ ইত্যাদি সমাজত চলিয়েই আছে। কিছুমানৰ মতে ধৰ্ম্মীয় ভাৱৰ উগ্ৰতাৰ পৰা সাম্প্ৰদায়িকতাৰ সৃষ্টি হয়। কিন্তু ই সম্পূৰ্ণ ভুল ধাৰণা। কাৰণ সম্প্ৰদায়ৰ প্ৰতি উগ্ৰ প্ৰীতিয়েহে সাম্প্ৰদায়িকতাৰ সৃষ্টি কৰে। ফলত এটা সম্প্ৰদায়ে অইন এটা সম্প্ৰদায়ৰ স্বাৰ্থ ক্ষুন্ন কৰাত ব্যতিব্যস্ত হয়। ধৰ্ম্মকেন্দ্ৰিক গোত্ৰ কেন্দ্ৰিক, ভাষা কেন্দ্ৰিক, মতবাদ কেন্দ্ৰিক আদি বহুতো সম্প্ৰদায় সমাজত আছে। ইছলামী আদৰ্শত বিশ্বাসী সকলে এটা সম্প্ৰদায় যদি হয় গান্ধীবাদী বা মাৰ্ক্সীয় সকলো নিশ্চয় একোটা সম্প্ৰদায় হব। ওপৰোক্ত লিখনিৰ পৰা আমি সাম্প্ৰদায়িকতাৰ সম্পৰ্কে বৰ্ণনা পালো। কিন্তু ইয়াক সমাজৰ পৰা আঁতৰাব পাৰি কেনেকৈ?

সাম্প্ৰদায়িকতাৰ পিশাচটোক সমাজৰ পৰা আঁতৰ কৰিবলৈ হলে প্ৰথমতে, এটি ভাৱধাৰা মানুহৰ মনত জগাব লাগিব। সেইটো হব যে "মানবজাতি" এটা মাত্ৰ মানৱ আৰু মানৱীৰ পৰা উদ্ভুত হৈছে। এইসূত্ৰে আমি একে ভাই-ভনী, পৃথক নহয়, এইটো হব মানুহৰ বহল দৃষ্টিভঙ্গীৰ পৰিচায়ক। প্ৰত্যেকেই প্ৰত্যেকৰ কল্যাণ কামনা কৰিব লাগিব। মানবতাৰ প্ৰতি কল্যাণ কামনাই উত্তম ব্যক্তিৰ পৰিচায়ক। এইখিনিতে উল্লেখ কৰি দিয়া ভাল হব যে বিভিন্ন মতাদৰ্শৰ লৈ মানুহে মানবতাৰ বিৰুদ্ধে সংগ্ৰাম কৰি ৰক্তপাত ঘটোৱাটো আদৰ্শবান মানুহৰ পৰিচয় নহয়। ধৰ্ম্মৰ ক্ষেত্ৰতো যদি এক ধৰ্ম্মীয় মানুহে অইন ধৰ্ম্মীয় মানুহক ক্ষতি কৰে তেওঁলোকক ধাৰ্ম্মিক আখ্যা দিব নোৱাৰি। ধৰ্ম্মীয় ভণ্ডনেতাহে হব।

দ্বিতীয়তে আমাৰ মাজত কেতিয়া একতা আহিব, যেতিয়া আমি ভাবিব শিকিম যে আমাৰ সৃষ্টিকৰ্ত্তা এজন। এই পৃথিবীত যিমানবোৰ সম্পদ তেওঁ সৃষ্টি কৰি দিছে সকলো বিলাক মানব জাতিৰ বাবেই। এই বোৰ কাৰো ব্যক্তিগত নহয়। সকলোৱে মিলিজুলি ভোগ কৰিব লাগিব। এইদৰে আমাৰ বিশ্ব ভ্ৰাতৃত্ব সুদৃঢ় হব। সেয়েহে পৃথিবীৰ ব্যক্তিগত, ৰাষ্ট্ৰগত বা জাতিগত সম্পদৰ ওপৰত একচেটিয়া মনোভাৱ পৰিহাৰ কৰাটো প্ৰয়োজন হৈ পৰিছে। বৈষম্য আৰু ভেদা-ভেদৰ ভাৱ আঁতৰাব পাৰিলেহে বিশ্ব-মানব এটা সম্প্ৰদায় হব বা পৰিচয় দিব। আদম-ইভৰ সময়ত মানুহ যেনেকৈ এটা সম্প্ৰদায় আছিল। এতিয়াও একেটা সম্প্ৰদায় হৈ থকা নাই, বিভিন্ন দৃষ্টিভঙ্গীৰে সিহঁত পৃথক হৈ গ'ল। এইদৰেই সম্প্ৰদায় সম্প্ৰদায়ে হানাহানি কৰি পৃথিবীত মানুহৰ মৃত্যু হব ধৰিছে। শিখ সম্প্ৰদায়ৰ উগ্ৰ সাম্প্ৰয়িক উত্তেজনাৰ বলী হব লগা হ'ল ভাৰতৰ প্ৰয়াত প্ৰধানমন্ত্ৰী মিসেস্ গান্ধী। তাৰ বিপৰীত উত্তেজনাত মৃত্যু হব ধৰিছে অজস্ৰ শিখ সকলোৰ। এইদৰেই পাকিস্থানতো বিভিন্ন সম্প্ৰদায় ভিত্তিক উত্তেজনাত চিয়া-চুন্নীৰ যথেষ্ট ক্ষতি হয়। অসমতো এই একেই উত্তেজনাত সংখ্যালঘু সম্প্ৰদায়ৰ ঘৰবাড়ী পুৰি, বহুতো মানুহক বিনাদোষে হত্যা কৰা হ'ল। পৃথিবীৰ প্ৰায়বোৰ ঠাইতেই একেই অৱস্থা পৰিলক্ষিত হয়। গতিকে মানুহ হিচাবে জীয়াই থাকিবলৈ বিশ্বমানবতাবাদৰ যথেষ্ট প্ৰয়োজন হৈ পৰিছে। ইয়াৰ বাবে প্ৰয়োজন স্বাৰ্থত্যাগ, সুবিচাৰ। এই দুটা বস্তুৰ লগত লাগিব ন্যায় মনোভাৱ। এইবোৰৰ অভাৱত বিশ্বমানবতাবাদ গঠন কৰা সম্ভৱ নহয়।

হজৰত মহম্মদে কৈ গৈছে যে যদি এজন ব্যক্তিয়ে নিজৰ সম্প্ৰদায়টোৱে আন এটা সম্প্ৰদায়ক অত্যাচাৰ কৰিবলৈ সাজু হয় এই ক্ষেত্ৰত সেই ব্যক্তিজনে অন্যায় বুলি জানিও নিজৰ সম্প্ৰদায়ৰ পক্ষ লয় বা তাৰবাবে মৃত্যু বৰণ কৰে তেনেহলে হজৰত মহম্মদে তেনে সম্প্ৰদায়ক ঘিণ কৰিছিল বা নিজৰ সম্প্ৰদায়ত অন্তৰ্ভুক্ত কৰা নাছিল।

নাম, পদবী, গোত্ৰ, বংশ বিভিন্ন অঞ্চল বা জাতিৰ সৃষ্টি কৰা হয় বিশাল মানব জাতিৰ পৰিচয়ৰ বাবে, পৰস্পৰ উচ্চ নীচ বা শ্ৰেষ্ঠত্বৰ বাবে নহয়।

অৱশ্যে এইখিনিতে উনুকিয়াব পাৰি যে পৃথিবীৰ সকলো মানুহ কেতিয়াও একে মনোভাৱাপন্ন হব নোৱাৰে। তেওঁলোকৰ বিশ্বাসৰ তাৰতম্য থকা স্বাভাৱিক। তাৰফলত সংখ্যালঘু বা সংখ্যাগুৰুৰ প্ৰশ্ন থাকিবই। আনহাতে দেখা যায়, সমাজত সংখ্যালঘুসকল প্ৰায়েই দুৰ্ব্বল হয়, ফলত এওঁলোকে সংখ্যা গুৰুৰ দ্বাৰা লাঞ্ছিত হয়। এইক্ষেত্ৰত হজৰত মহম্মদে এটা ব্যৱস্থা উল্লেখ কৰি কৈছিল যে সংখ্যালঘুৰ ৰক্তক সংখ্যাগুৰুৰ ৰক্তৰ দৰে যদি সুৰক্ষিত কৰি ৰাখিব লগা হয় তেনেহলে অত্যাচাৰী সংখ্যাগুৰুৰ মানুহ সকলক উচিত শাস্তিৰে প্ৰতিশোধ লোৱাটো প্ৰয়োজন, লগতে তেওঁলোকৰ সম্পত্তিক সংখ্যাগুৰুৰ সম্পত্তিৰ দৰেই ৰক্ষা কৰি ৰাখিব লাগিব।

মুছলিমৰ পৱিত্ৰ গ্ৰন্থ কোৰাণপাকত কৈছে যে যদি যুদ্ধৰ সময়ত শত্ৰুপক্ষৰ কোনোবাই আমাৰ আশ্ৰয় প্ৰাৰ্থনা কৰে তেওঁক নিৰাশ নকৰি নিৰাপদে গন্তব্য স্থানলৈ থৈ আহিবা। মানৱতাৰ সত্য-প্ৰতীক মহাত্মাগান্ধীয়ে কৈছিল

যদি কোনোবাই এখন গালত এটা চৰ মাৰে আনখন গালো পাতি দিবা। হজৰত মহম্মদৰ গালৈ শিলগুটি দলিয়াই উপলুঙা কৰিছিল যদিও সেইবোৰ তেওঁ হাঁহিমুখে সহ্য কৰিছিল। এই বহল দৃষ্টিভঙ্গী আৰু সহনশীল আচৰণৰ দ্বাৰাহে আমি সাম্প্ৰদায়িকতাক ধ্বংস কৰিব পাৰিম। সত্য, মিথ্যা বা হক বাতিলৰ বিচাৰৰ ক্ষেত্ৰত বংশ, গোত্ৰ জাতি বা সম্প্ৰদায় কেতিয়াও প্ৰতিবন্ধক হব নোৱাৰে।

এইদৰেই আমি আন্তৰ্জাতিক ভ্ৰাতৃত্ববোধ আনিবলৈ সক্ষম হব পাৰিম। ইছলামেই এই ক্ষেত্ৰত আগভাগ লৈছে আৰু মানুহে ইয়াৰ আদৰ্শ অনুকৰণযোগ্য ডঃ সৰ্ব্বপল্লী ৰাধাকৃষ্ণনে দিয়া উক্তিত ই ফুটি উঠে—"The Concept of brother hood in Islam transcens all barriers of race and nationality, which does not arise any other religion."

★★

"প্ৰকৃত সাহিত্যৰ প্ৰধান লক্ষ্য মুক্তি। যি সাহিত্যৰ ভিতৰত স্বাধীনতাৰ প্ৰেৰণা, মুক্তিৰ বন্ধন বিহীনতা স্বচ্ছন্দে লিখিবৰ শক্তি নাই সেই সাহিত্য মৃতবৎ।"

—লক্ষ্মীনাথ বেজবৰুৱা



প্ৰবন্ধ

# কবিতা আৰু ৰাজনীতি

★ মহম্মদ কাজী আলতাফ হুছেইন
বি, এ প্ৰথম বাৰ্ষিক।

ৰাজনৈতিক আদৰ্শ, মতবাদ অথবা সংগঠণৰ সৈতে সম্পৃক্ত কাব্যই তৎকালীন ভাৱে পঢ়ুৱৈৰ মনোযোগ আকৰ্ষণ কৰিবলৈ হয়তো সক্ষম হব পাৰে; কিন্তু সেই সক্ষমতা আহিব একমাত্ৰ কাব্যিক গুণৰ বাবেহে অৰ্থাৎ ৰাজনৈতিক বিষয় সমূহ মানবিক চিন্তাৰ দ্বাৰা সিক্ত হৈ কাব্যৰস সৃষ্টি কৰাত কৃতকাৰ্য্য হলেহে সেই কাব্যক প্ৰকৃতপক্ষে কবিতা আখ্যা দিব পাৰি, অন্যথাই কাব্য হিচাপে সেই কবিতাবোৰ অৰুচিকৰ হৈ পৰে। এই শতিকাৰ অন্যতম শ্ৰেষ্ঠ কবি টি-এছ এলিয়টে এটা প্ৰবন্ধত এই দৰে ৰাজনৈতিক কবিতাৰ মূল্যায়ণ কৰিছে। সেই মূল্যায়ণত নিহিত সত্যাসত্য বিচাৰ কৰি চালে উপলব্ধি হয় যে এলিয়টৰ মূল্যায়ণত কাব্যৰ এক মৌলিক প্ৰশ্ন উত্থাপিত হৈছে কবিতা কি আৰু ই কেনে হোৱা উচিত এই বোৰ বুনিয়াদী প্ৰশ্নও ইয়াৰ সৈতে সংশ্লিষ্ট হৈ পৰে।

সন্দেহ নাই যে মানৱহৃদয়ৰ সূক্ষ্ম অনুভূতি বোৰ প্ৰকাশৰ মাধ্যমেই হল কবিতা। প্ৰেম, ক্ৰোধ, অস্তিত্বৰ সমস্যা, সামাজিক বৈষম্যৰ প্ৰতি সজাগ দৃষ্টি আদি কবিতাৰ আবহমান কালৰ উপাদান। প্ৰকৃতপক্ষে কবি শব্দটোৰ সৈতে এনে এক অভিধানিক অৰ্থ নিহিত হৈ আছে যে কবি সকলেই হল সমাজৰ বিবেক। য'ত অন্যায় অত্যাচাৰ সংঘটিত হৈছে, তাত

ৰাজনৈতিক বা সামাজিক চিন্তাত উদ্বুদ্ধ লোক সকলে প্ৰতিবাদ কৰিবলৈ আগবাঢ়ি যোৱাটো স্বাভাৱিক। কিন্তু তেওঁলোকে কোনো ধৰণৰ স্বাৰ্থৰহিত বুদ্ধিৰ দ্বাৰা প্ৰণোদিত হৈহে এই কামত অগ্ৰসৰ হয় বুলি কলে— হয়তো সত্যৰ অপলাপ নহব। কিন্তু কবিৰ প্ৰতিবাদ সকলো সংকীৰ্ণ সীমাৰেখাৰ উৰ্দ্ধত বিৰাজ কৰে কাৰণেই কৱিতাৰ আবেদনে বৃহত্তৰ সমাজৰ চিত্তক স্পৰ্শ কৰি সেই সমাজৰ প্ৰতিজন লোককে সমস্যাৰ প্ৰতি চিন্তিত কৰি তোলে। সৰল ভাষাত কবলৈ গলে কবিৰ কাম হল মানুহৰ সুক্ষ্ম চিন্তাত অনুসৰণ জগোৱা বাগাড়ম্বৰৰ প্ৰয়োজন এই কামত নাই। তথাকথিত 'প্ৰগতিবাদী' সাহিত্যই কিয় সমাজ জীৱনত প্ৰভাৱ পেলাব পৰা নাই, সেই কথা পৰ্য্যালোচনা কৰি চালে দেখা যায় যে সেইবিধ মাৰ্কামাৰা সাহিত্যত অন্ততঃ সাৰশূণ্য (?) কেতবোৰ শক্তিৰ চৰ্বিত চৰ্বণ হোৱা বাবেই পঢ়ুৱৈ সাধাৰণতে তাত নিজৰ অনুভূতি তথা চিন্তাৰ প্ৰতিফলন নেদেখে। ৰাজনৈতিক মতবাদ প্ৰচাৰৰ কাব্যতকৈ গদ্য যে বেছি শক্তিশালী মাধ্যম, তাত দ্বিমত হোৱাৰ কাৰণ নাই বুলিয়েই ভাবোঁ। কাব্যও ৰাজনৈতিক মতবাদ প্ৰচাৰৰ মাধ্যম হব পাৰে একমাত্ৰ তেতিয়াহে যেতিয়া কবিয়ে নৈৰাত্ম্যসিদ্ধি ( Negative Capalility ) বা নৈব্যক্তিকতা (Impers quality) লাভ কৰিবলৈ সক্ষম হয়। কোনো সুদূৰ কালত কাব্যই হয়তো পোনপটীয়া ভাৱে সমাজৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰিবলৈ সক্ষম হৈছিল। কিন্তু আজি কাব্যৰ পৰা এনেকুৱা তাৎক্ষণিক প্ৰভাৱ যে বিলুপ্ত হৈছে সেইয়া এক নিৰ্ম্মণ সত্য। গতিকে কৱিতাক ৰাজহুৱা মতবাদৰ বাহন বা মাধ্যম কৰিবলৈ হলে কবি সকলে যে নানা কৌশলৰ আশ্ৰয় লব লাগিব তাক অস্বীকাৰ কৰিব নোৱাৰি।

এই কথা স্বীকাৰ্য্য যে একমাত্ৰ 'কলাকাৰৰ' বাবে বোলা শ্লোগানৰ পক্ষপাতী কবি সাহিত্যিক সকলৰ ব্যতিৰেকে সকলো কবি সাহিত্যিকে সদায় এক প্ৰতিপক্ষ চকুৰ সমুখত ৰাখিয়েই সৃষ্টি কৰ্মত প্ৰবৃত্ত হয়। তৎসত্বেও শৈল্পিক ৰীতিৰ প্ৰতি আনুগত্য প্ৰকাশেই হব লাগিব কাব্য সৃষ্টিৰ প্ৰথম চৰ্ত। পোনপটীয়াকৈ কব খোজা কথাবোৰক কাব্যিক ফৰ্মৰ মাধ্যমেৰে প্ৰকাশ নকৰি গদ্যৰ জৰিয়তে কলেহে অধিক ফলপ্ৰসূ হয় বুলিয়েই মই ভাবো।

অনাচাৰ অত্যাচাৰৰ হাত সাৰি থকা কোনো ৰাষ্ট্ৰতেই সম্ভৱ নহয় যেন অনুমান হয়। য'ত এইবোৰ মাত্ৰাতিৰিক্ত হৈ উঠে, ত'তেই সমাজৰ শুভবুদ্ধি সম্পন্ন লোকসকল প্ৰতিবাদ মুখৰ হৈ পৰে। কবিয়ে এই প্ৰতিবাদকে অন্তৰ পৰশাৰৈক ৰূপ দিবলৈ লেখনী তুলি লয়। ইতিহাসৰ একোটা অধ্যায়ত নিজৰ প্ৰতিবাদৰ দৃষ্টিভংগীৰ স্বাক্ষৰ ৰাখি যোৱাই কবিৰ উদ্দেশ্য। লগে লগে সামাজিক দৃষ্টিভংগীক প্ৰভাৱান্বিত কৰিব পাৰিলে আজিৰ যুগৰ কবিৰ কাৰণে সেইয়া যে এক অতিৰিক্ত সফল হব তাত সন্দেহ নাই। ●●



# প্ৰ'টিন ( Protein )

## প্ৰ'টিন ঃ— মানুহৰ বৃদ্ধিৰ বাবে অপৰিহাৰ্য্য বস্তু।

আব্দুৰ ৰহিম। এম, এচ্, চি
প্ৰবক্তা, ৰসায়ণ বিভাগ।

আমি খোৱা আহাৰত থকা পুষ্টি দ্ৰব্যবোৰক ছয়টা প্ৰধান ভাগত ভাগ কৰা হৈছে। এই ভাগ কেইটা হ'লঃ—

১। কাৰ্বোহাইড্ৰেট ( Carbohydrate )
২। চৰ্বী ( Fats )
৩। প্ৰ'টিন ( Protein )
৪। মণিক ( Minerals )
৫। ভিটামিন ( Vitamins )
৬। পানী ( water )

ইয়াত আমি পুষ্টিদ্ৰব্য প্ৰ'টিনৰ বিষয়ে আলোচনা কৰিম। মানুহৰ পৰিপুষ্টিৰ কাৰণে এবিধ অত্যাৱশ্যকীয় পদাৰ্থ হল প্ৰ'টিন। প্ৰ'টিন শব্দটো এটা গ্ৰীক শব্দৰ পৰাই আহিছে; ইয়াৰ অৰ্থ হল প্ৰথম। প্ৰ'টিনৰ প্ৰয়োজনীয়তালৈ লক্ষ্য কৰিলে এই অৰ্থ অতি সুন্দৰ ভাবে পোৱা যায়। প্ৰাণী আৰু উদ্ভিদৰ সকলো জীৱিত কোষতেই প্ৰ'টিন থাকে। কিছুমান প্ৰ'টিনে কোষ গঠণত পোনপটীয়াভাৱে ভাগ লয় আৰু আন কিছুমানে এনজাইম হিচাপে থাকি দেহৰ অত্যাৱশ্যকীয় ৰাসায়নিক প্ৰক্ৰিয়াবোৰ (ডাঙৰ অনুসংশ্লেষণ কৰা আৰু ডাঙৰ অনু ভাঙি শক্তি উদ্ভৱ কৰা) সুকলমে চলাত সহায় কৰে। শৰীৰৰ বৃদ্ধিমানেই হৈছে কোষৰ উৎপাদন আৰু বিকাশ। গতিকে কোষগঠনকাৰী অনু অনবৰত দেহে পাই নাথাকিলে দেহৰ বৃদ্ধি হব নোৱাৰে। প্ৰ'টিনে দেহৰ বৃদ্ধিত সহায় কৰে। প্ৰাপ্তবয়স্ক লোকৰ দেহৰ বৃদ্ধি নহয়। কাৰণ এটা নিৰ্দ্দিষ্ট বয়সৰ পাছত শৰীৰৰ বৃদ্ধি বন্ধ হয়। কিন্তু প্ৰ'টিনৰ প্ৰয়োজন নাইকিয়া হৈ নাযায়, কাৰণ শৰীৰত প্ৰতি মুহুৰ্ততে চলি থকা অসংখ্য ৰাসায়নিক প্ৰক্ৰিয়া সুচাৰুৰূপে চলাবলৈ এনজাইম (প্ৰ'টিন) লাগে। আনহাতে যদিওঁ বাহ্যিকভাৱে শৰীৰৰ বৃদ্ধি নহয় তথাপি দেহৰ কোষ গঠণ কৰা ৰাসায়নিক পদাৰ্থবোৰ ভাঙি যায় আৰু নতুন পদাৰ্থই তাৰ ঠাই লয়। এনেদৰে বিভিন্ন অংগ প্ৰত্যংগৰ কোষবোৰ নতুন হৈ থাকে। কিছুমানৰ এনে নবীকৰণ (New formation)খুউৱ দ্ৰুততৰ আৰু কিছুমানৰ মন্থৰ।

উদাহৰণ স্বৰূপে কলিজা ( heart ), যকৃত ( liver ) আৰু বৃক্কৰ ( kidney )ৰ আধামান কোষ নতুন হবলৈ মাথোন দহদিন সময় লাগে। গতিকে প্ৰায় দহ সপ্তাহ পাছত কলিজা, যকৃত আৰু বৃক্ক প্ৰায় নতুন হৈ পৰে। এই নৱীকৰণ প্ৰক্ৰিয়াত প্ৰ'টিন লাগে। মাংস পেশী আৰু হাড়ৰ নৱীকৰণ প্ৰক্ৰিয়া খুউব মন্থৰ।

শৰীৰৰ ভিতৰত ভাগি যোৱা প্ৰ'টিনৰ কিছু অংশ নতুন প্ৰটিনলৈ ৰূপান্তৰিত হয়। কিছু অংশ ইউৰিয়া হিচাপে প্ৰস্ৰাৱৰ লগত দেহৰ বাহিৰ হৈ যায় আৰু কিছুমান প্ৰ'টিনৰ পৰা শক্তি উৎপন্ন হয়। গতিকে প্ৰ'টিনৰ নিয়মীয়া যোগান নহ'লে দেহ বিকল হৈ যাব।

### প্ৰ'টিনৰ কাম কি কি ?

প্ৰ'টিনে তলত উল্লেখ কৰা কামবোৰ কৰে—

১। প্ৰ'টিনে দেহ গঠণত অংশ গ্ৰহণ কৰে। প্ৰ'টিনেই পেশী, টেণ্ডন, তেজ, ছাল, হাড়, নখ চুলি আদি গঠণ কৰে। গতিকে শৈশৱত নতুন কলা গঠণৰ সময়ত অথবা গৰ্ভধাৰণৰ পাছত পৰ্যাপ্ত পৰিমাণে প্ৰ'টিন লাগে।

২। দেহ প্ৰ'টিনৰ ভঙা-গঢ়া চলি থাকে। গতিকে দেহৰ বিভিন্ন অংগ-প্ৰত্যংগৰ আকাৰ সুস্থিৰ ভাৱে ৰাখিবলৈ প্ৰ'টিনৰ প্ৰয়োজন। কাৰণ ভাঙি যোৱা প্ৰ'টিনৰ স্থান আন প্ৰ'টিনে লয়।

৩। প্ৰ'টিনে দেহৰ অসংখ্য ৰাসায়নিক প্ৰক্ৰিয়া নিয়ন্ত্ৰণত অংশ গ্ৰহণ কৰে। এইবোৰ প্ৰ'টিনক এনজাইম বুলি কোৱা হয়। বহুত হৰমোন প্ৰকৃততে প্ৰ'টিন তেজৰ হিমোগ্লোবিনো প্ৰধানকৈ প্ৰ'টিনেৰেই গঠিত হয়। ইয়াৰ সামান্য অংশ হল লো।

৪। দেহৰ বিভিন্ন অংশৰ মাজত হোৱা ৰস ( পানী+আন পদাৰ্থ )ৰ চলাচল নিয়ন্ত্ৰণৰ লগতো প্ৰ'টিন জড়িত।

৫। শৰীৰত তেজ প্ৰসম (Neutral) অৱস্থাত থকা দৰ্কাৰ; নহলে কোষৰ স্বাভাৱিক কামত বাধা পৰে। প্ৰ'টিনে তেজ প্ৰসম (Neutral) কৰি ৰখাত সহায় কৰে।

৬। প্ৰ'টিনৰ পৰা শক্তিবো উদ্ভৱ হয়।

৭। প্ৰ'টিনে বেমাৰৰ বীজাণুৰ বিৰুদ্ধে প্ৰতিৰোধ ক্ষমতা গঢ়ি তোলাত প্ৰয়োজনীয় এন্টিবডি (Antibody) তৈয়াৰ হোৱাত সহায় কৰে।

### আমি প্ৰ'টিন কৰপৰা পাওঁ —

আমি খোৱা নিৰামিষ বা আমিষ সকলো ধৰণৰ আহাৰতেই প্ৰ'টিন থাকে। কিন্তু খাদ্য বস্তু ভেদে প্ৰ'টিনৰ পৰিমাণ আৰু গুণৰ তাৰতম্য হয়। প্ৰ'টিনৰ গুণ নিৰ্দ্ধাৰণ কৰা হয় তাত থকা এমিনো এছিড (Amino acid)ৰ প্ৰকাৰ আৰু পৰিমাণ অনুসৰি।

প্ৰ'টিন হল এটা বৰ ডাঙৰ অনু আৰু এই ডাঙৰ অনুগঠন হয় কিছুমান সৰু সৰু অনু লগ লাগি। অৱশ্যে এই সৰু অনুবোৰ দল হিচাবে হ'ল এমিনো এছিড। অৰ্থাৎ এমিনো এছিড অনু কিছুমান লগলাগি প্ৰ'টিন হয়। প্ৰ'টিন গঠণত ভাগ লয় ২২বিধ এমিনো এছিডে। সকলো প্ৰ'টিন অনুৰেই আকৌ একে ধৰণৰ নহয়। প্ৰ'টিনৰ প্ৰকাৰ ভেদে তাক গঠণ কৰা এমিনো এছিডৰ প্ৰকাৰ আৰু সংখ্যাও বেলেগ বেলেগ। বেলেগ বেলেগ জীৱৰ দেহত বেলেগ বেলেগ ধৰণৰ আৰু বিভিন্ন সংখ্যাৰ প্ৰ'টিন থাকে। গতিকে মাংসত থকা প্ৰ'টিন আৰু ছয়াবীন বা উৰহীৰ গুটিত থকা প্ৰ'টিনৰ গঠন বেলেগ। উদ্ভিদ প্ৰ'টিন বা



পঠা ছাগলীৰ মাংসৰ প্ৰ'টিন মানুহে খালে সেই প্ৰ'টিনে পোনে পোনে মানুহৰ দেহ গঠনত নালাগে, প্ৰথমতে দেহৰ ভিতৰত প্ৰ'টিন অনুবোৰ ভাঙি এমিনো এছিডলৈ পৰিৱৰ্ত্তিত হয় আৰু সেই এমিনো এছিডবোৰ বেলেগ বেলেগ ক্ৰমত লগলাগি মানুহৰ প্ৰ'টিন তৈয়াৰ কৰে।

এই ২২বিধ এমিনো এছিডৰ ১৪ বিধহে মানুহৰ শৰীৰত সংশ্লেষিত হব পাৰে। বাকী ৮ ( আঠ ) বিধ নোৱাৰে। গতিকে এই আঠ বিধ নোৱাৰে। গতিকে এই আঠবিধ এমিনো এছিড খাদ্যৰ লগত মানুহে খোৱা উচিত। সেয়েহে এই আঠবিধক অপৰিহাৰ্য্য বুলি কোৱা হয়। এই কেইবিধ হ'ল—

ক) লাইছিন (ঙ) থাঅ'নাইন
খ) ট্ৰাইপ টোফেন (চ) লিউছিন
গ) ফিনাইল-এলানাইন (ছ) আইছো লিউছিন।
ঘ) মিথিয়'নাইন (জ) ভেলিন

শিশুৰ বাবে আন এবিধ এমিনো এছিড অপৰিহাৰ্য, সেইবিধ হল হিষ্টিডিন (Hystidine)। যিহেতু ওপৰত দিয়া এই আঠবিধ এমিনো এছিডৰ বাদে আনবোৰ শৰীৰত কম বেছি পৰিমানে তৈয়াৰ হয়। সেয়েহে খাদ্যত সিহঁতৰ পৰিমাণ কম হলেও হয়। গতিকে উৎকৃষ্ট আহাৰত বেছি পৰিমাণে প্ৰ'টিন থাকিব লাগে, যাতে এইবোৰে অপৰিহাৰ্য্য এমিনো এছিডৰ পোনপটীয়া প্ৰয়োজন পুৰোৱাৰ বাহিৰেও এইবোৰৰ অতিৰিক্ত যিনিৰ পৰা দেহে আনবোৰ তৈয়াৰ কৰি ল'ব পাৰে। যিবোৰ প্ৰ'টিনে এই দুয়োটা প্ৰয়োজন ভালদৰে পুৰাব পাৰে তাকে সুষম প্ৰ'টিন বোলে। সাধাৰণতে দেখা যায় যে প্ৰাণীৰ পৰা পোৱা প্ৰ'টিনবোৰ সুষম, আৰু উদ্ভিদজাত প্ৰ'টিন (ছয়াবিন প্ৰ'টিনৰ বাহিৰে) সুষম নহয়। মাছ, মাংস, কণী গাখীৰ আদিৰ প্ৰ'টিনৰ এমিনো এছিড মানুহৰ দেহৰ এমিনো এছিডৰ লগত মিলে। এইবোৰ আহাৰক সেয়েহে সম্পূৰ্ণ প্ৰ'টিন আহাৰ বোলে। আনহাতে উদ্ভিদজাত প্ৰ'টিন আহাৰ যেনে— দাইল; শাকপাচলী, উৰহী আদিক অসম্পূৰ্ণ প্ৰ'টিন আহাৰ বোলে। কিয়নো ইহঁতৰ পৰা দেহৰ এমিনো এছিডৰ প্ৰয়োজন আংশিক ভাৱেহে পূৰণ হয়। আনহাতে প্ৰাণীজাত প্ৰ'টিন সহজে হজম হয়, কিন্তু উদ্ভিদজাত প্ৰ'টিন হজম হবলৈ বহু বেছি সময় লাগে।

মানুহৰ খাদ্যত থকা প্ৰ'টিনৰ পৰিমাণ আৰু গুণ দুয়োটাই পৰিপুষ্টিত প্ৰধান ভূমিকা লয়। কণীত প্ৰ'টিন থাকে ১২% আৰু বাদামত থাকে ২৫%। কিন্তু প্ৰ'টিন আহাৰ হিচাপে কণীৰ স্থান বাদামতকৈ বহুত ওপৰত, কিয়নো কণীত থকা প্ৰ'টিনত প্ৰয়োজনীয় সকলোবোৰ এমিনোএছিড সুষম হিচাপে থাকে। কেৱল বাদামৰ প্ৰ'টিন খাই থাকিলে অলপ দিনৰ ভিতৰতে শৰীৰৰ কিছুমান এমিনো এছিডৰ অভাৱে দেখা দিব আৰু স্বাস্থ্যৰ অৱনতি ঘটিব।

গতিকে মানুহে উপযুক্ত পুষ্টি সাধনৰ বাবে বিভিন্ন ধৰণৰ প্ৰ'টিন (অৰ্থাৎ প্ৰ'টিন থকা খাদ্য) খোৱা দৰকাৰ। তেনে কৰিলে এবিধ খাদ্যত নথকা প্ৰ'টিন আনবিধৰ পৰা

পাব। এইফালৰ পৰা চাবলৈ গলে ভাৰতীয় আঁহাৰৰ পৰা ( বিশেষকৈ আমিষ আহাৰৰ পৰা) প্ৰয়োজনীয় প্ৰ'টিন সহজেই পোৱা যায়।

কিছুমান নিৰামিষ ভোজীয়ে কোনোধৰণৰ প্ৰাণীজাত আহাৰ মাথায়, আনকিছুমানে মাছ মাংস নাখালেও গাখীৰ আৰু কণী খায়। গাখীৰ প্ৰ'টিনৰ এটা ভাল উৎস। কিন্তু কিছুমান মানুহে গাখীৰত থকা লেক্‌টোজ নামৰ শৰ্কৰা ( Carbohydrate ) হজম কৰিব নোৱাৰে, কিন্তু দৈত থকা লেক্‌টোজ পাৰে। সেইবাবে এওঁা গাখীৰ খাব নোৱাৰা বোৰেওঁ দৈ খাই প্ৰ'টিনৰ অভাৱ পূৰাব পাৰে।

আমিষ আৰু নিৰামিষ দুয়োধৰণৰ আহাৰৰ পৰাই উপযুক্ত পুষ্টি সাধন হব পাৰে। কিন্তু পুষ্টিকৰ নিৰামিষ আহাৰ পাছনি কৰাটো অতিশয় কষ্ট সাধ্য আৰু কোনো কোনো ক্ষেত্ৰত ( বস্তুৰ দুস্প্ৰাপ্যতা বা অধিক মূল্যৰ বাবে ) অসম্ভৱো।

আহাৰত যথেষ্ট পৰিমাণে প্ৰ'টিন নাথাকিলে বা খোৱা প্ৰ'টিন সুষম নহ'লে মানুহ পুষ্টিহীনতাত ভুগিব লাগে। কিছুমান দেশৰ দুখীয়া জন সাধাৰণে কেৱল এবিধ মাথোন শস্যৰ ওপৰত প্ৰধানকৈ নিৰ্ভৰ কৰে বাবেওঁ প্ৰ'টিনৰ অভাৱত ভোগে। গতিকে নিৰামিষ ভোজীয়েই হওঁক বা আমিষ ভোজীয়েই হওঁক শৰীৰত প্ৰ'টিনৰ অভাৱ নোহোৱাকৈ ৰাখিবলৈ হলে নানা তৰহৰ শাক পাচলি, দাইল, ফলমূল, গাখীৰ আদি খোৱা যুগুত।

প্ৰ'টিনৰ অভাৱ হলে বৃদ্ধি ব্যাহত হয়, সোণকালে ভাগৰ লাগে, শৰীৰত অস্থিৰতা আহে আৰু বেমাৰে সোণকালে আক্ৰমণ কৰে। কিন্তু প্ৰ'টিন থকা খাদ্য কিনিব নোৱাৰা বাবে বহুতৰে শৰীৰত প্ৰ'টিনৰ অভাৱ জনিত বেমাৰ আজাৰে দেখা দিয়ে। উৰহী জাতীয় শাক-পাচলি বেচি পৰিমাণে খাই বহুত থিনি প্ৰ'টিন সহজে পাব পাৰি। উৰহীগুটি প্ৰ'টিনৰ অতি সমৃদ্ধিশালী উৎস।

## প্ৰ'টিনৰ নতুন উৎস

আজিকালি উদ্ভিদৰ পৰা প্ৰ'টিন আহৰণ কৰি বিশুদ্ধ প্ৰ'টিন টুকুৰা তৈয়াৰ কৰিব পৰা পদ্ধতি ওলাইছে। তেনেদৰে প্ৰস্তুত কৰা ছয়াবিন প্ৰ'টিনৰ ' মাংস ' বজাৰত কিনিবলৈ পোৱা যায়। তদুপৰি গছৰ পাত, ঘাঁহ উণ কপাহৰ গুটি আদিৰ পৰাওঁ প্ৰ'টিন প্ৰস্তুত কৰিব পৰা পদ্ধতি ওলাইছে। আলফালফা আৰু ধপাতৰ ঘন আৰক (কথ) আহৰণ কৰি খাদ্য হিচাবে ব্যৱহাৰ কৰিবৰ বাবে কেইবা-খনো দেশত পৰীক্ষা চলি আছে।

ইয়াত প্ৰ'টিনৰ উপৰিও চৰ্বীও থাকে। নাইজেৰিয়াত প্ৰ'টিনৰ অভাৱত কোৱাশ্বিৰকৰ ( Kwashiorkor ) ৰোগত ভোগা শিশুক এনে পাতৰ আৰক খাবলৈ দি ৰোগ নিৰাময় কৰিব পৰা গৈছে। এইবোৰৰ উপৰিও কিছু-মান অতি সূক্ষ্ম এককোষী শেলাই ইষ্ট, ভেকুৰ আদিৰ পৰাও খুব বেছি পৰিমাণে প্ৰ'টিন আহৰণ কৰিব পৰা গৈছে। তদুপৰি, কৃত্ৰিম উপায়েৰে উদ্ভিদৰ কোষৰ খেতি কৰিও প্ৰ'টিনৰ উৎপাদন কৰিব পৰা যায়। এই আটাইবোৰ পদ্ধতিৰ ব্যৱসায়িক প্ৰয়োগ হলে প্ৰ'টিনৰ অভাৱ বহু কমিব।



## প্ৰ'টিনৰ উত্তম উৎস

মাছ মাংস, উৰহী, মটৰ, মুগ, বুট মচুৰ আদিৰ গুটি, গাখীৰ, কণী, চাউল, ঘেহু ৰুটি আদি।

## পৰিপুষ্টিত প্ৰ'টিনৰ ভূমিকা

১) উপযুক্ত পৰিমাণে প্ৰ'টিন পালে দেহৰ বৃদ্ধি নিয়মীয়া হয়, মাংসপেশী সুদৃঢ় হয়।

২) কাম কৰিবৰ বাবে উদ্যম থাকে; শাৰিৰিক ভাৱে সক্ষম বুলি অনুভূতি হয়।

৩) কোনো কোনো বীজানুৰ আক্ৰমণৰ পৰা ৰক্ষা পাবলৈ, ৰোগৰ পৰা নিৰাময় হবলৈ, আঘাত শুকাবলৈ, আৰু অস্ত্ৰোপচাৰৰ পাচত সোনকালে সুস্বাস্থ্য ঘুৰাই পাবলৈ হলে বেছি পৰিমাণে প্ৰ'টিনৰ প্ৰয়োজন।

## শেলাইৰ চাট্‌নি, পঁইতাচোৰা ভজা আৰু বোন্দা কেচুৰ টেঙা

মানুহে খাব খুজিলে প্ৰায় ৮০,০০০ (Eight thousands ) বিধ উদ্ভিদ খাব পাৰে, কিন্তু তাৰে ৩,০০০ হে খায়। মানুহে উদ্ভিদৰ পৰা পোৱা প্ৰ'টিন আৰু কেলোৰিৰ ৯৫% আহে মাত্ৰ ৩০ বিধ উদ্ভিদৰ পৰা।

বিজ্ঞানী সকলৰ মতে, পঁইতাচোৰা, কাকতি ফৰিং আৰু শামুক মানুহৰ খাদ্যৰ বাবে উপযোগী। আনকি বোন্দা কেঁচুও খায়। এইবিধ কেঁচুত কেইবিধমান অত্যাৱশ্যকীয় এমিনো এছিড যথেষ্ট বেছিকৈ থাকে আৰু ইয়াক পুহিবলৈ সহজ। ফিলিপিনছৰ দুই এখন হোটেলত কেঁচুৰ টেঙা আঞ্জা খাবলৈ পোৱা যায়।

## মানুহৰ দৈহিক সম্পদ। (জানিব লগীয়া কথা )

এগৰাকী পূৰ্ণবয়স্ক মানুহৰ দেহত কি কি বস্তু কিমান পৰিমাণে থাকে তাৰ এটি হিচাপ মোটামোটি ভাৱে বিজ্ঞানী সকলে উলিয়াইছে। এজন পূৰ্ণবয়স্ক মানুহৰ শৰীৰত ৪৫ লিটাৰ পানী থাকে আৰু যিখিনি চৰ্বি থাকে তাৰে সাত টুকুৰা চাবোন বনাব পাৰি। এক চামুচ মেগ্‌নেচিয়াম পোৱা যায়। শৰীৰত থকা লোহাখিনিৰে তৈয়াৰ কৰিব পাৰি দুই ইঞ্চি দীঘল এডাল লোহাৰ পেৰেক আৰু ফচফৰাচ যিখিনি পায় তাৰে ২০০০ টা দেশলাই কাঠীৰ বাৰোদ হৈ যায়। সেইভাৱে দেহৰ জমা কাৰ্বনখিনিৰে ৯০০০ টা পেন্‌চিলৰ জোঙৰ কলা খিনি সাজিব পাৰি। আৰু যি চূণ মিলে, অনায়াসে সেইখিনিৰে এখন দেৱাল হোৱাইট ওৱাচ কৰিব পাৰি। আচৰিত যেন লাগিছে নেকি ?

( সংগ্ৰহ কৰা )

ৰস-ৰচনা

# ॥ পৰীক্ষাৰ মহিমা ॥

● আবুবাক্কাৰ ছিদ্দিক
২য় বাৰ্ষিক প্ৰাক্‌বিশ্ববিদ্যালয়
( বিজ্ঞান শাখা )

ৰচনাখন লিখাৰ আগতে মই আপোনালোকক এটা প্ৰশ্ন সোধো—আপোনালোকে পৰীক্ষা নামৰ মহিমামণ্ডিত বস্তুটোক দেখিছেনে ? নিশ্চয় দেখা নাই, নহয় নে ? কিন্তু কলে কি হব, মইয়ো ইয়াক দেখা নাই ।

থাক সেইবোৰ কথা থাকক, এতিয়া আমি আচলকথালৈ আহোঁ। মানে কথাটো হ'ল এদিন মই আকস্মিক বক্তৃতাত অংশ গ্ৰহণ কৰিছিলোঁ। তাত মোৰ ভাগ্যত পৰিছিল " পৰীক্ষা "। শ্লিপ্‌খন দেখিয়েই মোৰ অণ্ঠ কণ্ঠ শুকাই গ'ল । দোকানৰ হলে সেইখন শ্লিপ্ মই ক্লিপ্ লগাই থৈ দিলোহেঁতেন । চাকৰিয়াল মানুহে মোক পৰীক্ষাৰ বিষয়ে কবলৈ কলে মই তাক দৰখাস্ত কৰি বৰখাস্ত কৰিলোহেঁতেন কিন্তু ইয়াত আৰু উপায় নাই। মই বাধ্য লৰাৰ দৰে কবলৈ ধৰিলোঁ— ।

" মাননীয় সভাপতি মহোদয়, আজি মোৰ ভাগ্যত পৰিছে ' পৰীক্ষা ' ' পৰীক্ষা ' এবিধ নেদেখা বীৰ, ই ভূত··· ··· ··· ··· ··· । বক্তৃতা দি আহোতে এজন মানুহে মোক সুধিলে, " এই ভাইটি, তুমি আজি সভাত কি বক্তৃতা দিলা—? " মই কলো কিয় ? মানুহজনে কলে ॥ এঃ তুমিচোন কিবা পৰীক্ষা টোক বীৰ, ভূত ইত্যাদি আখ্যা দিলা। " মোৰ খঙত মুখ ৰঙা পৰি গ'ল । খঙে চুলিৰ আগ পালে, কলো—হেৰি আপুনি কথাটো বুজানাই, নুবুজাকৈ মোক আপুনি দোষাৰোপ কৰিছে কিয় ?

ছাত্ৰ-ছাত্ৰী ভাই বন্ধুসকল, পৰীক্ষাটোক ভূত বুলি কোৱা বাবে আপোনালোকৰ হাঁহি উঠিছে নহয় নে ? কিন্তু মোক পেংলাই নকৰিব । ই পেংলাইৰ কথা নহয়। আপোনালোকে বুজিবৰ চেষ্টা কৰক মই কিয় ইয়াক ভূত বুলি আখ্যা দিছো। পৰীক্ষা—পৰীক্ষা—পৰীক্ষা— । বাহিৰে ভিতৰে কেবল পৰীক্ষা। প্ৰাইমাৰী বিদ্যালয়ৰ মুখ দেখাৰে পৰা আজি কোপতি পৰীক্ষাৰ হাত সাৰিব পৰা নাই । সেয়েহে আমি কব পাৰো ই ভূত। পৰীক্ষাই ছাত্ৰ ছাত্ৰীক শাৰীৰিক আৰু মানসিক এই দুই পিনে ক্ষতি সাধন কৰে । ই কিন্তু শিক্ষককো ৰেহাই নিদিয়ে। হাতে ভৰিয়ে ধৰি ই সকলোকে নণ্ডৰ নাকতি কৰে ।

আপোনালোকেই কওঁকচোন এই ভূতটোক কোনে আৱিস্কাৰ কৰিলে । তেওঁ নিজেতো হাত সাৰি গ'ল, কিন্তু আমাক এই ছাত্ৰ আৰু শিক্ষক সকলকহে অথাই সাগৰত পেলালে । তেওঁ আমাক আগতে গছত তুলি দি গুৰিত কাটি ৰং চাইছে । তেওঁ যে কি চিন্তা কৰি এই মহিমা মণ্ডিত বস্তুটোক আবিস্কাৰ কৰিলে তাক কেবল ঈশ্বৰেহে জানে ।

যিজনে পৰীক্ষা দিব তেওঁৰ নিচিনা আৱামী লোক বোধহয় এই বিশ্বব্ৰহ্মাণ্ডত নাই। কিন্তু ঘৰৰ পৰিয়ালৰ বাকীবোৰৰ অৱস্থা একেবাৰে শোচনীয় হৈ পৰে। পৰীক্ষাৰ্থীজন কেবল পঢ়ি থাকিব; [কিন্তু অৱশ্যে তেওঁ ফেণ্ট্ৰম মেনড্ৰেকৰ কাহিনীও পঢ়িব পাৰে । সেই কথা ইয়াত কোৱা নাই মুঠতে তেওঁ পঢ়ি থাকিব। ] আৰু বাকীবোৰে তেওঁৰ লাগতিয়াল বস্তুৰ যোগান ধৰিব । তেওঁক জাৰকালি পৰীক্ষা হলে গৰম পানী দিব লাগিব, পেণ্ট, চোলা ইস্ত্ৰি কৰি দিব লাগিব । পাৰিলে কিছুমানক পিন্ধাইও দিব লাগে । তেওঁৰ যাতে খং নুঠে তাৰ প্ৰতি চকু দিব লাগে ।

গতিকে আপোনালোকে কওঁকচোন ঘৰৰ মানুহবোৰ তেওঁৰ চাকৰ হৈ পৰিলনে নাই ? ইয়াৰ বাবে জানো পৰীক্ষাই দায়ী নহয় ? ইতিমধ্যে আপোনালোকৰো পৰীক্ষাৰ ওপৰত খং উঠিছে নহয় নে ? কিন্তু সাধাৰণ পৰীক্ষাই গম পালে আপোনাকো শুধাই নেৰিব । পৰীক্ষাৰ ওপৰত খং কৰি আপোনালোকে কি কৰিব পাৰে বাৰু ? কাৰণ পৰীক্ষা অদৃশ্যমান দেৱী । বহু দেৱ দেৱীৰ পূজা কৰাৰ দৰে অদৃশ্যমান পৰীক্ষাৰ নামত বহু-ছাত্ৰই পূজা পাতল দিয়ে । পূজাৰ প্ৰাৰ্থনা কেনেকৈ কৰে বা মই কেনেকৈ কৰো তাক আপোনালোকক কৈছোঁ—

" পৰীক্ষা গোসাঁই তোমাক
কৰিছোঁ প্ৰাৰ্থনা
ৰিজাল্টৰ সময়ত যাতে মোক
নকৰা লাঞ্ছনা ।
পৰীক্ষা যাতে ভালদৰে দিব
পাৰো মই, পাছ কৰিলে,
তোমাক দিম কল দুই আঁখি ।

গতিকে পৰীক্ষাই যে কিমানজনৰ পৰা পূজা পাতল খাইছে তাক আপোনালোকে কল্পনাও কৰিব নোৱাৰে । পৰীক্ষাৰ নামত বহুতৰে অন্ধবিশ্বাস আছে যেনে, পৰীক্ষাৰ সময়ত কণী, আলু বা আনকোনো গোলাকাৰ বস্তু খাব নাপায় । নহলে পৰীক্ষাতো গোল্লা পাব লাগিব । পৰীক্ষাৰ সময়ত কেচাকল খাব নাপায় মানে পৰীক্ষাতো কেচাকল হব সেয়েহে পৰীক্ষা নেদেখা বীৰ ।

পৰীক্ষাই আমাক এইদৰে নাকত ধৈ চাকত ঘুৰালেও বহুতে পৰীক্ষাকো ঠগায় নুঘুৰাবনো কিয় ? কাৰণ ওস্তাদতকৈয়ো ওস্তাদ আছে। কিছুমান ছাত্ৰই পৰীক্ষাৰ দিন কেইটা ঘৰত বহি থাকি পিছত

"বিনীত নিবেদন এই যে মই আপোনাৰ বিদ্যালয়ৰ অমুক শ্ৰেণীত অধ্যয়ন কৰি আছোঁ। কিন্তু পৰীক্ষাৰ দিন কেইটা মোৰ পেটৰ অসুখ হোৱা বাবে ... ... ... ... ... ... ।"

বুলি এখন ডাঙৰ দৰৰ্খাস্ত মাৰে। এইদৰে পৰীক্ষাকো ছাত্ৰই ঠগায়।

পৰীক্ষাৰ দিন কেইটা ছাত্ৰসকলে বৰ-লোকী মেজাৰৰ হয়, সেই দিন কেইটাত কোনোৱাই কিবা সুধিলে খংটো টিঙিচকৈ মূৰৰ ওপৰত উঠে। এইদৰে পৰীক্ষাৰ যে কিমান মহিমা তাক কৈ অন্ত কৰিব নোৱাৰি জন্মৰ পৰা মৃত্যুলৈ আমাৰ পৰীক্ষা শেষ নাপায়। এই বোলে বাছনি পৰীক্ষা, অমুক পৰীক্ষা তমুক পৰীক্ষা আৰু যে ক'ত পৰীক্ষা। সৰু সৰু লৰা ছোৱালী বোৰক স্কুলত নাম লগাই দিয়াৰ লগে লগে সিহঁতৰ গাত ভূত টোৱে লম্ভিলেই। বিদ্যালয়ৰ মুখ দেখাৰে পৰা সিহঁতৰ গাত ইমান ডাঙৰ পৰ্বতটোৱে আহি খিয় হ'ল। আমাৰ হালিম ভাইৰ কথানো কি কম ? ৮/৯ মাহ আগতে সি প্ৰবেশিকা মহলত উঠিছিল। এই ৮/৯ মাহৰ ভিতৰতে তাৰ গাত পি, ইউ, পৰীক্ষাই পিৰ পিৰালেই।

পৰীক্ষাৰ পৰা ছাত্ৰ-ছাত্ৰীৰ বাহিৰা জ্ঞান মানে যাক ইংৰাজীত কয় Out Knowledge সিও বাঢ়ে। বহুত আগতে বোলে কোনোৱা এখন ঠাইৰ এজন ছাত্ৰই বুৰঞ্জীৰ বহীত লিখিছিল " নানকে খৃষ্টান ধৰ্ম প্ৰচাৰ কৰিছিল। এওঁ লেটিন ভাষাৰ বহু পুথি অসমীয়ালৈ অনুবাদ কৰিছিল।" " আল্লাউদ্দিনে মাৰ্গাৰেটিক বিয়া কৰায়।" নালন্দা বিশ্ব-বিদ্যালয় প্ৰাক শংকৰী যুগত অসমত আছিল। শংকৰ দেৱে নালন্দা বিশ্ববিদ্যালয়ত শিক্ষালাভ কৰিছিল। অনন্ত কন্দলি এওঁৰ মাষ্টৰ আছিল।"

পৰীক্ষাত কিছুমানে আকৌ অসৎ উপায় অৱলম্বন কৰে। মানে যাক কয় নকল বা মছলা। যদিও বেয়া কাম তথাপিও পৰীক্ষাই ছাত্ৰক নকল কৰাবলৈ বাধ্য কৰায়। কোনো এখন ঠাইত এজন ছাত্ৰই পৰীক্ষাত কম নম্বৰ পোৱা বাবে নিজৰ নম্বৰ নিজে দি থৈছিল।

কিছুমান আকৌ পৰীক্ষা প্ৰেমিকো আছে। ডিবৰুৰ এজন ছাত্ৰই দাড়ি চুলি পকালৈকে পৰীক্ষাকে দিয়ে আছিল। কিছুমান ছাত্ৰই আকৌ পৰীক্ষাত পাছ কৰাতকৈ পৰীক্ষাৰ দিন কেইটা গাখীৰ, কণী আদি খাই স্বাস্থ্য বঢ়োৱাতহে বেছি মেনাযোগ দিয়ে। কিছু-মানৰ কাৰণে আকৌ পৰীক্ষাৰ বাবে নতুন পেন্ট চোলা লাগে।


পৰীক্ষাৰ ইমান বিলাক দোষ বা গুণ থাকিলেও পৰীক্ষা বোলা বস্তুটো কিন্তু আধুনিক নহয় দেই ? সত্য, ত্ৰেতা, দাপৰ আৰু কলি এই চাৰিওটা যুগত পৰীক্ষাৰাম বৰ শহকীয়াই মানুহক নাকনি কাননি কৰি আহিছে। সীতাৰ অগ্নি পৰীক্ষা, শ্ৰীবৎসৰ লক্ষ্মী শনি পৰীক্ষা ইত্যাদি নানা ধৰণৰ পৰীক্ষা আদি চাৰি যুগে চলি আহিছে। সেয়েহে আমি আটাইয়ে একমুখে কব পাৰোঁ যে পৰীক্ষা নেদেখা বীৰ। পৃথিবী বিখ্যাত পালোৱানেও ইয়াৰ লগত পৰা টান আছে। আহক আমি সমস্বৰে গাওঁ—

"—পৰীক্ষা তোমাক থলো আঁতৰাই
তুমি আৰু নাহিবা তুনাই মোৰ কাষলৈই"

●●



## নৱজ্যোতি মহাবিদ্যালয় আলোচনী সম্পাদনা সমিতি
## ( ১৯৮৩-৮৪ চন )




প্ৰথম শাৰী ( বহি ) বাওঁফালৰ পৰা — মোঃ কচুম আলী ( সম্পাদক, আলোচনী ) প্ৰৱক্তা গোলাম মহম্মদ মোস্তাফিৰ ( সদস্য ), উপাধ্যক্ষ মোজাম্মেল হুচেইন (উপসভাপতি), অধ্যক্ষ আব্দুচ্ছাত্তাৰ আহমেদ (সভাপতি), প্ৰৱক্তা মনশ্যাম ভৰালী ( তত্বাৱধায়ক আলোচনী ), প্ৰৱক্তা ললিত কোঁৱৰ ( সদস্য ),

২য় শাৰী ( থিয় হৈ ) থলকাৰ মিচু জুবেৰা ( সদস্য ), আব্দুৰ ৰহিম আহমেদ ( সদস্য ), আব্দুল মাজেদ আহমেদ ( সদস্য ), তাজউদ্দিন আহমেদ ( সদস্য ), নেওয়াজুল হক ( সদস্য ) অনুপস্থিত

# Mr. EXAMINATION

Abu Bakkar Siddique
P. U. 2nd year (Science)

★★



Oh, my dear Examination !
I have made no preparation,
I am terribly afraid of you.
Kindly tell me what to do ?

you are early, I am late,
I am daily losing my weight.
But go and go you must,
Let me learn my lesson first.

Go to office and leave my room,
Else, I will use my nasty broom,
I am awfully tired of you,
So, I shall adopt a method new.

★★

# College Improvement from a New Dimension.

Principal A. S. Ahmed

++

On the recommendation of the Vice-Chancellor, Gauhati University I was selected by the national institute of Educational Planninig and Adminstration, New Delhi to underge Principals' Orientation Course in the Country's Capital itself. The duration was for twenty one days. begining from 4th Sept. to 24th Sept. 1984. It was under the financial assistance of the University Grants Commission. Thirty five Principals of college from different provinces of Inbia participated in the Course. Classes were held from 9 A. M. and finished at 6 P. M. regularly with one hour rest for lunch.

Eminents scholars and educationist of the Country delivered their speeches in different sessions. Among those who, with deep sense of dedication for the Course of Higher education made their remarkable speaches were Dr. Maonis Raza, Director, Campus improvement, J. N University, New Delhi. Dr. Satyabhushan, Director, NIEPA. Dr. M.M Chaudhury, Director; Indian Institute of Technology. Dr. Rais Ahmed, Vice-Chairman, U. G. C. Prof. S. K Khanna, Secretary U. G. C. Dr. Amrik Singh, and Dr. G. D Sarma, Director of Management of the Course.

Aim :— Higher Education pauses as the key-issue in the Changing Socio-economic conditions of the India Societies. The age long system of higher education introduced by the British served their purposes in Colonial system of adm!nistration.



It has nothing to-do in the present-day situation of Indian societies. India, now, independent of its colonial rein has its native issues. As a matter of fact higher education in the present day Indian societies should be adopt and precise in view of the needs. Colleges in Indian have been playing the most imporţant roles in spreading higher education, moulding national outlook and building national integrity. Higher education in India must be responsive to the problems of the Indian Societies. It is natural that the centres of higher education in India should have homogeneous impact on heterogeneous Societies. A kind of uniform pattern in higher educational arena should be the guiding principle. In bringing about such result it is essential that the colleges should shoulder the responsibility of producing such generations as per expected to meet the needs. These should be means to the ends. Naturally the students, the teacher and the Society should be very much keen for the improvement of the intrastrutural issues of the colleges.

Oriention :— Emphasis was given, among other ulevant matters mostly on college planning, Even practical coaching was imparted on institutional planning.

Planning is a process of attaining cherished goals which are achieved on the basis of formulated programmes. A college also should have its planning through which goals are achieved with its existing resources. Now question arises here what are the goals of a college. The answer is not intricate. The improvement of academic standard, improvement of games and sports, improvement of cultural activities; improvement of its library and the relevant sides. In doing all such things it is expected that enthusiastic participation of its inmates is a must. The students, the teachers, the librarian, the member of officials and members of the commiunity should invariably be interested in the planning of the college. invlovments of the students, the teachers, the others officials and the members of the commiunity should

bring them closer in all activeness to do the best of services for the improvements of the college. An example given below will illustrate my points.

College Planning Committee

Academic

Principal —Chairman

Hd of Deptts. members

Student representatives-member

Official—member

Librarian—member

Community representative—member

Planning sub-Committee

Academic Deptt. & Faculty improvements.

Hd of Deptt. Chairman

lecturers members

The college planning committee will prepare the plan-annual and long termed. The Head of the Departments will propose for Departmental and Faculty improvements, the student representatives have to report if academic regularity is being maintained, adequate number of teachers are there, and accordingly the officials-regarding office and the librarian regarding library and the community members will report if the interest of the community is being served by the college at all. The sub-committees consisting of the Hd of Deptts. and the lecturers will have directives from the main planning committee and do things accordingly.

Besides, committees like sports committee, library improvement committee, Cultural committee, Recreation committee, Students' welfare committee may be there for all round development of a college.

Now, the implementing all such things it is expected that every teacher of a college shall have his role to play besides his teaching role. In doing so he can prove his own accountability to the students, to his job and to his duty.

The NIEPA sent us to study the best colleges in Delhi— The Hindi College, the Ram Das College St. Stephen College, Colleges in Agra; Jaypur and Chandigarh. The best College I visited was D.A.V. College, Chandigarh. This College having 5000 students. academically excels all other colleges under Punjab University. Tne college



possesses rich Hostels, Playgrounds with full equipments, bank in the campus, Medical facilities even in the campus, Guest house, Principals's and Professor's quarters— all in excellent condition. I think we have yet to be proud of such a college in Assam.

The Orientation Course comprised so many subjects— Taught and learnt within twenty one days which can not be illustrated in three or four pages. But all such things were taughts to dispel all sorts of crisis and nuisances from higher education— the centres of which are college either rural or urban. Let us learn truly and labour hard to make Nabajyoti an ideal College. I wish every Nabajyotian carry its 'jyoti' to wherever he goes, in whatever he does and whatever he speaks.

× ×



# The Role of a Citizen in a Democratic State of India

Miss Rausanara Akhtar
B. A 2nd Year
(Hons)

Citizens are the backbone of a notion. No nation can progress without good citizens. If the citizen is not good the social structure goes to pieces like a house of cards.

Man is a social animal, We cannot lead a life in isolation. He loves to live in the midst of society and his friends and relations. Society moulds the character of a man and consequently he moulds his society by his thoughts and activities. So men and society are closely related to each other.

Before going to discuss the role of citizen, we must know who citizen is and what democracy means.

According to the constitution of India, every person who has his domicile in the territory of India shall be an Indian citizen, if (i) he was born in the territory of India, or (ii) either of his father or mother was born in India or (iii) he hade been ordinarily resided in the territory of India for a tleast five years immediately before the commencement of the constitution. The population of India is devided into two classes. citizen and alian. while, citizen enjoy civil and political rights, alien do not enjoy all of them.

According to president Abraham Lincon Democracy is by the people, for the people andof the people. India is a Democratic state, here we find Indirect type of Democracy. In our democratic state of India there are certain rights and duties of every citizen. Rights and duties are closly related to each other. One who enjoy rights, he must perform certain duties to his society. A citizen should be allowed to enjoy rights because they can not discharge their duties to society without them. one without the other is unthinkable and unworkable.

Rights may be classified in to legal, moral, political and civil. Citizen enjoy freedom of speech, belief, faith and worship. A citizen also enjoy liberty of thoughts and expression. They also enjoy seven fundamental rights. These rights are called "Funbamental" because without these rights no individual can attain his best self. citizens in a democretic state have the right to express their views without any undue restriction.

No citizen can enjoy this rights without performing certain rules of conduct.

In a democratic state the duty of every citizen is alligience to the state. Every citizen must be ready to protect the state from any disturbance. They should help the state to protect the intregrity of India. A citizen's another duty is obedience to law. All men are equal before law. It is the duty of every citizen to cust his vote in the election through universal adult franchise. In this case, citizen must be good and educated. They should know how to elect a good candidate. It is through franchise that the citizen in a democratic state can participate in the Government.

But our country lacked education. There are more than 70% people in India who can not read and write, The educated citizen can educate ignorant citizens of the country by starting night school in their locality.

In our country citizens must follow certain roles of conduct for the success of democracy.

According to J. S Mill, there

are three conditions for the success of democracy, (i) People must be willing to acept democracy, (ii) They must be ready to protect democracy. (iii) they must be willing to work for success of democracy. Democracy cannot be successful without economic and social democracy. It is the duty of every citizen to remove social and economic unequality among them.; political rights can not be enjoyed without economic rights. So, to enjoy political rights we should develop our economic facilities. In democracy peole must have political conciousness. It is necessary to get universal education before giving universal franchise.

It is said that honesty and conciousness are foundtion of democracy. Every citizen must be concious of the economic, political and social problems of his country, and should try to solve them. They should submit their norrow national interest for the greater international interest.

It is the duty of every citizen to remove untouchabitity from our society. So we must try to remove it. We should try to imprvove the feelings of brotherhood ourselves. It improves our national intregration.

The country expects from the citizens. They should create new social order. It also demands from them loyalty and service, integrity and faithfulness. They should develope the spirit of life peacefully tolet others live in peace.

From the above discussion, we can say that citizens have many things to do in our democratic state of India.

★★



# THE ROLE OF A GUARDIAN IN EDUCATION

**Md. Mozammel Hussain**
Vice Principal

★★

In modern times the role of a guardian in education becomes more important than even before. With the increased number of students in educational institutions and diversities of problems that have confronted the world of education a guardian, it is realised, should involve himself in education almost like a teacher. Besides, the very system of education has also invited the guardians to be a part of it.

The ancient system of education was different. There were no Schools and Colleges like the modern ones. The students under the ancient system of education particularly in India were required to remain in the house of their teacher (the Guru) during the whole period of their learning. This kept the pupils in constant touch with their teachers. The students had to work and study under direct supervision of their teachers, and as such there was no need of the guardians to do anything for his studying son. The teacher did everything for his pupil. He gave him lesson took care of his health and mou-lded his character even. Thus the guardians practically had nothing to think about with regard to the education of their children.

But in the modern system of

education we find growth of educational institutions in large numbers in a different atmosphere. A teacher is no longer a 'Guru'. He simply prepares lesson at home and delivers them in class rooms. There ends the duty of a teacher. A student remains in the care of a teacher for a maximum period of six hours in a day. In the existing system, to speak realistically, the student remains not in the care of a teacher but in the care of the administration of the institution during this period of six hours. So barring this period of six hours, a student spends the rest of the day under the care of his guardians, or it may be called outside the school or college administration. I belive that there is no point left to realise the importance of guardians in the existing system of education. The large number of students failing in the examinations at different levels may de attributed to the reasons of the guardians taking no care at all of their children or leaving on the teachers the entire work of educating their children. The parents must create an environment at home quite congenial to all round development of their children and keep a constant watch on them even when they are grown for secondary and higher education.

The above analysis and attribution do not mean that a teacher has no responsibility at all in so far as the success of a student in examination is concerned. "A teacher", as Dr. V. Venkata Rao in his letter to me once said, "is a King-pin of eduational system." He has the greater responsibility no doubt in this respect, but what I mean to say is that the guardians have to see that their children utilise time at home in the pursiut of knowledge and behave properly to form a good character. The head of each educational institution has also to see that every guardian co-operates with the teachers and the system. To create enthusiasm and a spirit of co-operation among the guardians is the task which the head of an educational institution or a project can not



ignore. There are circuars for sittings of the students. the guardians and the teachers together, which the head of an institution is required to arrange at a particular time at an interval ot three months in a year if I am not wrong. The problems of education education and of individual student are generally to be discussed in such a get-together. I regard it as an important Platform through which a lot can be done in upgrading the standard of education and minimising the rate of failurers of students in examinations. Such an initiative is lacking in most cases. It is desirable that the head of an institution should aware of its significance and take interest in arranging such a Plateform.

There are some educational institutions in India, where, as I knew, their are systems of record-books to be maintained by each student. This system provides conveniences for the guardians to know of the performances of their children. Again, in some educational institutions there is a system that the heads of them send performances of students with remarks on their character and conduct direct to their respective guardians in a prescribed record-book. This is very helpful in keeping close touch with the guardians. Some people regard educational institutions as factories. They are factories for producing not inanimate goods, but for producing a living human being— "a perfect man. This is meant that it requires a good deal of exercise from all concerned. The aim of education is changing according to the heads of Society, and we must prepare our students accordingly. And this is that the guardians and the people as a whole should be encouarged to educate their children.

★★

# বিভিন্ন সম্পাদকৰ প্ৰতিবেদন




নৱজ্যোতি মহাবিদ্যালয় আলোচনী

# সাধাৰণ সম্পাদকৰ বছৰেকীয়া প্ৰতিবেদন।

প্ৰতিবেদনৰ আৰম্ভণিতে মই নৱজ্যোতি মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী, অধ্যাপক অধ্যাপিকা আৰু এইখন মহান অনুষ্ঠান প্ৰতিস্থা কৰাৰ বাবে আপ্ৰাণ চেষ্টা কৰা ৰাইজ তথা মহাবিদ্যালয় কৰ্তৃপক্ষলৈ ছাত্ৰ একতা সভাৰ পক্ষৰ পৰা অভিনন্দন জনাইছোঁ।

এই পৰিবৰ্তনশীল পৃথিৱীত মানৱ সমাজ দিনে দিনে সভ্যতা, সংস্কৃতি জ্ঞান বিজ্ঞানৰ প্ৰগতিৰ পথত আগবাঢ়ি আছে। বিশাল পশ্চিম বৰপেটা জিলাৰ ভিতৰত জ্ঞান-বিজ্ঞান সাহিত্য সংস্কৃতি চৰ্চাৰ প্ৰাণকেন্দ্ৰ স্বৰূপ এইখন নৱজ্যোতি মহাবিদ্যালয়। এই মহান অনুষ্ঠানটিৰ নেতৃত্ব লবলৈ যি সকল ব্যক্তিয়ে মোক উৎসাহ উদ্দীপনা দিছিল সেইসকল ব্যক্তিলৈ অভিনন্দন জনাইছোঁ।

মই ইং ১৯৮৩-৮৪ চনৰ সময় ছোৱাৰ বাবে ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক হিচাবে নিৰ্বাচিত হওঁ আৰু ৯/১/৮৪ তাৰিখে কাৰ্য্যভাৰ গ্ৰহণ কৰোঁ। সাধাৰণ সম্পাদক হিচাবে ছাত্ৰ সমাজলৈ মোৰ আহ্বান যে আজি ছাত্ৰসকলৰ মাজত যি বিচ্ছিন্নতাবাদী আন্দোলন গঢ়ি উঠিছে সাম্ৰাজ্যবাদীৰ চক্ৰান্তত যি বিভেদকামী শক্তি মূৰ দাঙি উঠিছে, বিশ্ব-জোৰা যুদ্ধৰ ভাবুকি দেখা গৈছে, বিভেদকামী শক্তিবোৰে আজি আনবিক বোমা নানা ধৰণৰ বিধ্বংসী অস্ত্ৰ-শস্ত্ৰ প্ৰস্তুত কৰি তৃতীয় বিশ্ব-যুদ্ধৰ প্ৰস্তুতি চলাই আছে। এই যুদ্ধ চক্ৰান্ত ব্যৰ্থ কৰাৰ কাৰণে ছাত্ৰ সমাজে শান্তিৰ আন্দোলন তীব্ৰ কৰাৰ প্ৰতিশ্ৰুতি লব লাগিব। সাম্ৰাজ্যবাদীৰ যুদ্ধ চক্ৰান্তৰ বিপৰীতে আজি সমাজতান্ত্ৰিক শক্তি সমূহে শান্তিৰ আন্দোলন গঢ়ি তুলিবলৈ যি আহ্বান দি আছে এই আহ্বানত আমি ছাত্ৰসকল আগবাঢ়ি অহাৰ প্ৰয়োজন হৈ পৰিছে।

আজি, ভাবিলে দুখ লাগে যে অসম তথা ভাৰতৰ শিক্ষাজীৱন সংকটাপন্ন অৱস্থাত। স্বাধীনতাৰ ৩৭ বছৰ পিছতো ভাৰতবৰ্ষত ৭০% লোক নিৰক্ষৰ। চৰকাৰে শিক্ষা সম্প্ৰসাৰণৰ নামত নানাধৰণৰ প্ৰতিশ্ৰুতি ছাত্ৰ সমাজক তথা জনসাধাৰণক দি আছে যদিও বাস্তৱত দেখা যায় শিক্ষা সম্প্ৰসাৰণৰ নামত চৰকাৰে শিক্ষা সংকোচনৰ বাবেহে চেষ্টা চলাই আছে। উদাহৰণ স্বৰূপে নতুন নতুন শিক্ষানুষ্ঠানক চৰকাৰে অনুমতি দিয়াত যথেষ্ট

অৱহেলা কৰি আছে, ছাত্ৰ সকলে ইমান দিনে লাভ কৰি অহা এল, আই, জি, এম-ছি, এম্ আদি বৃত্তিসমূহ অসম চৰকাৰে বন্ধ কৰি দিছে। প্ৰতিবছৰেই শিক্ষাৰ শিতানত ব্যয়ৰ মাত্ৰা হ্ৰাস কৰা দেখা গৈছে।

গতিকে ওপৰত উল্লিখিত অসুবিধাসমূহ দূৰীকৰণৰ বাবে একগোট হৈ ব্যাপক আন্দোলন গঢ়ি তুলিবলৈ সম্পাদকীয় প্ৰতিবেদনৰ মাজেৰে ছাত্ৰ সমাজলৈ আহ্বান জনালোঁ।

নানা অভাৱ অসুবিধাৰ মাজেৰে আন বছৰৰ দৰে এই বছৰো যোৱা ১৫/১/৮৪ ইং তাৰিখৰ পৰা ১৯/১/৮৪ ইং তাৰিখলৈ পাচ-দিনীয়া কাৰ্য্যসূচীৰে কলেজ সপ্তাহ অনুষ্ঠিত কৰা হয়। অধ্যাপক-অধ্যাপিকা সকল আৰু ছাত্ৰ-ছাত্ৰী সকলৰ সহযোগিতা আৰু আপ্ৰাণ চেষ্টাৰ ফলত এই কলেজ সপ্তাহ সাফল্য মণ্ডিত হৈ উঠিছিল।

কলেজ সপ্তাহৰ পাচদিনীয়া কাৰ্যসূচীৰ ভিতৰত প্ৰথমদিনা ভোগালী বিহু উপলক্ষে প্ৰীতি সম্ভাষণৰ আয়োজন কৰা হয়। বিভিন্ন প্ৰতিযোগিতামূলক খেল-ধেমালী, গান-বাজনা নাট প্ৰতিযোগিতা আদিৰ মাজেৰে অতি উৎসাহ উদ্দীপনাৰে এক আনন্দময় পৰিবেশেৰে কলেজ সপ্তাহৰ চাৰিটাদিন অতিবাহিত হয়। পঞ্চমদিনা আবেলি মুকলি সভা অনুষ্ঠিত হয় অধ্যক্ষ মহোদয়ৰ সভাপতিত্বত। সন্ধিয়া পাচ বজাৰ পৰা সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰা হয়।

স্থানীয় মৌজাদাৰ; এই অঞ্চলৰ মুৰব্বী আৰু নৱজ্যোতি মহাবিদ্যালয়ৰ শুভাকাঙ্ক্ষী ব্যক্তি আলহাজ ইন্তাজ আলী চাহাবৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰি তেখেতৰ আত্মাৰ চিৰশান্তি কামনা কৰি শোক সন্তপ্ত পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰা হয়।

যোৱা ২/১১/৮৪ ইং তাৰিখে ভাৰতৰ প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধীৰ আকস্মিক মৃত্যুত গভীৰ শোক প্ৰকাশ কৰি শোক সন্তপ্ত পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰা হয়, আৰু তেখেতৰ আত্মাৰ প্ৰতি শ্ৰদ্ধা জনাই সমগ্ৰ দেশৰ লগতে আমাৰ কলেজতো ২ আৰু ৩ নবেম্বৰৰ দিনা বন্ধ পালন কৰা হয়।

ইং ১৩/১১/৮৪ তাৰিখে নৱাগত আদৰণি সভা বিভিন্ন কাৰ্যসূচীৰে উৎযাপন কৰা হয়। এই বছৰ নৱাগত আদৰণি সভাত মুখ্য অতিথি হিচাবে গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্য ডঃ যামিনী মোহন চৌধুৰী ডাঙৰীয়াক আমন্ত্ৰণ জনোৱা হয়। নিশা সাংস্কৃতিক অনুষ্ঠানত বিভিন্ন গান বাজনা, কৌতুক আদিৰ মাজেৰে নৱাগত আদৰণি সভাৰ অন্ত পৰে।

আজি ১৩ বছৰ পিছতো আমাৰ কলেজৰ ছাত্ৰ-ছাত্ৰী সকলে ভোগ কৰি থকা অত্যাৱশ্যকীয় কেইটামান অভাৱ আৰু অসুবিধাৰ কথা কলেজ কৰ্তৃপক্ষক জনাবলৈ বিচাৰিছো আৰু সেই-বোৰৰ আশু সমাধান কামনা কৰিছো। সেইবিলাক হ'ল শ্ৰেণী কোঠাৰ অভাৱ, ছাত্ৰ একতা সভাৰ স্থায়ী কাৰ্য্যালয়, ল'ৰাৰ জিৰণি কোঠাৰ লাগতিয়াল বয়-বস্তু, বিজ্ঞান শাখাৰ লাগতিয়াল যন্ত্ৰপাতি, গবেষণাগাৰ ছাত্ৰাবাসত



লাগতিয়াল সা-সুবিধা, পুথি ভৰালৰ উন্নতি সাধন, স্থায়ী প্ৰেক্ষাগৃহ এটা নিৰ্মাণ, চাইকেল ষ্টেণ্ডৰ সুব্যৱস্থা কৰা, খেল ধেমালিৰ সা-সঁজুলিৰ যোগান ধৰা আদিয়ে প্ৰধান। গতিকে মোৰ দিনত বাকী থকা কামখিনি কলেজ কৰ্তৃপক্ষৰ সহযোগত সম্পূৰ্ণ কৰিবলৈ পৰৱৰ্ত্তী সম্পাদকলৈ অনুৰোধ জনালোঁ।

মোৰ কাৰ্য্যকালত উৎযাপন কৰা উৎসৱ, পৰ্ব্ব আদি কৃতকাৰ্য্য কৰি তোলাৰ বাবে শ্ৰম দান কৰা ছাত্ৰ-ছাত্ৰী সকললৈ আন্তৰিক ধন্যবাদ জনাইছোঁ। বিশেষকৈ জালালউদ্দিন নাগৰিক, শুকুৰ আলীখান, জালালউদ্দিন ভূঞা, নুৰুল ইছলাম, নুৰুল হক, আনোৱাৰ হুছেইন, আঃ ৰহমান খান, আজগৰ আলী, মিছ্ মনোৱাৰা খাতুন, আদি বন্ধু-বান্ধৱী সকললৈ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

ছাত্ৰ একতাসভাৰ কাৰ্য্যকৰী সদস্য তথা তত্বাৱধায়ক অধ্যাপক সকলৰ ওচৰত মই চিৰ কৃতজ্ঞ। সাধাৰণ সম্পাদক ৰূপে কাৰ্য্যাৱলী পৰিচালনা কৰাত সৰ্বতোপ্ৰকাৰে মোক সদুপ-দেশ দি অহা অধ্যক্ষ দেৱকে আদি কৰি অধ্যাপক আঃ ছাত্তাৰ আহমেদ, ওমৰ আলী আহমেদ, লম্বিত কোঁৱৰ, খন্দকাৰ আঃ গফুৰ খতিয়ৰ ৰহমান, আঃ ছালাম প্ৰমুখ্যে অধ্যাপক সকললৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

সদৌ শেষত মোৰ কাৰ্য্যকাল সময়ছোৱাত কৰি অহা অনিচ্ছাকৃত ভুল ভ্ৰান্তিৰ বাবে সমূহ অধ্যাপক অধ্যাপিকা কৰ্মচাৰী বৃন্দ আৰু ছাত্ৰ-ছাত্ৰী সকলোৰে ওচৰত ক্ষমা প্ৰাৰ্থনা বিচাৰি এই ক্ষুদ্ৰ প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

ইনকিলাব জিন্দাবাদ।

জয়তু নৱজ্যোতি মহাবিদ্যালয় ছাত্ৰ একতা সভা।

নেওয়াজুল হক।

সাধাৰণ সম্পাদক ছাত্ৰ একতা সভা।

—:★:—

# সহঃ সাধাৰণ সম্পাদকৰ প্ৰতিবেদন—

প্ৰতিবেদনৰ আৰম্ভণিতে যিসকল মহান ব্যক্তিয়ে নৱজ্যোতি মহাবিদ্যালয়খন প্ৰতিষ্ঠা কৰাত শাৰীৰিক, মানসিক আৰু অৰ্থনৈতিক সহায় সহযোগ আগবঢ়াইছিল, সেই সকল মহান ব্যক্তিলৈ যাচিলোঁ মোৰ আন্তৰিক শ্ৰদ্ধাঞ্জলি।

মহান দায়িত্বৰ গভীৰ কৰ্মৰ কথা ক্ষুদ্ৰ-প্ৰাণৰ ক্ষুদ্ৰভাষাৰে প্ৰকাশ কৰিব নোৱাৰিলেও জ্ঞানী-গুণী বন্ধু বান্ধৱী সকলৰ দ্বাৰা অযোগ্য ব্যক্তিৰ ওপৰত অৰ্পিত দায়িত্বৰ বিষয়ে কেইশাৰী মান লিখিবলৈ কলম তুলি ললোঁ।।

নিশ্চয় বন্ধু-বান্ধৱী সকলে বুকুত বহুত উদ্দীপনা লৈ মোক ছাত্ৰ একতা সভালৈ নিৰ্ব্বাচিত কৰি পঠাইছিল; কিন্তু মই কি কৰিলো; সেইটো আপোনালোকৰ বিচাৰ্য্য। কিয়নো বন্ধুসকল আপোনালোক প্ৰত্যেকেই জানে যে আমাৰ মহাবিদ্যালয়খন অতি দুখীয়া। নানান আলৈ আহুকালৰ মাজেদি কৰ্তৃপক্ষই মহাবিদ্যালয়খন চলাই আছে। তথাপিও আমি দিয়া ১৬টা দাবীৰ ভিতৰত তিনিটা দাবী ( ছাত্ৰী জিৰণি কোঠা, ইউনিয়ন অফিচ আৰু ছাত্ৰাবাসত লাইটৰ যোগান আদি ) কৰ্তৃপক্ষই পূৰণ কৰিছে। বাকী বিলাকো লাহে লাহে পূৰণ কৰিব বুলি আমাৰ কৰ্তৃপক্ষই আশ্বাস দিছে।

প্ৰত্যেক সম্পাদকে তেওঁলোকৰ প্ৰতিবেদনত অভাৱ অভিযোগৰ কথা উল্লেখ নকৰাকৈ নাথাকে। কাৰণ এতিয়াও বহুত অভাৱ আমাৰ চকুৰ আগত ভাহি আছে।

গতিকে নৱজ্যোতি মহাবিদ্যালয়ৰ কৰ্তৃপক্ষক মই টানি অনুৰোধ জনাওঁ যে যাতে ছাত্ৰী জিৰণি কোঠাটোৰ বাবে এটা সুব্যৱস্থা লয়। কাৰণ ছাত্ৰী জিৰণি কোঠাটো সৰু হোৱাত ছোৱালীবোৰৰ বৰ অসুবিধা হৈছে।

লগতে বিজ্ঞান শাখাৰ ল'ৰা ছোৱালীৰ বাবে সকলো সা-সুবিধাৰ যোগান আৰু ছাত্ৰাবাসৰ আসন যাতে বঢ়াই দিয়ে তাৰ বাবে মই কলেজ কৰ্তৃপক্ষক অনুৰোধ জনালোঁ।

To err is human—গতিকে মোৰ কাৰ্য্যকালত অজানিতে হোৱা ভুলত্ৰুটিৰ বাবে সমূহ বন্ধু-বান্ধৱী তথা শিক্ষা গুৰু সকলৰ ওচৰত ক্ষমা বিচাৰিছোঁ।

মোৰ কাৰ্য্যকাল ছোৱাত মোক সকলো প্ৰকাৰে সৎ উপদেশ দিয়া বাবে মাননীয় অধ্যক্ষ মহোদয়, উপাধ্যক্ষ, ভাৰপ্ৰাপ্ত অধ্যাপক মহোদয়ৰ ওচৰত চিৰ কৃতজ্ঞ হৈ ৰ'ম। মোৰ কামত সহায় সহযোগিতা আগবঢ়োৱা বাবে বন্ধুবৰ ৰুস্তম আলী তাজউদ্দিন আলী আহমেদ, আলী আকবৰ ভূঞা, জাহাঙ্গীৰ খাঁন, মীৰ জাফৰ আলী, মীৰ জাহাঙ্গীৰ আলম, মীৰ খয়েৰ উদ্দিন, আব্দুছ ছবুৰ দেওৱান, হাসমত আলী, হুমায়ুন খান, আব্দুল হক, নুৰুল আমিন আৰু বান্ধৱী মিচ্ ৰৌশনাৰা আকতাৰ, মালেকা চৌধুৰী, হাফিজা খাতুন, জবেদা খন্দকাৰ আৰু মিচ্ মফিদা খাতুনলৈ মোৰ আন্তৰিক মৰম আৰু শুভেচ্ছা জ্ঞাপন কৰিছোঁ।

সদৌ শেষত শৈক্ষিক আকাশৰ ভোটা তৰা নৱজ্যোতি মহাবিদ্যালয়ৰ সৰ্বাঙ্গীন উন্নতি কামনা কৰি মই মোৰ এই ক্ষুদ্ৰ প্ৰতিবেদৰ যৱনিকা পেলালো। জয়তু নৱজ্যোতি মহাবিদ্যালয় ছাত্ৰ একতা সভা। জয় হিন্দ! জয়তু নৱজ্যোতি মহাবিদ্যালয়। ধন্যবাদেৰে—

এম, আব্দুৰ ৰহমান খান।

সহঃ সাধাৰণ সম্পাদক।

★●★



# আন্তঃ খেল বিভাগীয় সম্পাদকৰ বছৰেকীয়া প্ৰতিবেদন।

প্ৰতিবেদনৰ আৰম্ভনিতে অসম আন্দোলনত যিসকল ব্যক্তিয়ে তেওঁলোকৰ জীৱন উচৰ্গা কৰিলে সেই সকল ব্যক্তিৰ আত্মাৰ সদগতিৰ বাবে আল্লাহৰ ওচৰত প্ৰাৰ্থনা জনালোঁ।

জয় জয়তে জ্ঞানৰ ভৰাল নৱজ্যোতি মহাবিদ্যালয়ৰ প্ৰতি মোৰ হিয়াভৰা ভক্তি অৰ্পণ কৰিলোঁ। পৰম শ্ৰদ্ধাভাজন শিক্ষাগুৰু সকলৰ প্ৰতি মোৰ হিয়াভৰা শ্ৰদ্ধাঞ্জলি আগবঢ়ালোঁ। অগ্ৰজ ককাই বাই আৰু বন্ধু-বান্ধৱী সকলৈ যাচিলোঁ মোৰ হিয়াভৰা মৰম আৰু শুভেচ্ছা।

যোৱা ইংৰাজী ৯/১/৮৪ তাৰিখত নৱজ্যোতি মহাবিদ্যালয়ৰ আন্তঃ খেল সম্পাদকৰ দায়িত্ব ভাৰ গ্ৰহণ কৰিলোঁ। মনত অদম্য আশা আছিল খেল সম্পাদকৰ ভাবলৈ খেল ধেমালীৰ এক নতুন আলোড়নৰ সৃষ্টি কৰিম। কিন্তু সেইখিনি বাস্তৱত ৰূপায়ণ কৰিব নোৱাৰিলো খেল ধেমালিৰ সা-সঁজুলিৰ অভাৱত। ভাৱিছিলোঁ উন্নত ধৰণৰ খেল সামগ্ৰীৰ যোগান ধৰি ছাত্ৰ বন্ধু-বান্ধৱী সকলৰ মাজত নতুন প্ৰেৰণা যোগাম। কিন্তু মোৰ মনাকাশত হতাশাৰ ক'লা মেঘ দেখা দিলে। কাৰণ আমাৰ এই অনুষ্ঠানখন নিচেই চালুকীয়া; আনহাতে উন্নত ধৰণৰ খেলৰ সামগ্ৰীৰ বাবে যথেষ্ট পুঁজিৰ দৰকাৰ। আমাৰ কলেজত বৰ্তমানলৈকে টেবুল টেনিছ আৰু লন্ টেনিছ খেল প্ৰৱৰ্ত্তন কৰা হোৱা নাই। আশা ৰাখিছো কৰ্তৃপক্ষই এই খেলবোৰ অচিৰেই প্ৰৱৰ্ত্তন কৰিব। কম খেল সা সৰঞ্জামেৰে গোটেই বছৰটোত সুচাৰুৰূপে খেল-ধেমালী পৰিচালনা কৰিবলৈ আপ্ৰাণ চেষ্টা কৰা হৈছিল। আশা ৰাখিছো ভবিষ্যতে যাতে ইয়াতকৈ উন্নত মানৰ তথা সৌষ্ঠৱ পূৰ্ণ হয়।

আন্তঃ খেল সম্পাদকৰ দায়িত্ব ভাৰ চলাই যোৱাত শ্ৰদ্ধাভাজন শিক্ষাগুৰু, ভাৰপ্ৰাপ্ত অধ্যাপক নূৰ আলম হক ছাৰে যিখিনি নিৰ্দেশাত্মক সহায় আগবঢ়াইছিল তাৰ বাবে তেখেতৰ ওচৰত মই চিৰ কৃতজ্ঞ হৈ ৰম। সাধাৰণ সম্পাদক নেওয়াজুল হক, আলোচনী

সম্পাদক ৰুস্তম আলী আৰু ভাইটি আব্দুৰ ৰৌফে যিখিনি সহায় সহানুভূতি আগবঢ়াইছিল তাৰ বাবেও মই তেখেত সকললৈ মোৰ ধন্যবাদ জ্ঞাপন কৰিছোঁ। বিভিন্ন কামত সহায় সহানুভূতি আগবঢ়োৱা বন্ধু সৰ্বশ্ৰী মাণ্ডবৰ, হালিম, নুৰুল হুদা, ছাইফুল, ছবুৰ দেৱান, হাসমত, আজগৰ, তোফাজ্জল নূৰ হোচেন আৰু বান্ধৱী আনোৱাৰা, মনোৱাৰা, ৰৌশনাৰা, জুবেদা আৰু মাসেকা এই সকলৰ প্ৰতি মোৰ হিয়াভৰা মৰম আৰু শুভেচ্ছাৰ শৰাই আগবঢ়ালোঁ।

সদৌ শেষত নৱজ্যোতি মহাবিদ্যালয়ৰ সৰ্ব্বাঙ্গীন উন্নতি আৰু দীৰ্ঘায়ু কামনা কৰি সম্পাদকীয় কালছোৱাত অনিচ্ছাকৃত মোৰ যিখিনি ভুলত্ৰুটি হৈছিল তাৰবাবে সকলোৰে ওচৰত ক্ষমা বিচাৰি মোৰ ক্ষুদ্ৰ প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

জয় জয়তু নৱজ্যোতি মহাবিদ্যালয়।

—ধন্যবাদ।

নূৰুল আমিন ছিদ্দিক।
সম্পাদক,
আন্তঃ খেল বিভাগ,

★ ● ★

# সম্পাদকীয়
## -ঃ তৰ্ক বিভাগ ঃ-

মোৰ প্ৰতিবেদনৰ আৰম্ভণিতে বিদেশী/বহিষ্কৰণ আন্দোলনত প্ৰাণাহুতি দিয়া বীৰ শ্বহীদ সকললৈ গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰাৰ লগতে পঙ্গু হোৱা সাহসী ছাত্ৰ-ছাত্ৰী, যুৱক যুৱতী সকলোৰে আশু আৰোগ্য কামনাৰে সৃষ্টিকৰ্ত্তাৰ ওচৰত প্ৰাৰ্থনা জনালোঁ।

নৱজ্যোতি মহাবিদ্যালয় ছাত্ৰ ইউনিয়নৰ তৰ্ক আৰু আলোচনা সম্পাদক হিচাবে সদৌ অসম সংখ্যালঘু ছাত্ৰ ইউনিয়নৰ প্ৰাৰ্থীক আৰু বিনা প্ৰতিদ্বন্দ্বিতাৰে জয়ী কৰি আপোনা সকললৈ সেৱা আগবঢ়াবলৈ যি সুযোগ দিলে তাৰ বাবে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

গতানুগতিক ভাৱে উদযাপিত হোৱা "মহাবিদ্যালয় সপ্তাহ," 'বিদায় সভা,' 'নৱাগত আদৰণি সভা' আদিৰ মাজতেই আমাৰ সীমিত পৰিধিৰ কাৰ্য্যক্ৰম পৰ্য্যায় ক্ৰমে চলে—চলি আহিছে। ব্যতিক্ৰম আমিও হব নোৱাৰিলো। গৌৰৱ কৰিব খোজা নাই বহুত কিবা কিবি কৰিলো বুলি। অৱশ্যে চেষ্টাৰ ত্ৰুটি কৰা নাছিলো কিবা অলপ কৰাৰ। চিৰাচৰিত ৰীতিৰ পৰা আঁতৰি নতুন কিবা এটা কৰাৰ আকাঙ্ক্ষা আছিল মোৰ কাৰ্য্যকালৰ আৰম্ভণিৰ পৰাই পৰিকল্পনা কৰিছিলো সহপাঠী বন্ধু-বান্ধৱী সকলৰ বৌদ্ধিক উৎকৰ্ষ সাধনৰ বাবে কিছু অৰিহনা যোগোৱাৰ

আশানুৰূপ ভাৱে মই সফল হব নোৱাৰিলো সেইটো খাটাং, অৱশ্যে সময় আৰু সুবিধাৰ কথাও ইয়াত নিবিড় ভাৱে জড়িত। কেতিয়াবা সময় পাইছো, কিন্তু আৱশ্যকীয় সময়ৰ নাটনি। তথাপি মোৰ কাৰ্য্যকাল ছোৱাত নিচেই সীমিত ভাৱে হলেও যি দুটা এটা কাম কৰিবলৈ সমৰ্থ হ'লো তাৰ আংশিক খতিয়ান ইয়াত দাঙি ধৰিলো!

১৯৮৪ইং চনৰ ৩০ জানুৱাৰীত গুৱাহাটীৰ আৰ্য্যবিদ্যাপীঠ মহাবিদ্যালয়ত অনুষ্ঠিত 'শ্বহীদ অনিল ডেকা সোঁৱৰণী' আন্তঃমহাবিদ্যালয় তৰ্ক প্ৰতিযোগিতাত নৱজ্যোতি মহাবিদ্যালয়ৰ প্ৰতিনিধিত্ব কৰি এটি পুৰস্কাৰ পাবলৈ সমৰ্থ হওঁ। ই নিশ্চয় আমাৰ কলেজলৈ কঢ়িয়াই আনিছিল গৌৰৱৰ স্বাক্ষৰ। ইয়াৰ উপৰিও "ৰঙিয়াত" অনুষ্ঠিত আন্তঃ মহাবিদ্যালয় তৰ্ক প্ৰতিযোগিতাত যোগদান কৰি পুৰস্কাৰ প্ৰাপ্ত নহলেও আমাৰ কলেজক সকলোৰে আগত উপস্থাপন কৰিব পৰাটোও কম গৌৰৱৰ বিষয় নহয়। বছৰৰ বিভিন্ন সময়ত কলেজত আকস্মিক বক্তৃতা, তৰ্ক প্ৰতিযোগিতা আদিৰ আয়োজন কৰো আৰু কিছু পৰিমাণে সহাৰিও পাওঁ।

প্ৰতি বছৰৰ দৰেও মোৰ কাৰ্য্যকাল ছোৱাতো উদযাপিত হয় "মহাবিদ্যালয় সপ্তাহ"। পুনৰ নতুন কিবা এটা সংযোজন কৰাৰ ভাৱ আহিল প্ৰতিযোগিতাৰ শিতানত; পাতিলো এখন আকস্মিক তৰ্ক প্ৰতিযোগিতা। তুলনা মূলকভাৱে এইখন প্ৰতিযোগিতাত প্ৰতিযোগী যথেষ্ট আশাপ্ৰদ আছিল; ছাত্ৰছাত্ৰী সকলৰ উপস্থিত বুদ্ধি, সম্যকজ্ঞান, আৰু আকস্মিক উপস্থাপনৰ পাৰদৰ্শিতা জুখিবৰ বাবে এনে ধৰণৰ প্ৰতিযোগিতা এক উত্তম মাধ্যম। ইয়াত বিজয়ীৰ পুৰস্কাৰ লাভ কৰাৰ উপৰিও চলিত "শিল্ডৰ" বিশেষ সন্মান লাভ কৰে মিঃ তাইজুদ্দিন আহমেদে। তেখেতলৈ মোৰ আন্তৰিক অভিনন্দন জনালোঁ।

অভাৱৰ তাড়নাত ক্ষত বিক্ষত আজি এই নৱজ্যোতি মহাবিদ্যালয়। সমস্যা কেৱল সমস্যা; চাৰিওফালে কেৱল অভাৱ। তথাপিও ছাত্ৰ-ছাত্ৰী সকলৰ প্ৰতিভা বিকাশ তথা ব্যক্তিত্ব প্ৰকাশৰ যি নুন্যতম চাহিদা বিভিন্ন প্ৰকাৰৰ আলোচনীৰ যোগান ধৰা তৰ্ক আৰু আলোচনা চক্ৰৰ বাবে এটি গেলাৰীৰ অভাৱ পূৰণ কৰা। কিন্তু কৰ্তৃপক্ষ নীৰৱ অসহায় দৰ্শক। মই ভাবো, এই বিলাক অভাৱ পূৰণৰ ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীৰ ভূমিকাও কাম্য।

তেওঁলোকৰ মনৰ জোখাৰে হয়তো মই মোৰ বিভাগটোৰ কামকাজ কৰিব পৰা নাই। তাৰ বাবে নিশ্চয় ক্ষমাৰ যোগ্য। ইয়াৰোপৰি

সংগঠনৰ স্বাৰ্থত বিভিন্ন কামত জড়িত থাকিব লগা হৈছিল। এইবোৰ দায়িত্ব এৰাই চলা মানেই বিশ্বাস ঘাতকতা কৰা, সময়ৰ আহ্বানক উপেক্ষা কৰা। সমস্যাৰ হেচাঁত জুৰুলা ৰাজ্যখনক সুস্থ সবল ৰূপত নকৈ গঢ়ি তোলাৰ দায়িত্ব আজি আমাৰ ছাত্ৰ সমাজৰ ওপৰতেই ন্যস্ত নহয় জানো ?

মোৰ কাৰ্য্যকাল ছোৱাত নিয়াৰীকৈ চলাই নিয়াত মোৰ বিভাগীয় তত্বাৱধায়ক, অধ্যাপক আব্দুল গফুৰ দেৱান ছাৰক মোৰ আন্তৰিক শ্ৰদ্ধা তথা কৃতজ্ঞতা জ্ঞাপন কৰিছো। অধ্যক্ষ ছাৰৰ সহানুভূতিয়েও মোক অনুপ্ৰাণিত কৰিছিল। বন্ধুবৰ তাইজুদ্দিন, ৰুস্তম, হবিবৰ ৰহমান; বান্ধৱী জুবেদা, হামিদা, হাফিজা, হালিমা, আঞ্জুয়াৰা, আনোৱাৰা, মাহমুদা, আচিয়া, দেলোৱাৰা, ফৰিদা হঁতৰ সহায় সদায় মনত থাকিব।

সদৌ শেষত নৱজ্যোতি মহাবিদ্যালয়ৰ ছাত্ৰ ইউনিয়নৰ উত্তৰোত্তৰ উন্নতি কামনাৰে মোৰ সম্পাদকীয় প্ৰতিবেদনৰ ইতি পেলাব খুজিছোঁ।

জয়তু নৱজ্যোতি মহাবিদ্যালয়।
জয়তু নৱজ্যোতি মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা।

প্ৰীতি আৰু শুভেচ্ছাৰে—
আব্দুল খালেক আহমেদ।
সম্পাদক/তৰ্ক বিভাগ।

★ ● ★

# ছাত্ৰ জিৰণি কোঠাৰ সম্পাদকৰ বছৰেকীয়া প্ৰতিবেদন—

পৰম করুনাময় জগদীশ্বৰৰ ওপৰত নিৰ্ভৰ কৰি পবিত্ৰ অন্তৰেৰে মই মোৰ বছৰেকীয়া প্ৰতিবেদন লিখিবলৈ মোৰ মৰমৰ কলম ডাল হাতত ললো আৰু লগতে প্ৰতিবেদন আৰম্ভ কৰিলোঁ।

যি সকল ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীয়ে পৱিত্ৰ আশীৰ্ব্বাদ, মৰম, সহায় সহানুভূতি আদিৰে বিনা প্ৰতিদ্বন্দ্বিতাৰে মোক নৱজ্যোতি মহাবিদ্যালয়ৰ ছাত্ৰ জিৰণি কোঠাৰ সম্পাদক হিচাপে পৰিচয় দিব পৰা সুযোগ কৰি দিছে, সেই সকল বন্ধু বান্ধৱীলৈ মোৰ আন্তৰিক অভিনন্দন জনালোঁ।

ছাত্ৰ জিৰণি কোঠাৰ সম্পাদক হিচাবে মোৰ যিখিনি দায়িত্ব আছিল, সেইখিনিত মই কিমানদূৰ সাফল্য লাভ কৰিব পাৰিছো, সেইটো আপোনালোকৰ বিচাৰ্য্য। আগতে ছাত্ৰ জিৰণি কোঠাৰ কোনো ধৰণৰ ফাণ্ড নাছিল যদিও মোৰ কাৰ্য্যকালত ছাত্ৰ জিৰণি কোঠাৰ বাবে এটা সুকীয়া ফাণ্ড হ'ল। ছাত্ৰ জিৰণি কোঠা সম্পাদকৰ কাৰ্য্য পৰিচালনাৰ বাবে যিখিনি পুঁজিৰ প্ৰয়োজন তাৰ তুলনাত মোৰ পুঁজিৰ পৰিমাণ ইমান তাকৰ আছিল যাক মই ভাষাৰে প্ৰকাশ কৰিবলৈ টান পাইছো। ইয়াৰ বাবে যদিও মই মাত মাতিছিলো তাৰ সঁহাৰি এতিয়ালৈ নাপালোঁ।

এযাৰ অপ্ৰিয় অথচ সত্যকথা প্ৰতিবেদনৰ মাজেৰে বন্ধু-বান্ধৱীৰ দোষৰ কথা প্ৰকাশ কৰিলো। সেয়া হ'ল ছাত্ৰ বন্ধু সকলৰ পশ্চাৎগামী মনোবৃত্তি, যাৰ বাবে তেওঁলোকে কলেজ সপ্তাহত, কলেজ চাৰি বেৰৰ মাজত অনুষ্ঠিত বিভিন্ন প্ৰতিযোগিতাৰ পৰা নিলগত থাকিব বিচাৰে।

কলেজ ইতিহাসত প্ৰথম বাৰৰ বাবে ভাৰপ্ৰাপ্ত অধ্যাপকৰ সৈতে আলোচনা কৰি ছাত্ৰ জিৰণি কোঠাৰ তৰফৰ পৰা হাস্যৰস মূলক কৌতুক, চিত্ৰপ্ৰদৰ্শনী আৰু প্ৰাচীৰ পত্ৰিকাৰ প্ৰতিযোগীতাৰ আয়োজন কৰা হৈছিল। কিন্তু ছাত্ৰ-ছাত্ৰী সকলৰ কোনো ধৰণৰ সহাৰি নোপোৱাত অৰ্থাৎ ছাত্ৰ-ছাত্ৰী সকলে যোগদান নকৰাত প্ৰতিযোগিতা নহ'ল। সেয়ে মই আশা ৰাখিছো যাতে পৰবৰ্ত্তী সম্পাদকে প্ৰতিযোগীৰ অভাৱত প্ৰতিযোগিতা এৰিব লগা নহয়।

মোৰ কাৰ্য্যকালত কৰ্তৃপক্ষৰ ওচৰত মই বহুতো দাবী কৰিছিলো। দাবী সমূহৰ ভিতৰত স্থায়ী ছাত্ৰ জিৰণি কোঠাৰ দাবী কৰ্তৃপক্ষই পূৰণ কৰিছে।

মোৰ বিভিন্ন কামত সৎ-উপদেশেৰে সহায় কৰা ভাৰপ্ৰাপ্ত অধ্যাপক লম্বিত কোঁৱৰৰ ওচৰত মই কৃতজ্ঞ। ইয়াৰোপৰি মহামান্য অধ্যক্ষ মহোদয়, উপাধ্যক্ষ মহোদয় আৰু অধ্যাপক অধ্যাপিকা সকলে মোৰ প্ৰতি চোকা দৃষ্টি ৰখা বাবে তেখেত সকললৈ মোৰ আন্তৰিক শ্ৰদ্ধা নিবেদন কৰি কৃতজ্ঞতা জ্ঞাপন কৰিছো।

মোৰ কাৰ্য্যাৱলীত মহাবিদ্যালয়ৰ অফিচ ষ্টাফ আৰু ছাত্ৰ-ছাত্ৰী সকলে সহায় আগবঢ়োৱাৰ বাবে তেওঁলোকলৈ কৃতজ্ঞতা আগবঢ়ালো।

যিসকল ছাত্ৰ-ছাত্ৰী আৰু বন্ধু বান্ধৱীয়ে কাৰ্য্যকালত মোক সহায় কৰিছে সেইসকলৰ নাম উল্লেখ নকৰি থাকিব নোৱাৰিলো। সেই সকল বন্ধু হল, আঃ ৰহিম, তাজুদ্দিন, সাজম, ৰোস্তম আলী, নূৰমহাম্মদ খাঁন, আনোৱাৰ হুছেইন আৰু বান্ধৱী সকল ৰৌশনাৰা আখতাৰ, ৰমেলা, ৰেজিয়া, হামিদা, ফৰিদা, ৰিকতা, মমতাজ, মাজেদা, আৰু সম্পাদিকা খন্দকাৰ জবেদা বেগমলৈ মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছো।

সামৰণিত কলেজ কৰ্তৃপক্ষক ছাত্ৰ জিৰণি কোঠাৰ অতি প্ৰয়োজনীয় আহিলা পাতিবোৰ যোগান ধৰিবলৈ অনুৰোধ কৰিলো।

সদৌ শেষত, মই মোৰ অনিচ্ছাকৃত ভুল ত্ৰুটিৰ বাবে ক্ষমা প্ৰাৰ্থনা কৰিছো। আৰু নৱজ্যোতি মহাবিদ্যালয়ৰ ভৱিষ্যত উজ্জ্বল কামনা কৰি মোৰ ক্ষুদ্ৰ প্ৰতিবেদন সামৰণি মাৰিছো।

ধন্যবাদেৰে—
মহম্মদ কাজী আলতাফ হুছেইন।
সম্পাদক, ছাত্ৰ জিৰণি কোঠা।

# সম্পাদকীয় প্ৰতিবেদন—
# গুৰু খেল বিভাগ

প্ৰতিবেদনৰ আৰম্ভণিতে শিক্ষাৰ কৰ্ণধাৰা এই নৱজ্যোতি মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষ, উপাধ্যক্ষ আৰু অধ্যাপক-অধ্যাপিকা সকলৈলে মোৰ আন্তৰিক শ্ৰদ্ধা নিবেদন কৰিলোঁ। লগতে নৱজ্যোতি মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ ছাত্ৰী, বন্ধু-বান্ধৱী সকলৈলে মোৰ হিয়াভৰা মৰম আগবঢ়ালোঁ।

নৱজ্যোতি মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী, বন্ধু বান্ধৱীয়ে মোক ১৯৮৩—৮৪ইং চনৰ বাবে এই খন মহাবিদ্যালয়ৰ গুৰু খেল বিভাগৰ সম্পাদক হিচাপে নিৰ্ব্বাচিত কৰাৰ কিছুদিন পিছতেই বিভাগীয় কাম কাজৰ দায়িত্ব হাতত লওঁ। গুৰু দায়িত্ব হাতত লোৱাৰ পিছতেই মোৰ মনত এটা নতুন আশাৰ প্ৰদীপ জ্বলি উঠে। সেয়া হ'ল এইখন মহাবিদ্যালয়ত এটা ভাল ফুটবল দল গঠণ কৰা। ঠিক মোৰ মনৰ আশাৰেই ফুটবল খেলুৱৈ বন্ধু সকলক পাইছিলোঁ। যদিও দুখৰ বিষয় আমাৰ কলেজৰ এখন সুকীয়া খেল পথাৰ নথকা বাবে অনুশীলন কৰিব নোৱাৰা হেতুকে মোৰ আশাৰ সফল ৰূপায়ণ কৰিব নোৱাৰিলোঁ। তাৰ কাৰণে মই বৰ দুঃখিত।

অইন বছৰৰ দৰে এইবাৰো আমাৰ কলেজত পাঁচদিনীয়া কাৰ্য্যসূচীৰে "কলেজ সপ্তাহ" অনুষ্ঠিত হৈ যায়। এই কলেজ সপ্তাহত আশা কৰা মতে ভাল খেলুৱৈ পোৱা নাছিলো যদিও কিছুমান ছাত্ৰ-ছাত্ৰী, বন্ধু বান্ধৱীয়ে নানা অসুবিধাৰ মাজেৰেও যি খেল প্ৰদৰ্শণ কৰি মোক সহায়—সহযোগিতা আৰু দৰ্শক বৃন্দক আনন্দ দান কৰিছিল তেওঁলোকৰ প্ৰতি মই ধন্যবাদ জ্ঞাপন কৰিছোঁ।

আমাৰ মহাবিদ্যালয় খন ১৯৭১ চনত স্থাপিত হয়। বছৰে বছৰে আন্তঃ কলেজ ফুটবল প্ৰতিযোগিতা অনুষ্ঠিত হৈ যায়। যদিও মহাবিদ্যালয়খন স্থাপিত হোৱাৰ পিছত আমাৰ কলেজত ভাল এটা ফুটবল দল গঠণ হোৱা নাছিল, তথাপিও ১৯৮১ চনত ৰঙিয়া মহাবিদ্যালয়ত যিটো প্ৰতিযোগিতা অনুষ্ঠিত হৈছিল তাত যোগদান কৰি সফলতা লাভ কৰিব পৰা নাছিল। তথাপি দুই এজন ভাল খেলুৱৈ কলেজত থকা হেতুকে আৰু অতিকৈ ওচৰত এই প্ৰতিযোগিতা পতাৰ কাৰণে আকৌ তাত যোগ দান কৰিম বুলি হেপাহ কৰিছিলো। কিন্তু বৰ অনুতাপৰ কথা যে আজি আঠ বছৰ ধৰি আমাৰ কলেজে বিশ্ব-বিদ্যালয়ত ইয়াৰ যাৱতীয় মাচুল আদি জমা নিদিয়াৰ কাৰণে আমাৰ কলেজখনৰ নাম তাৰ পৰা বাতিল কৰা হয়। গতিকে কলেজ কৰ্তৃপক্ষক টানি অনুৰোধ জনাওঁ যে যাতে ইয়াৰ প্ৰতি দৃষ্টি ৰাখি আৰু অহা বছৰৰ পৰা যেন আমাৰ কলেজে "আন্তঃ কলেজ ফুটবল প্ৰতিযোগিতা"ত যোগদান কৰিব পাৰে।

মোৰ কাৰ্য্যকালত সজ পৰামৰ্শ দি সহায় সহযোগিতা কৰা ভাৰপ্ৰাপ্ত অধ্যাপক আঃ ছাত্তাৰ আহম্মেদ, অধ্যাপক নুৰ আলম চাহাবক মই চিৰ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। মোৰ কাৰ্য্যকালত বিভিন্ন কামত সহায় কৰা বন্ধুৰৰ ইয়াদ আলী, ৰুস্তম আলী, আনোৱাৰ হুছেইন, ছফিউৰ ৰহমান, বান্ধৱী মালেকা খাতুন, ৰৌশনাৰা আখতাৰ হঁতলৈ মোৰ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিলোঁ। সদৌ শেষত মোৰ কাৰ্য্যকালত অধ্যক্ষ, উপাধ্যক্ষ, অধ্যাপক; অধ্যাপিকা আৰু ছাত্ৰ-ছাত্ৰী; ভাই ভনী সকলৰ ওচৰত কৰি অহা অবাঞ্চিত ভুলৰ বাবে ক্ষমা বিচাৰি, নৱজ্যোতি মহা-বিদ্যালয়ৰ দীৰ্ঘায়ু কামনা কৰি মোৰ এই ভাষাহীন প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

নৱজ্যোতি মহাবিদ্যালয় ছাত্ৰ-একতা সভা
জিন্দাবাদ।

শ্ৰদ্ধাৰে—
মোঃ নুৰুল আমিন।
সম্পাদক, গুৰু খেল বিভাগ।

★ ★ ★

# সঙ্গীত আৰু সাংস্কৃতিক সম্পাদকৰ
# বছৰেকীয়া প্ৰতিবেদন

জয় জয়তে যিসকল ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱী আৰু হিতাকাংক্ষীয়ে মোক নৱজ্যোতি মহাবিদালয়ৰ সঙ্গীত আৰু সাংস্কৃতিক বিভাগৰ সম্পাদক হিচাবে নিৰ্ব্বাচিত কৰি এইখন মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভালৈ পঠিয়াই অনুন্নত অঞ্চলত প্ৰতিষ্ঠিত মহাবিদ্যা-লয়ৰ সাংস্কৃতিক আৰু কলাকৃষ্টিৰ সেৱা আগবঢ়াবলৈ যি সুবিধা দান কৰিছিল, সেই সকলৈলে মোৰ আন্তৰিক অভিনন্দন জনাইছোঁ।

সংগীত হৈছে প্ৰধানতঃ ক্লান্তিকৰ মানৱ

জীৱনক মনোৰঞ্জন কৰা এক অন্যতম সংস্কৃতি। যেতিয়া সেই সংগীত গণ-সংগীতত পৰিণত হয় অৰ্থাৎ জনসাধাৰণৰ আশা আকাঙ্ক্ষাৰ সংগীত হয় তেতিয়া সেই সংগীতে ব্যাপক জনসাধাৰণৰ কাৰণে খুলি দিয়ে এক উন্মুক্ত পথ। সংগীত অবিহনে মানৱ সমাজ বৰ্ত্তি থকাতো চিন্তা কৰিব নোৱাৰি। অৱশ্যে ইয়াৰ লগত অৰ্থনৈতিক দিশটো ওতঃপ্ৰোত ভাৱে জড়িত। কাৰণ অৰ্থনীতিয়েই হ'ল সকলো সাংস্কৃতিক কৰ্ম্মৰ মৌলিক ভিত্তি; যাৰ অভাৱত নেকি বহুতো সুপ্ৰতিভাবান শিল্পীয়ে মূৰ দাঙি উঠিব নোৱাৰি কালতে মৰহি যায়। এনে উদাহৰণ বহুতো আছে। সেই কাৰণে মহাবিদ্যালয়ত সংগীত চৰ্চাৰ কাৰণে আৱশ্যকীয় বাদ্যযন্ত্ৰ ছাত্ৰ-ছাত্ৰীক যোগান ধৰিবলৈ কলেজ কৰ্তৃপক্ষক এই প্ৰতিবেদনৰ জৰীয়তে অনুৰোধ কৰিলো। যাতে সুপ্ত প্ৰতিভাবনে ছাত্ৰ-ছাত্ৰীয়ে মহাবিদ্যালয় ক্ষেত্ৰৰ মাধ্যমত তেওঁলোকে নিজৰ প্ৰতিভাৰ বিকাশ সাধন কৰিব পাৰে।

১৯৮৩—৮৪ইং চনৰ শিক্ষা বছৰৰ "মহাবিদ্যালয় সপ্তাহ" উৎসৱ উদযাপনৰে মোৰ সাংস্কৃতিক সম্পাদকীয় কামকাজৰ শুভাৰম্ভ হয়। ছয় দিনীয়া কাৰ্য্য-সূচীৰে উদযাপন কৰা এই উৎসৱত মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলৰ মাজত বিভিন্ন সংগীত, গজল, কোৰাচ নৃত্য আৰু একাংকিকা নাট প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। উক্ত প্ৰতিযোগিতাত প্ৰতিযোগীৰ সংখ্যা যথেষ্ট হৈছিল যদিও মহাবিদ্যালয় হিচাবে আশানুৰূপ নহয়। মই আটাইকে অনুৰোধ কৰিছোঁ, যাতে ন-পুৰণি ছাত্ৰ-ছাত্ৰী সকলে অহা বছৰলৈ সংগীত আৰু সাংস্কৃতিক সম্পাদকক তেওঁৰ প্ৰতিবেদনত এই কথাষাৰ লিখাৰ সুবিধা নিদিয়ে।

এই খিনিতে মই এটি কথা আপোনালোকক নজনাই নোৱাৰিলোঁ যে, সাংস্কৃতিক বাধা গ্ৰস্থ এইখন মহাবিদ্যালয়ৰ বাবে এইবেলি আমাৰ মহাবিদ্যালয়ত কৰ্তৃপক্ষই মোৰ বিভাগত গোটেই বছৰৰ বাবে একেবাৰে কম পৰিমাণৰ অৰ্থ মঞ্জুৰী দিয়ে। যিটো কথা মই এইখন মহাবিদ্যালয়ৰ সাংস্কৃতিক সম্পাদক হিচাবে প্ৰকাশ কৰিবলৈ টান পাইছোঁ, বিশেষকৈ অইন অইন হাই স্কুলৰ লগত তুলনাকে কৰিব নোৱাৰি।

এনেকুৱা পৰ্য্যায়ৰ নানান আলৈ আহকালৰ সন্মুখীন হবলগীয়া হোৱাত মোৰ অন্তৰত সাংস্কৃতিক চৰ্চাৰ অদম্য বাসনা থকা সত্বেও এইখন মহাবিদ্যালয়ত নিস্কৰ্ম্মাৰ শাৰীত থিয় হৈ মনে মনে সাংস্কৃতিক উন্নতি কামনা কৰাৰ বাহিৰে অন্য পথ নাছিল। বাধাহীন প্ৰগতিৰ মূল্য নাই। কথাষাৰৰ তাৎপৰ্য্য ৰক্ষাকাৰী যিসকল সাংস্কৃতিক প্ৰেমীয়ে মোৰ কাৰ্য্যকালত সহায় সহানুভূতি আগবঢ়াইছিল সেই সকলৰ নাম স্মৰণ নকৰি নোৱাৰিলোঁ। তেওঁলোক হ'ল সৰ্ব্বশ্ৰী আলতাফ কাজী, ৰোস্তম আলী, মিচ্ জুবেদা খন্দকাৰ, জাহাঙ্গীৰ খান, আঃ মাতিন আহম্মেদ, আঃ ৰহিম, সাবাজুদ্দিন আহম্মেদ, মতিয়াৰ ৰহমান, ৰববান সিকদাৰ, মিচ্ ৰৌশনাৰা আখতাৰ, মিচ্ মালেকা খাতুন আৰু মিচ্ মফিদা খাতুনলৈ জনাইছোঁ মোৰ আন্তৰিক অভিনন্দন।



সংস্কৃতিৰ নতুন পোহৰে তেওঁলোকক আলোকিত কৰক।


মোৰ কাৰ্য্যকালত বিভিন্ন দিশ তথা সমস্যা সমাধানত পলমাত্ৰ পলম নকৰাকৈ দান কৰা বহুমূলীয়া পৰামৰ্শৰ বাবে আমাৰ মহাবিদ্যালয়ৰ অধ্যক্ষ আৰু উপাধ্যক্ষ মহাশয়, সাংস্কৃতিক বিভাগৰ তত্বাৱধায়ক অধ্যাপক শ্ৰীভগীৰথ চন্দ্ৰ নাথ, লম্বিত কোঁৱৰ, ইচমাইল হুছেইন আৰু অধ্যাপিকা মিচ্ চৈয়দা মেহেৰুণ নেছা বেগমলৈ মোৰ আন্তৰিক শ্ৰদ্ধা আৰু কৃতজ্ঞতাৰ শৰাই আগবঢ়াইছোঁ।

সদৌ শেষত মোৰ এবছৰীয়া সংগীত আৰু সাংস্কৃতিক সম্পাদকীয় কালছোৱাত অজানিত ভাৱে কৰি অহা ভুল ত্ৰুটিৰ বাবে অধ্যাপক, অধ্যাপিকা আৰু ছাত্ৰ-ছাত্ৰী সকলৰ ওচৰত ক্ষমা বিচাৰি নৱজ্যোতি মহাবিদ্যালয়ৰ উত্তৰোত্তৰ উন্নতি, সাংস্কৃতিক বাধাগ্ৰস্থ এই বিশাল সমাজৰ কলা সংস্কৃতিৰ উৎকৰ্ষ সাধন কামনা কৰি মোৰ প্ৰতিবেদন সামৰিছোঁ।

জয়হিন্দ।

—শ্ৰদ্ধাৰে—

আব্দুৰ ৰহিম।



## • জাতীয় সঙ্গীত •

অ' মোৰ আপোনাৰ দেশ,
অ' মোৰ চিকুনী দেশ,
এনেখন শুৱলা
এনেখন সুফলা
এনেখন মৰমৰ দেশ ।
অ' মোৰ সুৰীয়া মাত
অ' মোৰ সুৱদী মাত,
পৃথিৱীৰ ক'তো
বিচাৰি জনমতো
নোপোৱা কৰিলেও পাত ।
অ' মোৰ ওপজা ঠাই
অ' মোৰ অসমী আই
চাই লওঁ এবাৰ
মুখনি তোমাৰ
হেপাহ মোৰ পলোৱা নাই ।

৺বেজবৰুৱা ।

—সমাপ্ত—

নৱজ্যোতি মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ হকে আলোচনী সম্পাদক মোঃ ৰুস্তম আলীৰ দ্বাৰা সম্পাদিত আৰু প্ৰকাশিত । সৰভোগ পূৰ্ব্বাঞ্চল প্ৰিন্টাৰ্চত মুদ্ৰিত ।